सत्यमेव जयते

# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ স্থানীয় চৰকাৰৰ সন্দৰ্ভত 31 মাৰ্চ 2023ৰ সময়ছোৱাৰ বাৰ্ষিক কাৰিকৰী পৰিদৰ্শন প্ৰতিবেদন

SUPREME AUDIT INSTITUTION OF INDIA
लोकहितार्थ सत्यनिष्ठा
Dedicated to Truth in Public Interest

## অসম চৰকাৰ

# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ স্থানীয় চৰকাৰৰ সন্দৰ্ভত 31 মাৰ্চ 2023ৰ সময়ছোৱাৰ বাৰ্ষিক কাৰিকৰী পৰিদৰ্শন প্ৰতিবেদন

## অসম চৰকাৰ

| সূচীপত্ৰ | | |
|---|---|---|
| বিৱৰণ | দ্ৰষ্টব্য | |
| | দফা | পৃষ্ঠা |
| I শিৰোনাম পৃষ্ঠা | | |
| II বিষয়বস্তু | | |
| III পাতনি | | |
| IV কাৰ্য্যকৰী সাৰাংশ | | 1 |
| **অসমত স্থানীয় নিকায় প্ৰশাসনৰ এক আভাস** | **1** | 2 |
| স্থানীয় স্বায়ত্তশাসন প্ৰতিষ্ঠানসমূহৰ কাৰ্য্যকলাপ | 1.1 | 2 |
| সূচনা | 1.1.1 | 2 |
| অসমৰ জনসংখ্যাৰ গাঁথনি | 1.1.2 | 3 |
| ৰাজ্যত স্থানীয় স্বায়ত্তশাসন প্ৰশাসনৰ গঠন | 1.2 | 3 |
| পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান | 1.2.1 | 3 |
| নগৰীয়া স্থানীয় নিকায় | 1.2.2 | 4 |
| **স্থানীয় চৰকাৰসমূহলৈ কাৰ্য্যসমূহৰ হস্তান্তৰ আৰু ইয়াৰ কাম-কাজ** | **2** | 5 |
| বিত্তীয় ক্ষমতা অৰ্পণ কৰা | 2.1 | 5 |
| পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান | 2.1.1 | 5 |
| নগৰীয়া স্থানীয় নিকায় | 2.1.2 | 5 |
| স্থানীয় চৰকাৰৰ কাম-কাজ | 2.2 | 6 |
| কাম-কাজসমূহৰ হস্তান্তৰণৰ স্থিতি | 2.2.1 | 6 |
| সমিতি গঠন | 2.2.2 | 6 |
| সেৱা স্তৰৰ মানদণ্ড | 2.2.3 | 10 |
| হিচাপ পদ্ধতি | 2.2.4 | 11 |
| স্থানীয় নিকায়সমূহৰ অভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থা | 2.2.5 | 11 |
| বিত্তীয় অৱলোকন | 2.3 | 12 |
| পি আৰ আই-ৰ পুঁজিৰ উৎস আৰু ব্যৱহাৰ | 2.3.1 | 12 |
| ইউ এল বি-ৰ পুঁজিৰ উৎস আৰু ব্যৱহাৰ | 2.3.2 | 15 |
| পি এণ্ড আৰ ডি বিভাগ আৰু ডি অ' এইচ ইউ এ-ৰ দ্বাৰা বাজেটৰ আৱণ্টন আৰু তাৰ বিপৰীতে মুকলি | 2.3.3 | 17 |
| মুখ্য আঁচনিসমূহ ৰূপায়নৰ বাবে প্ৰাপ্ত পুঁজি | 2.3.4 | 18 |
| নিজা উৎসৰ পৰা আহৰণ কৰা ৰাজহ | 2.3.5 | 18 |
| ৰাজ্যিক বিত্তীয় আয়োগ অনুদানৰ স্থানান্তৰ | 2.3.6 | 19 |
| বিত্তীয় প্ৰতিবেদনৰ স্থিতি | 2.4 | 20 |
| পি আৰ আই-সমূহত বিত্তীয় প্ৰতিবেদনৰ স্থিতি | 2.4.1 | 20 |
| ইউ এল বি-ত বিত্তীয় প্ৰতিবেদনৰ স্থিতি | 2.4.2 | 21 |
| ৰাজ্যিক বিত্ত আয়োগসমূহৰ পৰামৰ্শসমূহ (এছ এফ চি) | 2.5 | 22 |
| কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি)ৰ পৰামৰ্শ | 2.6 | 24 |
| পি আৰ আই আৰু পৌৰসভাৰ কাৰ্য্যসমূহৰ স্বয়ংক্ৰিয়কৰণৰ পৰিসৰ | 2.6.1 | 26 |
| আভ্যন্তৰীণ আৰু বাহ্যিক হিচাপ পৰীক্ষা ব্যৱস্থা | 2.6.2 | 26 |
| কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ) ব্যৱস্থা | 2.6.3 | 28 |

| বিৰৰণ | দ্ৰষ্টব্য | |
|---|---|---|
| | দফা | পৃষ্ঠা |
| আভ্যন্তৰীণ হিচাপ পৰীক্ষা | 2.6.4 | 29 |
| কাৰ্যসম্পাদন হিচাপ পৰীক্ষা/ অনুপালন হিচাপ পৰীক্ষা/ বিশেষ হিচাপ পৰীক্ষা | 2.6.5 | 29 |
| হিচাপ পৰীক্ষাৰ প্ৰতি সঁহাৰি | 2.6.6 | 31 |
| স্থানীয় চৰকাৰসমূহৰ প্ৰশাসন ব্যৱস্থাত কৰা উল্লেখযোগ্য পৰিৱৰ্তন | 2.7 | 31 |
| ইউ এল বি-ৰ বিভাগীয় পৰ্যায়ত পুনঃগঠন আৰু পুনৰ শ্ৰেণীবিভাজন | 2.7.1 | 31 |
| মানৱ সম্পদৰ ব্যৱস্থা | 2.7.2 | 31 |
| ডি এ এল এফ-ৰ মানৱ সম্পদৰ ব্যৱস্থা | 2.7.3 | 33 |
| **2022-23ৰ সময়ছোৱাৰ টি জি এছ্-ৰ কাৰ্য্যকলাপৰ এক আভাস** | **3** | 33 |
| টি জি এছ্-ৰ কাৰ্যকলাপৰ গাঁথনি | 3.1 | 33 |
| টি জি এছ্-ৰ কাৰ্যসূচী নিৰ্ধাৰণ | 3.2 | 34 |
| টি জি এছ্-ৰ পৰিকল্পনা | 3.3 | 34 |
| টি জি এছ ৰূপায়ণৰ মূখ্যাংশসমূহ | 3.4 | 34 |
| পি এ আই-ৰ পৰিদৰ্শন প্ৰতিবেদনৰ বাচনি পৰীক্ষাৰ পৰা লাভ কৰা পৰ্যবেক্ষণসমূহ | 3.5 | 36 |
| বাচনি পৰীক্ষাৰ বাবে হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ বাচনি | 3.5.1 | 36 |
| ডি এ এল এফ-ৰ বাচনি পৰীক্ষা প্ৰক্ৰিয়া আৰু পৰিদৰ্শন প্ৰতিবেদনৰ পৰা লাভ কৰা গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণসমূহ | 3.5.2 | 36 |
| **সামৰণি আৰু পৰামৰ্শসমূহ** | **4** | 39 |


**পৰিশিষ্ট**


| নং | বিৰৰণ | পৃষ্ঠা |
|---|---|---|
| A | ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত তালিকাভুক্ত 29টা বিষয়ৰ তালিকা | 42 |
| B | দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা বিষয়ৰ তালিকা | 43 |
| C | পি আৰ আইসমূহলৈ হস্তান্তৰণ কৰা কাৰ্যকলাপৰ স্থিতি | 44 |
| D | ইউ এল বিসমূহলৈ হস্তান্তৰণ কৰা কাৰ্যকলাপৰ স্থিতি | 45-48 |
| | সংক্ষিপ্ত শব্দাৱলী | 49-50 |

# পাতনি

কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ) হৈছে নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (চি এণ্ড এ জি) আৰু স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষকৰ মাজত সহযোগিতামূলক পদক্ষেপ, যিটো নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (কৰ্তব্য, ক্ষমতা, আৰু সেৱাৰ চৰ্ত) আইন, 1971ৰ ধাৰা 20(1)ৰ অধীনত প্ৰতিষ্ঠা কৰা হৈছিল আৰু তাৰ পিছত মে’ 2011ত অসম চৰকাৰে ন্যস্ত কৰে। এই সহযোগিতা হৈছে চি এণ্ড এ জি (ডি পি চি) আইন, 1971ৰ ধাৰা 23ৰ অধীনত জাৰি কৰা হিচাপ পৰীক্ষা আৰু হিচাপৰ বিনিয়ম (2020)ৰ নিয়ম 120ৰ পৰা 124ৰ দ্বাৰা পৰিচালিত।

এই বাৰ্ষিক কাৰিকৰী পৰিদৰ্শন প্ৰতিবেদন (এ টি আই আৰ)ত প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান (পি এ আই)ক প্ৰদান কৰা টি জি এছ-ৰ ফলাফলৰ লগতে 2018-19ৰ পৰা 2022-23 বৰ্ষলৈকে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি) কাৰ্য্যকলাপৰ স্থিতি উপস্থাপন কৰা হৈছে। অসম চৰকাৰৰ সংশ্লিষ্ট সচিবসকলৰ ওচৰত 123 নং বিনিয়ম অনুসৰি এই এ টি আই আৰ দাখিল কৰা হ’ব।

ইয়াৰ উপৰিও চি এণ্ড এ জি-ৰ দ্বাৰা পৰিচালনা কৰা হিচাপ পৰীক্ষাৰ ফলাফল স্থানীয় চৰকাৰৰ সন্দৰ্ভত চি এণ্ড এ জি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদনত পৃথকে উপস্থাপন কৰা হয়, যাক বিধানসভাত দাখিল কৰা হয় আৰু স্থানীয় পুঁজি হিচাপ পৰীক্ষা সমিতিৰ (চি অ’ এল এফ এ) নিষ্পত্তিত থাকে।

মূল ইংৰাজী প্ৰতিবেদন “Annual Technical Inspection Report of the Comptroller and Auditor General of India on Local Government for the period ending 31$^{st}$ March 2023”ৰ অসমীয়ালৈ অনুবাদ কৰি এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটোৱে প্ৰমাণিত বুলি বিবেচিত হ’ব।

## কাৰ্য্যকৰী সাংৰাংশ

এই বাৰ্ষিক কাৰিকৰী পৰিদৰ্শন প্ৰতিবেদন (এ টি আই আৰ)ত প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান (পি এ আই)ক প্ৰদান কৰা কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ)ৰ ফলাফলৰ ৰূপৰেখা দাঙি ধৰা হৈছে, আৰু 2018-19ৰ পৰা 2022-23বৰ্ষলৈকে অসমত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ কাৰ্য্যকলাপৰ পৰ্যালোচনা কৰা হৈছে। ইয়াৰ উপৰিও 73 আৰু 74 সংখ্যক সাংবিধানিক সংশোধনীৰ অধীনত লক্ষ্যসমূহ বাস্তৱায়িত কৰাত বাধাৰ সৃষ্টি কৰা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

**মূল সমস্যা আৰু পৰামৰ্শ:**

1. **মূল বিধানসমূহত টি জি এছৰ ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত নকৰা** টি জি এছৰ ব্যৱস্থাসমূহ অসম পৌৰ আইন, 1956ত অন্তৰ্ভুক্ত হ'লেও অসম পঞ্চায়ত আইন, 1994 আৰু গুৱাহাটী পৌৰ নিগম আইন, 1971ত সেইসমূহ অন্তৰ্ভূক্ত কৰা হোৱা নাই।

*পৰামৰ্শ:* ৰাজ্য চৰকাৰে এই আইনসমূহ সংশোধন কৰি টি জি এছৰ ব্যৱস্থাসমূহ আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত কৰাৰ কথা বিবেচনা কৰিব লাগে, যাতে সকলোতে একে আইনী জনাদেশ নিশ্চিত কৰিব পৰা যায়।

2. **3 এফ (কাৰ্য্য, পুঁজি, বিষয়ববীয়া) হস্তান্তৰণত লেহেমীয়া অগ্ৰগতি** আংশিক মেপিং আৰু অধিসূচনা সত্বেও, পি আৰ আই আৰু ইউ এল বিসমূহলৈ প্ৰকৃত হস্তান্তৰণ হোৱা নাই। পুঁজিৰ প্ৰকৃত মুকলি বিত্ত আয়োগে দিয়া পৰামৰ্শতকৈও কম আছিল।

*পৰামৰ্শ:* হস্তান্তৰণৰ সন্দৰ্ভত সন্মুখীন হোৱা বাধাসমূহ চিনাক্ত কৰি ৰাজ্যই এল এছ জিসমূহৰ আৰ্থিক আৰু কাৰ্য্যকৰী স্বায়ত্ততা শক্তিশালী কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

3. **স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ কেন্দ্ৰীভূত তথ্যৰ অভাৱ** প্ৰশাসনিক বিভাগসমূহত পি আৰ আই আৰু ইউ এল বিৰ সন্দৰ্ভত বিস্তৃত আৰু বাস্তৱ সময়ৰ তথ্যৰ অভাৱ, যিয়ে নীতি পৰিকল্পনা আৰু নিৰীক্ষণ দুয়োটাকে প্ৰভাৱিত কৰে। ইয়াৰ ফলত 31 মাৰ্চ 2023ত সমাপ্ত হোৱা বছৰৰ বাবে এ টি আই আৰ সংকলনতো প্ৰত্যাহ্বানৰ সৃষ্টি হয়।

*পৰামৰ্শ:* উন্নত তদাৰকী আৰু পৰিৱেশন বিশ্লেষণ সক্ষম কৰিবলৈ নিয়মীয়া তথ্য সংগ্ৰহৰ বাবে অনলাইন প্লেটফৰ্ম আৰু ডিজিটেল সঁজুলি প্ৰৱৰ্তন কৰা।

4. **প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান (পি এ আই)ৰ সীমিত ক্ষমতা আৰু প্ৰদৰ্শন** সামিত ক্ষমতা আৰু হিচাপ পৰীক্ষা কৰ্মচাৰীসকলক অনা-এল এছ জি কামৰ বাবে নিয়োগ কৰাৰ বাবে পি এ আইয়ে 2022-23 বৰ্ষলৈকে পি আৰ আই/ ইউ এল বিৰ হিচাপসমূহ প্ৰমাণীকৰণ কৰিব পৰা নাই। ইয়াৰ উপৰিও, হিচাপ পৰীক্ষা প্ৰক্ৰিয়া আৰু গুণগত নিয়ন্ত্ৰণৰ উন্নতিৰ প্ৰয়োজন আছে।

*পৰামৰ্শ:* চি এণ্ড এ জি আৰু সমপৰ্যায়ৰ প্ৰতিষ্ঠানসমূহৰ ভাল অনুশীলনৰ সৈতে সংগতি ৰাখি শক্তিশালী আভ্যন্তৰীণ গুণগত নিয়ন্ত্ৰণ ব্যৱস্থা স্থাপন কৰা।

5. **সংহত জিলা পৰিকল্পনাৰ অভাৱ**

এল এছ জি কমিটীসমূহ প্ৰায়ে নিষ্ক্ৰিয় হৈ আছে আৰু নিয়মিতভাৱে বৈঠক অনুষ্ঠিত নকৰে। ফলস্বৰূপে জিলা পৰিষদসমূহে পূৰ্ব নিৰ্ধাৰিত, সংহত জিলা উন্নয়ন কৌশলৰ জৰিয়তে নহয়, পুঁজিৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি খণ্ডিত বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰে।

*পৰামৰ্শ:* সমন্বিত আৰু সামগ্ৰিক উন্নয়ন নিশ্চিত কৰিবলৈ এল এছ জিৰ সকলো স্তৰৰ ব্যক্তিগত পৰিকল্পনাসমূহ একত্ৰিত কৰি ব্যাপক জিলা পৰিকল্পনা প্ৰস্তুত কৰা।

# 1. অসমত স্থানীয় নিকায় প্ৰশাসনৰ এক আভাস

## 1.1 স্থানীয় স্বায়ত্তশাসন প্ৰতিষ্ঠানসমূহৰ কাৰ্য্যকলাপ

### 1.1.1 সূচনা

73 আৰু 74 নং সাংবিধানিক (সংশোধনী) আইন, 1992-য়ে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায়সমূহক সাংবিধানিক মৰ্যাদা প্ৰদান কৰাৰ লগতে দেশত অধিক অংশগ্ৰহণমূলক শাসন গাঁথনি নিশ্চিত কৰিবলৈ চৰকাৰৰ তৃতীয় স্তৰ হিচাপে স্বীকৃতি দিয়ে। সংশোধনীটোত অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনা আৰু কাৰ্যসূচী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ক্ষমতা আৰু দায়িত্ব বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ উপৰিও ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত (পৰিশিষ্ট-A) তালিকাভুক্ত 29টা বিষয়ক পি আৰ আইলৈ আৰু দ্বাদশ অনুসূচীত (পৰিশিষ্ট-B) তালিকাভুক্ত 18টা বিষয় ইউ এল বিলৈ হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

সেই অনুসৰি ৰাজ্যই পি আৰ আই আৰু ইউ এল বিসমূহক প্ৰয়োজনীয় পুঁজি, কাৰ্য্য আৰু বিষয়ববীয়া প্ৰদান কৰিব লাগিছিল, যাতে তেওঁলোকে স্থানীয় স্বায়ত্তশাসনৰ (এল এছ জি) প্ৰতিষ্ঠান হিচাপে কাম কৰিব পাৰে। সাংবিধানিক সংশোধনীত ৰাজ্যৰ ভিতৰত একেধৰণৰ ব্যৱস্থা স্থাপন, নিয়মীয়া নিৰ্বাচন অনুষ্ঠিত কৰা, পুঁজিৰ নিয়মীয়া প্ৰবাহ আদিৰ ব্যৱস্থা কৰা হৈছিল।

অসমত পি আৰ আইৰ কাম-কাজ নিম্নলিখিত আইনগত কাঠামোৰ ওপৰত আধাৰিত:

- অসম পঞ্চায়ত আইন, 1994 (এ পি আইন, 1994)
- অসম পঞ্চায়ত (বিত্তীয়) নিয়ম, 2002 (এ পি (এফ) নিয়ম, 2002)
- অসম পঞ্চায়ত (প্ৰশাসনিক) নিয়ম, 2002 (এ পি (এ) নিয়ম, 2002) আৰু
- সময়ে সময়ে জাৰি কৰা চৰকাৰী নিৰ্দেশনা।

অসমত ইউ এল বি-ৰ কাম-কাজ নিম্নলিখিত আইনগত কাঠামোৰ ওপৰত আধাৰিত:

- গুৱাহাটী পৌৰ নিগম আইন, 1971 (জি এম চি আইন)
- অসম পৌৰ আইন, 1956 (2012 চনলৈকে সংশোধিত) (এ এম আইন)
- অসম পৌৰ হিচাপ নিয়মাৱলী, 1961 (এ এম এ নিয়ম); আৰু
- সময়ে সময়ে জাৰি কৰা চৰকাৰী নিৰ্দেশনা।

ষষ্ঠ অনুসূচীৰ এলেকাত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ অস্তিত্ব নাই, য'ত স্থানীয় প্ৰশাসন ব্যৱস্থা নিজ নিজ স্বায়ত্তশাসিত জিলা পৰিষদৰ (এ ডি চি)ৰ হাতত নিহিত থাকে।

সাধাৰণ এলেকাৰ অন্তৰ্গত ইউ এল বি, অসম পৌৰ (এ এম) আইন, 1956ৰ বিধান অনুসৰি পৰিচালিত হয়, আনহাতে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত তালিকাভুক্ত অঞ্চলসমূহ সংশ্লিষ্ট স্বায়ত্তশাসিত জিলা পৰিষদৰ দ্বাৰা প্ৰস্তুত কৰা নিয়ম অনুসৰি পৰিচালিত হয়।

টি জি এছ-ৰ ব্যৱস্থা ইতিমধ্যে এ এম আইন, 1956ত অন্তৰ্ভুক্ত কৰা হৈছে আৰু ইয়াক আন প্ৰাসংগিক আইন অৰ্থাৎ অসম পঞ্চায়ত আইন, 1994 আৰু গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ অধীনত এতিয়াও অন্তৰ্ভুক্ত কৰিবলৈ বাকী। পি আৰ আই আৰু গুৱাহাটী পৌৰ নিগমৰ সন্দৰ্ভত চি এণ্ড এ জিৰ দ্বাৰা টি জি এছ কাৰ্যসমূহৰ বাবে বিধিগত আদেশ এতিয়াও ৰাজ্যিক বিধানসভাৰ দ্বাৰা সমৰ্থিত হোৱা নাই।

### 1.1.2 অসমৰ জনসংখ্যাৰ গাঁথনি

অসমত 35 খন প্ৰশাসনিক জিলা আৰু অসমৰ ষষ্ঠ অনুসূচীৰ এলেকাত তিনি খন জিলা পৰিষদ আছে। অসমত দুটা উপত্যকা আছে - ব্ৰহ্মপুত্ৰ উপত্যকা/ অসম উপত্যকা আৰু বৰাক উপত্যকা। প্ৰত্যেকৰে নিজা আয়ুক্ত আৰু মুখ্য কাৰ্যালয়ৰ সৈতে অসম প্ৰশাসনিকভাৱে পাঁচটা ভাগত বিভক্ত: নামনি অসম, উত্তৰ অসম, মধ্য অসম, উজনি অসম আৰু বৰাক উপত্যকা।

**সাৰণী 1: অসমৰ মৌলিক পৰিসংখ্যা**

| বিৱৰণ | একক | মান |
|---|---|---|
| গ্ৰাম্য জনসংখ্যা | লাখ | 268.07 লাখ |
| নগৰীয়া জনসংখ্যা | লাখ | 43.98 লাখ |
| জনসংখ্যাৰ ঘনত্ব | ব্যক্তি /বৰ্গ কিলোমিটাৰ | 398 ব্যক্তি / বৰ্গ কিলোমিটাৰ |
| গ্ৰাম্য লিংগ অনুপাত | প্ৰতি হাজাৰত | 958 |
| নগৰীয়া লিংগ অনুপাত | প্ৰতি হাজাৰত | 946 |
| গ্ৰাম্য সাক্ষৰতাৰ হাৰ | % (লোকপিয়ল 2011) | 69.34% |
| নগৰীয়া সাক্ষৰতাৰ হাৰ | % (লোকপিয়ল 2011) | 88.47% |
| জিলা পঞ্চায়ত | সংখ্যা | 27 |
| ব্লক পঞ্চায়ত/ তালুকা পঞ্চায়ত | সংখ্যা | 191 |
| গ্ৰাম পঞ্চায়ত/ গাঁও পঞ্চায়ত | সংখ্যা | 2,197 |
| পৌৰ নিগম | সংখ্যা | 1 |
| পৌৰ সভা | | 103 |
| অধিসূচিত এলেকা পৰিষদ | সংখ্যা | তিনিখন পৰিষদ (কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ, ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ আৰু বড়ো প্ৰাদেশিক পৰিষদ) |

*উৎস: লোকপিয়ল 2011, পৰিসংখ্যা হাতপুথি, অসম 2021 আৰু e GramSwaraj ৰ ৱেবছাইট*

অসম 78,438 বৰ্গ কিলোমিটাৰ ক্ষেত্ৰফলৰ সৈতে উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ। অসমৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত 398 জন, যিটো ৰাষ্ট্ৰীয় গড় প্ৰতি বৰ্গ কিলোমিটাৰত 382 জনতকৈ অধিক। ৰাজ্যখনৰ মহিলাৰ লিংগ অনুপাত প্ৰতি 1000 পুৰুষৰ বিপৰীতে 958 মহিলা, যিটো 2011 চনৰ লোকপিয়ল অনুসৰি ৰাষ্ট্ৰীয় গড় 943তকৈ অধিক। ৰাজ্যখনৰ মুঠ জনসংখ্যা 3.12 কোটি (ভাৰতৰ 2.58 শতাংশ), ৰাজ্যখনৰ গ্ৰাম্য জনসংখ্যা 2.68 কোটি (86 শতাংশ)।

## 1.2 ৰাজ্যত স্থানীয় স্বায়ত্তশাসন প্ৰশাসনৰ গঠন

### 1.2.1 পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিভাগটোৰ প্ৰশাসনিক মুৰব্বী। অতিৰিক্ত মুখ্য সচিবক পি এণ্ড আৰ ডি-ৰ আয়ুক্তই সহায় কৰে, যি পি আৰ আইৰ প্ৰশাসন, পুঁজি আবণ্টন, কাৰ্য্যসমূহৰ সামগ্ৰিক নিয়ন্ত্ৰণ আৰু তত্বাৱধান আৰু ৰাজ্যিক পৰ্যায়ত বিভিন্ন আঁচনি ৰূপায়ণৰ সৈতে জড়িত বিষয়সমূহ চোৱাচিতা কৰে।

**চিত্ৰ তালিকা 1.1:- সাংগঠনিক গঠন**




### 1.2.2 নগৰীয়া স্থানীয় নিকায়

আয়ুক্ত আৰু সচিব গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ (ডি অ' এইচ ইউ এ)-ৰ প্ৰশাসনিক মুৰব্বী, যিয়ে নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি) প্ৰশাসন, পুঁজি আবণ্টনৰ লগতে ৰাজ্যিক পৰ্যায়ত আঁচনি ৰূপায়ণৰ সৈতে জড়িত বিষয়সমূহ চোৱাচিতা কৰে। উপায়ুক্ত আৰু সচিবক ডি অ' এইচ ইউ এ-ৰ সচিবে সহায় কৰে, আৰু তেঁওক পৌৰ প্ৰশাসনৰ সঞ্চালকে (ডি এম এ) সহায় কৰে, যিয়ে ৰাজ্য চৰকাৰ আৰু ইউ এল বি আৰু নগৰ আৰু গ্ৰাম্য পৰিকল্পনা (টি এণ্ড চি পি)ৰ সঞ্চালকৰ মাজত সমন্বয়ক হিচাপে কাম কৰে, যাৰ দয়িত্ব হৈছে গুৱাহাটী মহানগৰ এলেকাৰ বাহিৰে আন নগৰ অঞ্চলত মাষ্টাৰ প্লেন, আঞ্চলিক প্ৰকল্প প্ৰস্তুত কৰা আৰু পৰিকল্পনা কৰা নিয়মসমূহ বলবৎ কৰা। গুৱাহাটী পৌৰ নিগম (জি এম চি)ৰ কাৰ্যবাহী মুৰব্বীগৰাকী জি এম চি-ৰ আয়ুক্ত, যি মেয়ৰৰ নেতৃত্বত নিৰ্বাচিত সমিতিৰ দ্বাৰা পৰিচালিত হয় আৰু বিভিন্ন স্থায়ী সমিতিসমূহে সহায় কৰে। ইউ এল বি-ৰ সাংগঠনিক গঠন **চিত্ৰ তালিকা 1.2**ত দিয়া হৈছে:

**চিত্ৰ তালিকা 1.2: ইউ এল বি-ৰ সাংগঠনিক গঠন**




## 2 স্থানীয় চৰকাৰসমূহলৈ কাৰ্য্যসমূহৰ হস্তান্তৰ আৰু ইয়াৰ কাম-কাজ

### 2.1 বিত্তীয় ক্ষমতা অৰ্পণ কৰা

#### 2.1.1 পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই)

73 সংখ্যক সাংবিধানিক সংশোধনে পি আৰ আইসমূহক ৰাজহ সংগ্ৰহৰ ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰে আৰু ৰাজ্যিক বিধানসভাই আইন অনুসৰি তেওঁলোকক কৰ্তৃত্ব প্ৰদান কৰা সম্পদৰ ওপৰত অধিকাৰ প্ৰদান কৰে। সেই অনুসৰি 2002 চনত অসম পঞ্চায়ত (বিত্তীয়) (এ পি (এফ)) নিয়মাৱলী প্ৰস্তুত কৰা হৈছিল আৰু পি আৰ আইৰ তিনিওটা স্তৰকে (অৰ্থাৎ জেড পি, এ পি আৰু জি পি) কৰ আৰোপ আৰু সংগ্ৰহৰ ক্ষমতা প্ৰদান কৰি 2004 চনত সংশোধন কৰা হৈছিল। এ পি (এফ) নিয়ম, 2002ৰ জৰিয়তে জি পিসমূহে কিছুমান কৰ যেনে ঘৰ আৰু আন্তঃগাঠনিৰ ওপৰত কৰ, ব্যৱসায়ৰ ওপৰত কৰ আদি আৰোপ কৰাৰ ক্ষমতা লাভ কৰিছিল। অৱশ্যে, এপ্ৰিল 2022ত চৰকাৰে বাণিজ্যিক অনুজ্ঞাপত্ৰ প্ৰদানৰ বৰ্তমানৰ প্ৰয়োজনীয়তা বাতিল কৰিছিল আৰু বিদেশী বা দেশী সুৰাৰ দোকান, শিক্ষানুষ্ঠান, স্বাস্থ্য প্ৰতিষ্ঠান, ইটা ভাতা, মোবাইল টাৱাৰ, পেট্ৰ'ল পাম্প, কাঠৰ মিল, গুদাম, আৰু অন্যান্য প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগৰ বাহিৰে বাকী ব্যৱসায়িক কাৰ্য্যকলাপ স্থাপনৰ ক্ষেত্ৰত পি আৰ আই সমূহে যিকোনো কৰ বা মাচুল আৰোপ কৰাটো স্থগিত ৰাখিছিল। এইদৰে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত পি আৰ আইসমূহৰ সম্পূৰ্ণ স্বায়ত্ততা বাস্তৱায়িত হোৱাৰ পৰা বহু দূৰত আছিল।

#### 2.1.2 নগৰীয়া স্থানীয় নিকায়

অসম পৌৰ আইন, 1956ৰ 58 আৰু 59 নং নিয়ম অনুসৰি পৌৰসভাই পৌৰ পুঁজিৰ ৰক্ষক হিচাপে কাম কৰে আৰু বিত্তীয় ব্যৱস্থাপনাৰ বাবে ঋণ সংগ্ৰহ আৰু নিক্ষেপ নিধি স্থাপনৰ কৰ্তৃত্ব ইয়াৰ হাতত থাকে। সকলো বিত্তীয় বিষয় বিশেষকৈ ভাৰত চৰকাৰ (জি অ' আই) বা ৰাজ্য চৰকাৰৰ পুঁজিৰ আঁচনিৰ দ্বাৰা ৰূপায়ণৰ সৈতে জড়িত বিষয়লমূহ পৌৰসভা ৰ সংশ্লিষ্ট কাৰ্যবাহী বিষয়া (ই অ')ৰ জৰিয়তে প্ৰক্ৰিয়াকৰণ কৰিব লাগিব। গুৱাহাটী পৌৰ নিগমৰ ৰাজহৰ মূল উৎস হ'ল সম্পত্তি কৰ, পাৰ্কিং মাচুল, বিল্ডিং পাৰ্মিচন মাচুল, গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ বাবে ব্যৱহাৰ মাচুল, পানীকৰ ইত্যাদি।

গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ 113 নং নিয়ম অনুসৰি আয়ুক্তক পৌৰ নিগমৰ পুঁজিৰ পৰা ব্যয় অনুমোদন বা বিনিয়োগ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে।

## 2.2 স্থানীয় চৰকাৰৰ কাম-কাজ

**পি আৰ আই:** ৰাজ্যৰ পঞ্চায়তসমূহৰ প্ৰশাসনিক গঠনত তিনিটা স্তৰ আছে, সাধাৰণ এলেকাত[1] গাঁও পৰ্যায়ত গাঁও পঞ্চায়ত (জি পি), মাধ্যমিক পৰ্যায়ত আঞ্চলিক পঞ্চায়ত (এ পি) (ব্লকৰ সৈতে একেই) আৰু জিলা পৰ্যায়ত জিলা পৰিষদ (জেড পি) আদি অন্তৰ্ভুক্ত কৰা হৈছে। ষষ্ঠ অনুসূচীৰ অঞ্চলসমূহত কোনো পি আৰ আই নাই য'ত স্থানীয় শাসন ব্যৱস্থা নিজ নিজ স্বায়ত্তশাসিত জিলা পৰিষদৰ (এ ডি চি)ৰ হাতত নিহিত হৈ আছে।

অসমৰ ষষ্ঠ অনুসূচীৰ এলেকাসমূহত তিনিখন স্বায়ত্তশাসিত পৰিষদ আছে, যি মুঠ 461খন গাঁও পৰিষদ উন্নয়ন সমিতি (ভি চি ডি চি) স্থাপন কৰিছে। এই ভি চি ডি চিসমূহে সাধাৰণ এলেকাৰ গাঁও পঞ্চায়ত (জি পি)ৰ দৰেই কাম কৰে আৰু গাঁৱৰ ভিতৰত তৃণমূল পৰ্যায়ত কাম কৰে। কিন্তু মন কৰিবলগীয়া যে জি পিৰ সদস্যসকলৰ বিপৰীতে এই গাঁও পৰিষদসমূহৰ সদস্যসকলক স্থানীয় জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত কৰাতকৈ স্বায়ত্তশাসিত পৰিষদসমূহে মনোনীত কৰে।

**ইউ এল বি:** অসমত নগৰীয়া স্থানীয় নিকায় (ইউ এল বি) মাত্ৰ দুই প্ৰকাৰৰ: পৌৰ নিগম (এম চি) আৰু পৌৰসভা (এম বি)। এই শ্ৰেণী বিভাজন অসম চৰকাৰে 11 অক্টোবৰ 2018 চনৰ অধিসূচনা নং UDD (M) 263/2017/13ৰ জৰিয়তে স্থাপন কৰিছিল, য'ত পূৰ্বৰ সকলো নগৰ সমিটীক পৌৰসভালৈ ৰূপান্তৰিত কৰা হৈছিল। সাধাৰণ এলেকাত থকা ইউ এল বিসমূহে অসম পৌৰ আইন, 1956ৰ বিধান অনুসৰি কাম কৰে, আনহাতে গুৱাহাটী পৌৰ নিগম হৈছে ৰাজ্যখনৰ একমাত্ৰ পৌৰ নিগম যি গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ বিধান অনুসৰি পৰিচালিত হয়। ইয়াৰ বিপৰীতে অসমৰ ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ ইউ এল বিসমূহ নিজ নিজ স্বায়ত্তশাসিত জিলা পৰিষদে প্ৰণয়ন কৰা নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। অসম পৌৰ নিগম (সংশোধনী) আইনৰ অধীনত ডিব্ৰুগড় পৌৰসভা আৰু শিলচৰ পৌৰসভাক উন্নীত কৰি 2024 চনত ক্ৰমে ডিব্ৰুগড় পৌৰ নিগম আৰু শিলচৰ পৌৰ নিগম গঠন কৰা হয়।

### 2.2.1 কাম-কাজসমূহৰ হস্তান্তৰণৰ স্থিতি

**পি আৰ আই:** অসম চৰকাৰে (GoA) 29টা বিষয়ৰ ভিতৰত 23টা বিষয়ৰ এক্টিভিটি মেপিং সম্পূৰ্ণ কৰিছিল (জুন 2007) কিন্তু মেপ কৰা 23টা বিষয়ৰ ভিতৰত সাতটা বিষয়ৰ বাবে হস্তান্তৰণ আদেশ জাৰি কৰা হৈছিল (জুন 2007)। এই সাতটা বিষয়ৰ হস্তান্তৰণ বাবে অধিসূচনা কৰা হৈছিল যদিও আজিলৈকে কোনো কাম পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ (পি আৰ আই)ক অৰ্পণ কৰা হোৱা নাই, যাৰ ফলত সেই কামসমূহ লাইন বিভাগ আৰু অন্যান্য সংস্থাসমূহে পি আৰ আইসমূহৰ সমান্তৰালভাৱে সম্পন্ন কৰি আছে (বিৱৰণ ***পৰিশিষ্ট C***ত দিয়া হৈছে)।

**ইউ এল বি:** সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা কামৰ ভিতৰত 17টা[2] কামৰ হস্তান্তৰৰ বাবে অসম পৌৰ আইন, 1956ত অসম চৰকাৰে ব্যৱস্থা কৰিছিল। কিন্তু ৰাজ্য চৰকাৰে 2023 চনৰ মাৰ্চ মাহলৈকে সেই 17টা কামৰ কোনো এটাকে ইউ এল বিলৈ হস্তান্তৰ কৰাৰ বাবে অধিসূচনা জাৰি কৰা নাছিল। বিভাগে (অক্টোবৰ 2024) জনোৱা স্থিতি অনুসৰি 18টা কামৰ ভিতৰত ইউ এল বিয়ে কেৱল তিনিটা কামৰ বাবে সম্পূৰ্ণৰূপে দায়বদ্ধ আছিল, পাঁচটা কামত কোনো ভূমিকা নাছিল আৰু বাকী 10টা কামত ইউ এল বিৰ ভূমিকা হয় হিতাধিকাৰী চিনাক্তকৰণ আৰু নিৰ্বাচনত সীমাবদ্ধ আছিল বা ***পৰিশিষ্ট D***ত বিশদভাৱে উল্লেখ কৰা অনুসৰি ৰাজ্যিক বিভাগ আৰু অৰ্ধৰাজ্যিক সংস্থাসমূহৰ সৈতে সমান্তৰাল অধিকাৰ আছিল।

### 2.2.2 সমিতি গঠন

অসম পঞ্চায়ত আইনৰ, 1994 ধাৰা 22, 52 আৰু 81-এ বৰ্ণনা কৰিছে যে, পি আৰ আই-য়ে আইনৰ অধীনত নিৰ্ধাৰিত কাম-কাজ সমাধা কৰিবৰ বাবে স্থায়ী সমিতি নিৰ্মাণ কৰিব। ইউ এল বিসমূহৰ বাবে, এ এম আইন 1956 য়ে ইউ এল

[1] মাৰ্চ 2023লৈকে সাধাৰণ অঞ্চলসমূহত 27 সংখ্যক জেড পি, 191 এ পি আৰু 2197টা জি পি আছিল।

[2] অসম পৌৰ আইন, 1956ত অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱাৰ কোনো ব্যৱস্থা কৰা হোৱা নাছিল।

বিসমূহত কোনো স্থায়ী সমিতি গঠন কৰাৰ ব্যৱস্থা নিদিয়ে। যদিও, জি এম চি-ৰ ক্ষেত্ৰত, জি এম চি আইন, 1971-ৰ ধাৰা 20য়ে কৰ আৰু বিত্তীয় আৰু পৰিকল্পনা আৰু উন্নয়ন (বা স্থায়ী বিত্ত সমিতি), গৰকপ্তানি, জনস্বাস্থ্য, পৰিচ্ছন্নতা আৰু পানী যোগান, মূল্যাংকন, বজাৰ আৰু ব্যৱসায় আৰু আপীলৰ বাবে স্থায়ী সমিতিসমূহ গঠনৰ ব্যৱস্থা প্ৰদান কৰে। যদিও, জি এম চি-য়ে এনে কোনো সমিতি গঠন কৰা নাই।

স্থায়ী সমিতিসমূহৰ গঠন আৰু তাৰে ভূমিকা আৰু দায়িত্বৰ বিৱৰণ তলৰ সাৰণীত দিয়া হৈছে:

**সাৰণী-2 পি আৰ আই আৰু ইউ এল বি-ৰ সমিতিসমূহৰ তালিকা**

| সমিতিৰ নাম | সদস্য | উদ্দেশ্য | ক্ষমতা | অনিবাৰ্য/ আয়োজিত বৈঠকৰ ব্যৱধান |
|---|---|---|---|---|
| **জিলা পৰ্যায়ৰ সমিতি** | | | | |
| জিলা পৰিকল্পনা সমিতি | (i) লোক সভাৰ সদস্য, যিয়ে সমগ্ৰ জিলা বা কিছু অংশক প্ৰতিনিধিত্ব কৰে, (ii) অসম বিধান সভাৰ সদস্য; আৰু (iii) জিলাসমূহত জেড পিৰ সদস্যসকলৰ মাজৰ পৰা মুঠ সদস্যৰ চাৰি-পঞ্চমাংশতকৈ কম নহয়।<br>উপাযুক্ত জিলাখনৰ ডি পি চি-ৰ স্থায়ীভাৱে আমন্ত্ৰিত সদস্য হোৱাৰ বিপৰীতে জেড পি-ৰ সভাপতিজন অধ্যক্ষ হয় আৰু জেড পি-ৰ চি ই অ'জন ডি পি চিৰ পদেন সচিব। | জিলাখনৰ পঞ্চায়তসমূহে প্ৰস্তুত কৰা পৰিকল্পনাসমূহ একত্ৰিত কৰা আৰু জিলাখনৰ সংহত উন্নয়নৰ কাম হাতত লোৱা। | জিলা পৰিকল্পনা সমিতিয়ে জিলাখনৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত, নগৰ সমিতি, পৌৰসভা আৰু পৌৰ নিগমে প্ৰস্তুত কৰা পৰিকল্পনা একত্ৰিত কৰি সামগ্ৰিকভাৱে ৰাজ্যখনৰ বাবে খচৰা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা। | ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে এবছৰৰ বাবে ডি পি চি গঠন কৰিব লাগে। |
| সাধাৰণ স্থায়ী সমিতি, জেড পি | জেড পিৰ প্ৰতিখন স্থায়ী সমিতি অধ্যক্ষকে ধৰি সৰ্বাধিক পাঁচজন সদস্যৰে গঠিত হ'ব যাক জেড পি-ৰ সদস্যই নিজৰ সদস্যসকলৰ মাজৰ পৰা নিৰ্বাচিত কৰিব। জেড পিৰ সভাপতিজন সাধাৰণ স্থায়ী সমিতি আৰু বিত্ত আৰু হিচাপ পৰীক্ষা সমিতিৰ অধ্যক্ষ। আন সমিতিসমূহে নিজৰ সদস্যৰ মাজৰ পৰা অধ্যক্ষ নিৰ্বাচন কৰিব। জেড পিৰ চিইঅ' হ'ব স্থায়ী সমিতিসমূহৰ পদমৰ্যাদাৰ সম্পাদক। আন সমিতিসমূহে নিজৰ সদস্যৰ মাজৰ পৰা অধ্যক্ষ নিৰ্বাচন কৰিব। জেড পিৰ চি ই অ' স্থায়ী সমিতিসমূহৰ পদেন সচিব হ'ব। | প্ৰতিষ্ঠান সম্পৰ্কীয় বিষয়, যোগাযোগ, অট্টালিকা, গ্ৰাম্য গৃহ নিৰ্মাণ, প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে সাহাৰ্য্য, পানী যোগান আৰু সকলো বিবিধ অৱশিষ্ট বিষয়। | ন্যস্ত কৰা ক্ষমতাৰ পৰিসৰলৈকে সেই কাৰ্যসমূহ সম্পন্ন কৰিব যাৰ উল্লেখ 3 নং স্তম্ভত কৰা হৈছে। | এক বছৰ |
| বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতি, জেড পি | | এ পিৰ বিত্তীয় স্থিতি, প্ৰশিক্ষণ, ৰাজহ বৃদ্ধিৰ বাজেট পৰীক্ষাৰ প্ৰস্তাৱসমূহ, প্ৰাপ্তি আৰু ব্যয়ৰ বিৱৰণী পৰীক্ষা কৰা, এ পিৰ বিত্তক প্ৰভাৱিত কৰা সকলো প্ৰস্তাৱ বিবেচনা কৰা আৰু এ পিৰ ৰাজহ আৰু ব্যয়ৰ সাধাৰণ তত্বাৱধান আৰু এ পি-ৰ পৰিকল্পনাসমূহৰ পৰিকল্পনা আৰু একত্ৰিকৰণ, সমবায়, ক্ষুদ্ৰ সঞ্চয় আঁচনি আৰু | | |

| সমিতিৰ নাম | সদস্য | উদ্দেশ্য | ক্ষমতা | অনিবাৰ্য/ আয়োজিত বৈঠকৰ ব্যৱধান |
|---|---|---|---|---|
| | | এ পি এলেকাৰ উন্নয়নৰ সৈতে জড়িত আন যিকোনো কাম। | | |
| সামাজিক ন্যায় সমিতি, জেড পি | | জি পিৰ শিক্ষা, জনস্বাস্থ্য, ৰাজহুৱা কাম-কাজ আৰু অন্যান্য কাম-কাজ সম্পৰ্কীয় কাৰ্য্যসমূহ। | | |
| পৰিকল্পনা আৰু উন্নয়ন সমিতি, জেড পি | | নিম্ন উল্লেখিত কাৰ্যসমূহ<br>শিক্ষা, প্ৰাপ্তবয়স্ক সাক্ষৰতা আৰু সাংস্কৃতিক কাৰ্য্যকলাপ যিসমূহ জেড পিয়ে ইয়াক ন্যস্ত কৰিব পাৰে;<br>স্বাস্থ্য সেৱা, চিকিৎসালয়, পানী যোগান,<br>পৰিয়াল, কল্যাণ আৰু অন্যান্য সংশ্লিষ্ট বিষয়;<br>কৃষি উৎপাদন, পশুপালন সমবায়, কনট্যুৰ (“বাণ্ডিং”) আৰু পুনৰুদ্ধাৰ;<br>গ্ৰাম্য আৰু কুটিৰ উদ্যোগ;<br>জিলাখনৰ ঔদ্যোগিক উন্নয়নৰ প্ৰসাৰ। | | |
| **ব্লক (আঞ্চলিক পঞ্চায়ত) পৰ্যায়ৰ সমিতিসমূহ** | | | | |
| সাধাৰণ স্থায়ী সমিতি, এ পি | প্ৰতিখন স্থায়ী সমিতি অধ্যক্ষকে ধৰি সৰ্বাধিক ছয়জনসদস্যৰে গঠিত, যাক এ পিয়ে নিজৰ সদস্যসকলৰ মাজৰ পৰা নিৰ্বাচিত কৰিব। এ পি-ৰ প্ৰত্যেকজন সভাপতি সামাজিক ন্যায় সমিতিৰ বাহিৰে সমিতিসমূহৰ অধ্যক্ষ আৰু এ পি-ৰ উপ-সভাপতি সামাজিক ন্যায় সমিতিৰ অধ্যক্ষ হ'ব। এ পিৰ ই অ'জন এ পিৰ প্ৰতিখন স্থায়ী সমিতিৰ পদেন সচিব হ'ব। | প্ৰতিষ্ঠান সম্পৰ্কীয় বিষয়, যোগাযোগ, অট্টালিকা, গ্ৰাম্য গৃহ নিৰ্মাণ, প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে সাহাৰ্য্য, পানী যোগান আৰু সকলো বিবিধ অৱশিষ্ট বিষয়। | ন্যস্ত কৰা ক্ষমতাৰ পৰিসৰলৈকে সেই কাৰ্যসমূহ সম্পন্ন কৰিব যাৰ উল্লেখ 3 নং স্তম্ভত কৰা হৈছে। | এক বছৰ |
| বিত্ত, হিচাপ পৰীক্ষা আৰু পৰিকল্পনা সমিতি, এ পি | | এ পিৰ বিত্তীয় স্থিতি, প্ৰশিক্ষণ, ৰাজহ বৃদ্ধিৰ বাজেট পৰীক্ষাৰ প্ৰস্তাৱসমূহ, প্ৰাপ্তি আৰু ব্যয়ৰ বিৱৰণী পৰীক্ষা কৰা, এ পিৰ বিত্তক প্ৰভাৱিত কৰা সকলো প্ৰস্তাৱ বিবেচনা কৰা | | |

| সমিতিৰ নাম | সদস্য | উদ্দেশ্য | ক্ষমতা | অনিবাৰ্য/ আয়োজিত বৈঠকৰ ব্যৱধান |
|---|---|---|---|---|
| | | আৰু এ পিৰ ৰাজহ আৰু ব্যয়ৰ সাধাৰণ তত্বাৱধান আৰু এ পি-ৰ পৰিকল্পনাসমূহৰ পৰিকল্পনা আৰু একত্রিকৰণ, সমবায়, ক্ষুদ্ৰ সঞ্চয় আঁচনি আৰু এ পি এলেকাৰ উন্নয়নৰ সৈতে জড়িত আন যিকোনো কাম। | | |
| সামাজিক ন্যায় সমিতি, এ পি | | (a) অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্যান্য স্বাৰ্থৰ প্ৰসাৰ; (b) সামাজিক অন্যায় আৰু যিকোনো ধৰণৰ শোষণৰ পৰা এনে জাতি আৰু শ্ৰেণীক সুৰক্ষা দিয়া; (c) মহিলা আৰু শিশুৰ কল্যাণ। | | |
| **গাঁও পঞ্চায়ত পৰ্যায়ৰ সমিতি** | | | | |
| উন্নয়ন সমিতি, জি পি | এই সমিতিখন এজন সভাপতি বা এজন উপ-সভাপতিকে ধৰি অতি কমেও তিনিজন বা সৰ্বাধিক চাৰিজন সদস্যৰে গঠিত হ'ব। গাঁও পঞ্চায়তৰ সভাপতিজন পদেন সদস্য আৰু সমিতিসমূহৰ অধ্যক্ষ হ'ব: | কৃষি উৎপাদন, পশুপালন আৰু গ্ৰাম্য উদ্যোগ আৰু দৰিদ্ৰতা নিৰাময় কাৰ্যসূচীৰ সৈতে জড়িত কাম। | | |
| সামাজিক ন্যায় সমিতি, এ পি | উন্নয়ন সমিতিৰ বাবে উল্লেখ কৰা সদস্য, অৱশ্যে সামাজিক ন্যায় সমিতিত এগৰাকী মহিলা সদস্য আৰু এজন অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ সদস্য থাকিব | (a) অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ শৈক্ষিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অন্যান্য স্বাৰ্থৰ প্ৰসাৰ; (b) সামাজিক অন্যায় আৰু যিকোনো ধৰণৰ শোষণৰ পৰা এনে জাতি আৰু শ্ৰেণীক সুৰক্ষা দিয়া; (c) মহিলা আৰু শিশুৰ কল্যাণ। | ন্যস্ত কৰা ক্ষমতাৰ পৰিসৰলৈকে সেই কাৰ্যসমূহ সম্পন্ন কৰিব যাৰ উল্লেখ 3 নং স্তম্ভত কৰা হৈছে। | এক বছৰ |

| সমিতিৰ নাম | সদস্য | উদ্দেশ্য | ক্ষমতা | অনিবাৰ্য/ আয়োজিত বৈঠকৰ ব্যৱধান |
|---|---|---|---|---|
| সমাজ কল্যাণ সমিতি, জি পি | উন্নয়ন সমিতিৰ বাবে ওপৰত উল্লেখ কৰা অনুসৰি। | শিক্ষা, জনস্বাস্থ্য, ৰাজহুৱা কাম-কাজ আৰু জি পিৰ সৈতে জড়িত অন্যান্য কাম-কাজ কাৰ্য্যসমূহ। | | |
| **পৌৰ সভাৰ সমিতি** | | | | |
| কৰ আৰোপণ সমিতি<br>হিচাপ সমিতি<br>ৱৰ্কচ সমিতি | স্থায়ী সমিতিখন মেয়ৰৰ বাহিৰে নিজৰ সদস্যৰ পৰা নিগমে নিৰ্বাচিত কৰা পাঁচজন সদস্যৰে গঠিত হ'ব, কিন্তু কোনো কাউন্সিলাৰ একে সময়তে এখনতকৈ অধিক স্থায়ী সমিতিৰ সদস্য হ'ব নোৱাৰিব | ক্ৰমে কৰ আৰোপণ আৰু বিত্ত, আৰু পৰিকল্পনা আৰু উন্নয়ন (বা স্থায়ী বিত্ত সমিতি); লোক নিৰ্মাণ; জনস্বাস্থ্য, সংৰক্ষণ আৰু পানী যোগান; মূল্যায়ন, বজাৰ আৰু বাণিজ্য; আৰু আপীলৰ সৈতে মোকাবিলা কৰা, | স্থায়ী সমিতিৰ ওচৰত নিগমৰ হিচাপ-নিকাচৰ এক্সেচ থাকে<br>স্থায়ী সমিতিয়ে পৌৰসভাৰ হিচাপসমূহৰ মাহেকীয়া ভিত্তিত হিচাপ পৰীক্ষা কৰিব পাৰে | এক বছৰ |
| ৱাৰ্ড সমিতি | চাৰিজন ৱাৰ্ড আয়ুক্ত আৰু অন্য চাৰিটা প্ৰতিনিধি গোট, সংশ্লিষ্ট ৱাৰ্ডৰ আগশাৰীৰ নাগৰিক যিসকলক জিলাখনৰ উপায়ুক্তই মনোনীত কৰিব পাৰে, য'ত পৌৰসভাখন অৱস্থিত।<br>ৱাৰ্ড কমিটিৰ নিৰ্বাচিত সদস্যৰ মাজৰ পৰা ৱাৰ্ড কমিটীৰ অধ্যক্ষ নিৰ্বাচিত হ'ব। | মূলতঃ ৱাৰ্ড কমিটীয়ে অধিক অন্তৰংগভাৱে বাসিন্দাসকলৰ প্ৰয়োজনীয়তাসমূহ চোৱা-চিতা কৰিব | অঞ্চলটোৰ উন্নয়নৰ আঁচনিসমূহৰ নিৰ্বাচনৰ সন্দৰ্ভত ৱাৰ্ড সমিতিৰ সিদ্ধান্ত পৌৰসভাৰ ফালৰ পৰা তেতিয়ালৈকে বাধ্যতামূলক হ'ব যেতিয়ালৈকে এনে আঁচনি আৰম্ভ নহয় | ৱাৰ্ড কমিটীৰ কাৰ্যকাল ব'ৰ্ডৰ কাৰ্যকালৰ সৈতে একেই হ'ব |

ষষ্ঠ অসম ৰাজ্যিক বিত্ত আয়োগে (এচ এফ চি) এইটো উল্লেখ কৰিছে যে এই সকলো সমিতিৰ বেছিভাগে নিয়মিতভাৱে সভা নকৰে। ডি পি চি খনও প্ৰায় সম্পূৰ্ণৰূপে অংশগ্ৰহণকাৰীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ অবিহনে কাৰ্য কৰে। জেড পি-য়ে বিভিন্ন কাৰ্যসূচীৰ অধীনত বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰে কিন্তু আগতীয়াকৈ বছৰৰ বাবে এক সংহত জিলা পৰিকল্পনা প্ৰস্তুত নকৰে। যেতিয়া পুজি উপলব্ধ থাকে, তেতিয়াহে জে ড পি-য়ে অংশীদাৰসকলৰ পৰা আঁচনি বিচাৰে। এই আঁচনিবোৰ পৰৱৰ্তী তাৰিখত ডি পি চি-ৰ দ্বাৰা অনুমোদিত হয়। পি গু আৰডি আয়ুক্ত অসমে (অক্টোবৰ 2023) কয় যে সকলো জিলা দ্বাৰা ডি পি চি গঠন কৰা হৈছে, যি সংশ্লিষ্ট পি আৰ আই-ৰ দ্বাৰা প্ৰস্তুত সকলো বাৰ্ষিক উন্নয়ন পৰিকল্পনা অনুমোদন কৰে আৰু উক্ত উন্নয়ন পৰিকল্পনাসমূহ ই গ্ৰাম স্বৰাজ ৱেব প'ৰ্টেলত উপলব্ধ আছে।

### 2.2.3 সেৱা স্তৰৰ মানদণ্ড

নগৰ উন্নয়ন মন্ত্ৰণালয়ে (2008) চাৰিটা মুখ্য ক্ষেত্ৰৰ সেৱা প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় স্তৰত সেৱা স্তৰৰ মানদণ্ড (এচ এল বিসমূহ) নিৰ্ধাৰণ কৰিছে— পানী যোগান, পয় প্ৰণালী, কঠিন অৱশিষ্ট ব্যৱস্থাপনা (এছ ডব্লিউ এম) আৰু বৰষুণৰ পানী নিস্কাষণ ব্যৱস্থাপনা। এচ এল বিসমূহৰ উদ্দেশ্য হৈছে ইউ এল বি-সমূহত সেৱা প্ৰদানত কাৰ্যক্ষমতাৰ পৰ্যায় মূল্যায়ন কৰিবলৈ কাৰ্যকাৰিতা সূচকৰ বিৰুদ্ধে কাৰ্যকলাপসমূহ পৰ্যবেক্ষণ কৰা।

13তম আৰু 14তম এফ চি-টো এচ এল বি-ক ৰাজ্য চৰকাৰসমূহে কাৰ্য্যসম্পাদন অনুদান লাভ কৰিবলৈ পূৰণ কৰিবলগীয়া ন' টা শৰ্তৰ এটাৰূপে অন্তৰ্ভুক্ত কৰা হৈছিল। 15তম এফ চি-ৰ অধীনত, পোৱা পুজি নগৰীয়া স্থানীয় নিকায়সমূহক পানী যোগান, বৰষুণৰ পানী সংগ্ৰহ আৰু পানী পুনঃব্যৱহাৰ, কঠিন অৱশিষ্ট ব্যৱস্থাপনা আৰু অনাময়ৰ সেৱা স্তৰৰ মাপকাঠি পূৰণ কৰিবলৈ দিয়া হৈছিল। জি অ' এ-য়ে (মাৰ্চ 2011) ইউ এল বি-সকলে পূৰণ কৰিবলগীয়া চাৰি সেৱা ক্ষেত্ৰৰ বাবে সেৱা মান ঘোষণা কৰিছিল।

পানী যোগান আৰু অনাময় ব্যৱস্থাৰ মৌলিক নাগৰিক সেৱাসমূহ চৰকাৰে পৰ্যাপ্তভাবে সম্বোধন কৰা নাছিল। বিশেষকৈ, ৰাজ্যখনত কোনো নৰ্দমা পৰিশোধন প্ৰকল্প (এচ টি পি সমূহ) নাছিল, যাৰ ফলত জলাশয়বোৰ ধাৰাবাহিক প্ৰদূষণ হৈছিল, যি মানুহৰ স্বাস্থ্য আৰু জলীয় জীৱনত গভীৰ প্ৰভাৱ পেলাব পাৰে। নগৰ উন্নয়ণ মন্ত্ৰালয় জি অ' আই জাৰী কৰা এচ এল বি-ৰ হাতপুঠিত দিয়া পৰামৰ্শ অনুসৰি কৰা মৌলিক সেৱাসমূহৰ ওপৰত তথ্য সংগ্ৰহ কৰিবলৈ প্ৰয়োজনীয় প্ৰণালীৰ অভাৱ আছিল আৰু মৌলিক সেৱাসমূহৰ প্ৰদান উন্নত কৰাৰ বাবে সংশোধনী কাৰ্যপদ্ধতি ৰূপায়ণৰ ক্ষেত্ৰত অভাৱ আছিল।

এইটো বুজাইছিল যে ইউ এল বি-সমূহৰ লগতে জি অ' এ-ও উক্ত উল্লেখিত চাৰি মুখ্য খণ্ডৰ সেৱা প্ৰদানত থকা অভাৱ চিহ্নিতকৰণ আৰু সেই অভাৱসমূহ দূৰ কৰিবলৈ সংশোধনীমূলক ব্যৱস্থা গ্ৰহণ কৰাত তেওঁলোকে কাৰ্যকৰীভাৱে নিজৰ দায়িত্ব পালন কৰা নাছিল আৰু সেৱা প্ৰদান ব্যবস্থা উন্নত কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাছিল।

### 2.2.4 হিচাপ পদ্ধতি

**পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই):** 11তম বিত্ত আয়োগৰ পৰামৰ্শৰ আধাৰত, ভাৰত চৰকাৰে, নিয়ন্ত্ৰক আৰু মহানিৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি, 2009 চনত পি আৰ আই-ৰ দ্বাৰা হিচাপ-নিকাচ পৰিপালনৰ বাবে মডেল একাউন্টিং স্ত্ৰাকচাৰ (এম এ এস) নিৰ্ধাৰণ কৰিছিল। পিছত, অসম চৰকাৰে ঘোষণা কৰিছিল যে এপ্ৰিল 2010ৰ পৰৱৰ্তীকালৰ পৰা পি আৰ আই-ৰ একাউন্টসমূহ এম এ এস ফৰ্মেটত ৰখা হ'ব। এম এ এস পাছত হিচাপ-নিকাচ সফ্টৱেৰ পি আৰ আই এ চফ্ট (পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ হিচাপ-নিকাচ সফ্টৱেৰ) ত সংযোজিত হৈছিল যি পাছত পঞ্চায়তী ৰাজ মন্ত্ৰালয়ে বিকশিত কৰি ই গ্ৰাম স্বৰাজ নামৰ এক সফ্টৱেৰৰে মিলিত কৰা হৈছিল।

**নগৰীয়া স্থানীয় নিকায় (ইউ এল বি):** ইউ এল বিৰ ক্ষেত্ৰত, অসম চৰকাৰে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহানিৰীক্ষকৰ আৰু ভাৰত চৰকাৰৰ দ্বাৰা বিকশিত কৰা ৰাষ্ট্ৰীয় পৌৰ হিচাপ নীতি (এন এম এ এম) মাৰ্চ 2011ত গ্ৰহণ কৰিছিল। এন এম এ এম-য়ে ইউ এল বি-সমূহত বিত্তীয় ব্যৱস্থাপনা উন্নত কৰিবলৈ বিত্তীয় একুৰেল হিচাপ পদ্ধতি প্ৰৱৰ্তনৰ প্ৰস্তাৱ দিয়ে। অৱশ্যে, দুটা ইউ এল বি (শিলচৰ এম বি আৰু বঙাইগাঁও এম বি)ক বাদ দি, মাৰ্চ 2023 লৈ কোনো ইউ এল বি-য়ে ইয়াক গ্ৰহণ কৰা নাই। অৱশ্যে, বিভাগে অৱগত কৰিছিল যে, একুৰেল-বেচ ডাবল এণ্ট্ৰী প্ৰণালী উপয়োগ মডিউলৰ[3] জৰিয়তে কাৰ্যান্বয়নৰ অধীনত আছে।

### 2.2.5 স্থানীয় নিকায়সমূহৰ অভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থা:

এটা অভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰণালী অনিয়মৰ (বিত্তীয় বা প্ৰশাসনিক)ৰ বিপদ কমাই দিয়ে আৰু যিকোনো সংস্থাৰ ব্যৱস্থাপনাক আশ্বাস প্ৰদান কৰে। অসম পঞ্চায়ত বিধি, 1994, অসম পঞ্চায়ত (বিত্তীয়) নিয়ম, 2002, অসম পৌৰ বিধি, 1956, গুৱাহাটী পৌৰ নিগম বিধি, 1971, আৰু অসম পৌৰ হিচাপ নিয়ম, 1961, সময়ে সময়ে জাৰি হোৱা চৰকাৰী নিৰ্দেশনাৰ সৈতে, পঞ্চায়ত ৰাজ প্ৰতিষ্ঠানসমূহ (পি আৰ আই সমূহ) আৰু নগৰ স্থানীয় সংস্থা (ইউ এল বি সমূহ)ৰ বাবে আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰণালী নিৰ্দিষ্ট কৰিছে।

[3] অনলাইন সেৱা প্ৰদানৰ বাবে নগৰীয়া মঞ্চ (উপয়োগ) হৈছে পৌৰসভাৰ সেৱাসমূহ অনলাইনত প্ৰদানৰ বাবে সৃষ্টি কৰা এটা ৰাষ্ট্ৰীয় ৰেফাৰেন্স প্লেটফৰ্ম।

অৱশ্যে হিচাপ পৰীক্ষাই এই আভ্যন্তৰীণ নিয়ন্ত্ৰণসমূহৰ কৰ্মপদ্ধতিত গুৰুত্বপূৰ্ণ অভাৱ-অভ্যন্তৰ প্ৰদৰ্শন কৰিছে, যিয়ে উভয় পি আৰ আই-সমূহ আৰু ইউ বি-সমূহৰ কাৰ্যপদ্ধতি আৰু বিত্তীয় ব্যৱস্থাপনাৰ ওপৰত বেয়া প্ৰভাৱ পেলাইছে।

এটা প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ নিয়ন্ত্ৰণৰ মুখ্য সুচকসমূহৰ এটা হৈছে কাৰ্য্যনিৰ্বাহকৰ হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণসমূহৰ প্ৰতি বিভাগৰ প্ৰতিক্ৰিয়াশীলতাৰ পৰিমাণ। এইটো দেখা গৈছিল যে অডিট লোকেল ফাণ্ডৰ ডাইৰেক্টৰেট আৰু একাউণ্টেণ্ট জেনেৰেল (হিচাপ পৰীক্ষা), অসমে জাৰি কৰা বহু সংখ্যক নিৰীক্ষা প্ৰতিবেদন (আই আৰ সমূহ) স্থানীয় নিকায় আৰু সংশ্লিষ্ট বিভাগ দুয়োৰে দৃষ্টি নিবদ্ধ নোহোৱা অৱস্থাত ৰৈছিল। এই স্থানীয় নিকায়সমূহৰ বাজেটসমূহ প্ৰায়েই অনুমোদন নোহোৱাকৈ থাকে কাৰণ নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ কৰা হোৱা নাই। অতিৰিক্ত ভাবে কেচবুক আৰু বেংক একাউণ্টৰ সমিল মিল নোহোৱাটো, নিৰ্ধাৰিত ফৰ্মেটত হিচাপ পৰিপালন নকৰাটো, আৰু আঁচনিৰ ধনৰ অনিয়মিত ব্যয়ৰ দৰে সমস্যা পৰ্যবেক্ষণ কৰা হৈছে।

## 2.3 বিত্তীয় অৱলোকন

ৰাজ্যৰ স্থানীয় স্ব-চৰকাৰৰ বাবে ধনৰ উৎসসমূহ হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কেন্দ্ৰীয়ভাবে পোষকতা কৰা আঁচনি (চি এচ এচ), ৰাজ্যিকভাবে পোষকতা কৰা আঁচনি (এচ এচ এচ) ; কেন্দ্ৰীয় বিত্তীয় আয়োগ (চি এফ চি) অনুদান আৰু ৰাজ্যিক বিত্তীয় আয়োগ (এচ এফ চি) অনুদানৰ তৰফৰ পৰা মুকলি কৰা পুজি। অতিৰিক্তভাৱে, স্থানীয় চৰকাৰী সংস্থাসমূহেও তেওঁলোকৰ নিজৰ উৎসবোৰৰ পৰা ৰাজহ সংগ্ৰহ কৰে, যেনে কৰ, ভাৰা, অনুজ্ঞাপত্ৰৰ মাচুল আদি।

### 2.3.1 পি আৰ আই-ৰ পুঁজিৰ উৎস আৰু ব্যৱহাৰ

**সাৰণী–3: পি আৰ আই-ৰ উৎসসমূহৰ সময় শৃংখলাৰ তথ্য**

**(কোটি টকাত)**

| ক্ৰ. নং | শিতান | 2018-19 | 2019-20 | 2020-21 | 2021-22 | 2022-23 | মুঠ |
|---|---|---|---|---|---|---|---|
| 1 | চি এচ এচ-ৰ বাবে জি অ' আই-ৰ অনুদান | 468.15 | 2106.3 | 2751.89 | 2869.03 | 12378.99 | 20574.36 |
| 2 | চি এফ চি স্থানান্তৰসমূহ (বিত্তীয় আয়োগ হস্তান্তৰ) | 121.88 | 164.11 | 1337.12 | 988.66 | 1023.68 | 3635.45 |
| 3 | ৰাজ্য চৰকাৰৰ আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদানসমূহ # (এচ অ' পি ডি) | 475.52 | 609.92 | 727.96 | 537.13 | 517.79 | 2868.32 |
| 4 | এস এফ চি হস্তান্তৰসমূহ (ৰাজ্যিক বিত্তীয় আয়োগ) | 146.92 | 0.74 | 0 | 66.84 | 144.55 | 359.05 |
| 5 | নিজস্ব ৰাজহ | 69.64 | 55.44 | 62.40 | 44.84 | 42.30 | 274.62 |
| 6 | অন্যান্য প্ৰাপ্তি | 17.57 | 0 | 20.45 | 3.03 | 1.68 | 42.73 |
| | **মুঠ** | **1299.68** | **2936.51** | **4899.82** | **4509.53** | **14108.99** | **27754.53** |

উৎসসমূহ: চি পি আৰ ডি আৰু চি এণ্ড এ জি-ৰ এল বি প্ৰতিবেদন, ই গ্ৰাম স্বৰাজ বিত্তীয় হিচাপ আৰু বিৰৰণমূলক বিনিয়োজন হিচাপৰ পৰা প্ৰাপ্ত তথ্য
# ৰাজ্যৰ নিজৰ অগ্ৰাধিকাৰ বিকাশ (এচ অ' পি ডি)

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহৰ (পি আৰ আই) নিজৰ আয়ৰ উৎসসমূহে বিগত পাঁচ বছৰত 5.36% পৰা 0.30%লৈ হ্ৰাস হোৱা ধাৰা দেখুৱাইছে। এইয়া অসমৰ পি আৰ আইসমূহে নিজৰ আয় বৃদ্ধি কৰাত আৰু চৰকাৰী অনুদানত নিৰ্ভৰশীলতা হ্ৰাস কৰাত বিফল হোৱা বুলি সূচায়। তেওঁলোকৰ উৎসৰ এক গুৰুত্বপূৰ্ণ অংশ কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি (চি এচ এচ), কেন্দ্ৰীয় বিত্তীয় আয়োগ (চি এফ চি) অনুদান, ৰাজ্যৰ নিজা প্ৰাধান্য দিয়া উন্নয়ন (এচ অ' পি ডি) আৰু ৰাজ্যিক বিত্তীয় আয়োগ (এছ এফ চি) অনুদানৰ পৰা আহি থাকে।

**চিত্ৰ তালিকা 2.1: পি আৰ আই-সমূহৰ উপাদান অনুযায়ী সম্পদসমূহ**




**সাৰণী-4: সম্পদৰ প্ৰয়োগ-পি আৰ আই**

**(কোটি টকাত)**

| ক্ৰ নং | শিতান | 2018-19 | 2019-20 | 2020-21 | 2021-22 | 2022-23 | মুঠ |
|---|---|---|---|---|---|---|---|
| 1 | চি এছ এছ-ৰ বাবে জি অ' আই-ৰ অনুদান | 468.15 | 2106.03 | 2751.89 | 2869.03 | 12378.99 | 20574.09 |
| 2 | চি এফ চি হস্তান্তৰৰ পৰা ব্যয় (বিত্ত আয়োগৰ বিভাজন) | 121.88 | 164.11 | 2.10 | 233.62 | 898.09 | 1419.8 |
| 3 | ৰাজ্যিক আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদান (ৰাজ্যিক মালিকানাধীন অগ্ৰাধিকাৰ উন্নয়ন) | 475.52 | 609.92 | 727.96 | 537.13 | 517.79 | 2868.32 |
| 4 | এছ এফ চি স্থানান্তৰৰ পৰা ব্যয় (এছ এফ চি বিভাজন) | 146.92 | 0.74 | 0 | 66.84 | 144.55 | 359.05 |
| 5 | নিজা ৰাজহৰ পৰা ব্যয় | 42.55 | 32.27 | 36.69 | 18.23 | 14.32 | 144.06 |
| **মুঠ** | | **1255.02** | **2913.07** | **3518.64** | **3724.85** | **13953.74** | **25365.32** |

*উৎস: চি পি আৰ ডি, চি এণ্ড এ জি-ৰ প্ৰতিবেদন আৰু eGramSwaraj-ৰ পৰা প্ৰাপ্ত তথ্য*

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহ (পি আৰ আই) প্ৰধানকৈ কেন্দ্ৰীয় খণ্ড আঁচনি (চি এচ এচ) আৰু ৰাজ্যিক খণ্ড আঁচনি (এচ এচ এচ) বাস্তৱায়নকাৰী সংস্থাসমূহ হিচাপে কাৰ্য্য কৰে, যদিও তেওঁলোকে বাহ্যিক উৎসৰ পুজিৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰিছিল, যিহেতু পাঁচ বছৰীয়া সময়ছোৱাত তেওঁলোকৰ সমগ্ৰ পুঁজিত নিজৰ ৰাজহৰ সামান্য অংশ 3.39% ৰ পৰা 0.10% আছিল, যি ওপৰৰ সাৰণীখনত প্ৰকাশ হৈছে। তলত দেখুওৱা চিত্ৰ তালিকাৰ পৰা এইটো স্পষ্টভাৱে দেখা যায়।

**চিত্ৰ তালিকা 2.2: পি আৰ আই-ৰ সম্পদৰ উপাদান অনুসৰি**




পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহ (পি আৰ আইসমূহ), কেন্দ্ৰীয় খণ্ড আঁচনি (চি এছ এছ) আৰু ৰাজ্যিক খণ্ড আঁচনি (এছ এছ এছ) ৰ প্ৰধান কাৰ্যন্বয় সংস্থা হিচাপে কাৰ্যৰত থাকিলেও, বাহ্যিক পুজি যোগানৰ উৎসসমূহত যথেষ্ট নিৰ্ভৰশীল হৈ আছে। যি দৰে বাৰ চিত্ৰ তালিকাত প্ৰতিভূত কৰা হৈছে, তেওঁলোকৰ বিগত পাঁচ বছৰত মুঠ খৰচ 25365.32 কোটি টকাৰ যিটো নিজৰ আয়ৰ পৰা 144.55 কোটি টকাৰ ব্যয় মাত্ৰ সামান্য অংশেৰে আৰম্ভ হৈছিল।

| সাৰণী-5: 2018-23ত পি আৰ আই লাভ আৰু ব্যয় (কোটি টকাত) | | |
|---|---|---|
| বছৰ | প্ৰাপ্ত | ব্যয় |
| 2018-19 | 1299.68 | 1255.02 |
| 2019-20 | 2936.51 | 2913.07 |
| 2020-21 | 4899.82 | 3518.64 |
| 2021-22 | 4509.53 | 3724.85 |
| 2022-23 | 14108.99 | 13953.74 |
| **মুঠ** | **27754.53** | **25365.32** |

**চিত্ৰ তালিকা 2.3 : লাভ কৰা ধনৰ মাজত তুলনা আৰু পি আৰ আই-ৰ দ্বাৰা ব্যয় (কোটি টকাত)**




উৎস: ই়গ্ৰামস্বৰাজ, বিত্ত হিচাপ, বিতং বিনিয়োজন হিচাপৰ পৰা প্ৰাপ্ত কৰা তথ্য

সাৰণি 5 আৰু সংলগ্ন চিত্ৰ তালিকা 2.3 ত দিয়া তথ্যসমূহ পঞ্চায়তি ৰাজ প্ৰতিষ্ঠানসমূহ (পি আৰ আই) উপলব্ধ পুজি সম্পূৰ্ণ ৰূপে ব্যৱহাৰ কৰিব নোৱাৰাৰ অক্ষমতা প্ৰতিফলিত কৰে। এইয়ে সূচাই যে ব্যৱস্থাগত প্ৰত্যাহ্বান আছে যাক চৰকাৰে বিস্তৃত পৰ্যালোচনা কৰাৰ প্ৰয়োজন। সঠিক ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজন, যাৰ দ্বাৰা পি আৰ আই-সমূহক সম্পদসমূহ সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আৰু জনসাধাৰণলৈ প্ৰয়োজনীয় সামাজিক-অৰ্থনৈতিক সেৱা প্ৰদান কৰিবলৈ সক্ষম কৰা যায়।

### 2.3.2 ইউ এল বি-ৰ পুঁজিৰ উৎস আৰু ব্যৱহাৰ

মুঠ 104 টা নগৰীয়া স্থানীয় নিকায় (ইউ এল বি সুমূহৰ)ৰ ভিতৰত কেৱল 78 টা ইউ এল বি-ৰ বাবে নিজৰ আয়ৰ বিষয়ে তথ্য উপলব্ধ আছিল। অসম চৰকাৰৰ (জি অ' এ)গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অসমৰ ইউ এল বি-সমূহৰ নিজৰ ৰাজহৰ সৈতে জড়িত আচল প্ৰাপ্তিৰ এক সংহত সংখ্যা নাছিল। এয়া ইউ এল বি-ৰ সম্পদ আৰু কাৰ্যপদ্ধতি পৰ্যৱেক্ষণত চৰকাৰী তত্বাৱধানৰ অভাৱক প্ৰদৰ্শন কৰে।

**সাৰণী–6: ইউ এল বি-ৰ সম্পদসমূহৰ সময় শৃঙ্খলাৰ তথ্য**

(কোটি টকাত)

| ক্ৰ নং | শিতান | 2018-19 | 2019-20 | 2020-21 | 2021-22 | 2022-23 | মুঠ |
|---|---|---|---|---|---|---|---|
| 1 | চি এফ চি হস্তান্তৰসমূহ (বিত্তীয়-আয়োগ হস্তান্তৰ) | 34.29 | 189.8 | 250.2 | 345.04 | 770.85 | 1590.18 |
| 2 | চি এচ এচ-ৰ বাবে জি অ' আই অনুদান | 244.82 | 344.16 | 448.09 | 373.13 | 371.98 | 1068.06 |
| 3 | নিজা ৰাজহ | 169.31 | 156.28 | 164.4 | 170.83 | 192.31 | 853.13 |
| 4 | ৰাজ্য চৰকাৰৰ অনুদানসমূহ ৰাজ্যিক আচনি # এচ অ' পি দি | 125.41 | 83.62 | 102.65 | 216.06 | 160.37 | 688.11 |
| 5 | এচ এফ চি হস্তান্তৰসমূহ (ৰাজ্যিক বিত্তীয় আয়োগ হস্তান্তৰ) | 68.95 | 109.99 | 0.00 | 39.50 | 159.18 | 377.62 |
| 6 | অন্যান্য প্ৰাপ্তি (পলমকৈ পৰিযোধৰ বাবে সুত) | 0.22 | 0.97 | 0.13 | 16.94 | 7.90 | 26.16 |
| **মুঠ** | | **643** | **884.82** | **965.47** | **1161.5** | **1662.59** | **4603.26** |

উৎস : বিতং বিনিয়োজন হিচাপ আৰু বিত্তীয় হিচাপ আৰু ডি এম এ

# ৰাজ্যৰ নিজৰ প্ৰাধান্য দিয়া বিকাশ

**সাৰণী-7: সম্পদৰ প্ৰয়োগ-ইউ এল বি**

(কোটি টকাত)

| ক্ৰ নং | শিতান | 2018-19 | 2019-20 | 2020-21 | 2021-22 | 2022-23 | মুঠ |
|---|---|---|---|---|---|---|---|
| 1 | চি এফ চি হস্তান্তৰৰ পৰা ব্যয় (বিত্ত আয়োগৰ বিভাজন) | 34.29 | 189.80 | 250.2 | 345.04 | 770.85 | 1590.18 |
| 2 | চি এছ এছ-ৰ বাবে জি অ' আই অনুদান | 255.89 | 255.76 | 116.29 | 185.38 | 230.69 | 1044.01 |
| 3 | ৰাজ্যিক আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ অনুদান # | 125.41 | 83.62 | 102.65 | 216.06 | 160.37 | 688.11 |
| 4 | নিজা ৰাজহৰ পৰা ব্যয় | 78.60 | 85.33 | 69.18 | 82.72 | 190.92 | 506.75 |
| 5 | এছ এফ চি হস্তান্তৰৰ পৰা ব্যয় (ৰাজ্যিক বিত্ত আয়োগৰ বিভাজন) | 68.95 | 109.99 | 0 | 39.50 | 159.18 | 377.62 |
| 6 | সুত | 0.18 | 0.93 | 0.02 | 0.97 | 0.43 | 2.53 |
| **মুঠ** | | **563.32** | **725.43** | **538.34** | **869.67** | **1512.44** | **4209.2** |

উৎস : বিত্তীয় হিচাপ আৰু ডি এম এ-ৰ পৰা লাভ কৰা তথ্য

# পেভাৰ ব্লক ৰোড, ষ্ট্ৰীট লাইট, ছ'লাৰ লাইট, এছ ডব্লিউ ডি, ৰাজহুৱা শৌচাগাৰ আদি ৰাজ্যিক নিজা উন্নয়ন আঁচনিসমূহক অগ্ৰাধিকাৰ দিয়া।

নগৰীয়া স্থানীয় সংস্থা (ইউ এল বি-সমূহ)ৰ চৰকাৰী অনুদান আৰু হস্তান্তৰৰ ওপৰত উল্লেখযোগ্য নিৰ্ভৰশীলতা দেখুৱাইছে, যত তেওঁলোকৰ নিজৰ আয়ৰ পৰা কৰা ব্যয়, যদিও নিম্নতম 69 কোটি টকাৰ পৰা সৰ্বাধিক 190.92 কোটি টকাৰ পৰিসৰৰ ভিতৰত বাঢ়ি থকা ধাৰা দেখুৱাইছে। বাহ্যিক বিত্তীয় উৎসৰ ওপৰত এই নিৰ্ভৰশীলতাই বুজাই দিয়ে যে ইউ এল বি-সমূহৰ দ্বাৰা তেওঁলোকৰ আয়ৰ উৎসত বৈচিত্ৰ্যতা আনিবলৈ আৰু অধিক বিত্তীয় স্বায়ত্তশাসন লাভ কৰিবলৈ অধিক চেষ্টা কৰিবৰ প্ৰয়োজন। নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি) ৰ বিভিন্ন উৎসৰ অধীনত উপলব্ধ ধনৰ ব্যৱহাৰ তলৰ চিত্ৰ তালিকাত দেখুওৱা হৈছে

**চিত্ৰ তালিকা 2.4: ইউ এল বি-সমূহৰ সম্পদৰ উপাদান অনুসৰি ব্যৱহাৰ**




**সাৰণী-8: 2018-23ত ইউ এল বি-ৰ লাভ আৰু ব্যয় (কোটি টকাত)**

| বছৰ | প্ৰাপ্ত | ব্যয় |
|---|---|---|
| 2018-19 | 642.78 | 563.32 |
| 2019-20 | 883.85 | 725.43 |
| 2020-21 | 965.34 | 538.34 |
| 2021-22 | 1144.56 | 869.67 |
| 2022-23 | 1654.69 | 1512.44 |
| **মুঠ** | **5291.22** | **4209.2** |

**চিত্ৰ তালিকা 2.5 : ইউ এল বি-ৰ দ্বাৰা লাভ কৰা ধন আৰু ব্যয় কৰা ধনৰ মাজত তুলনা (কোটি টকাত)**




উৎস: বিত্ত হিচাপ, বিতং বিনিয়োজন হিচাপ, 77টা ইউ এল বি

ইউ এল বি-ৰ খৰচসমূহ উপলব্ধ পুজিৰ তুলনাত ধৰাবাহিকভাবে কম আছিল, যি 74তম চি এ এ-ৰ আৰম্ভণিৰ পৰা তিনি দশকতকৈ অধিক কাল পাৰ হৈ গ'লেও ইউ এল বি-ৰ শোষণক্ষমতাৰ অভাৱ দেখুৱাইছে। তদুপৰি, ইউ এল বি বা ইয়াৰ প্ৰশাসনিক বিভাগে যি তথ্য প্ৰদান কৰিছিল সেইবোৰ ব্যয় (ৰাজহ বা মূলধন) আৰু আয়ৰ উৎস আদি সম্পৰ্কে সম্পূৰ্ণ নহয়। এয়া দেখুৱায় যে ইউ এল বি-ৰ পুঁজিৰ উৎসসমূহ আৰু তাৰ ব্যৱহাৰৰ ওপৰত চৰকাৰে যথাযথ নীৰিক্ষণ কৰা নাই আৰু ইউ এল বি-ত উপযুক্ত হিচাপৰ ব্যৱস্থাৰ ৰখা হোৱা নাই। স্পষ্টভাৱে, এনে প্ৰণালীৰ সমস্যাবোৰ আছে যিবোৰ চৰকাৰৰ দ্বাৰা এটা গুৰুত্বপূৰ্ণ পৰ্যালোচনাৰ আৱশ্যকতা আছে।

### 2.3.3 পি এণ্ড আৰ ডি বিভাগ আৰু ডি অ' এইচ ইউ এ-ৰ দ্বাৰা বাজেটৰ আৱণ্টন আৰু তাৰ বিপৰীতে মুকলি

মুখ্য আঁচনিসমূহৰ বাবে বাজেট ব্যৱস্থা, প্ৰাপ্ত পুঁজি আৰু হোৱা খৰচৰ বিষয়ে স্থানীয় নিকায় (উভয়েই পি আৰ আই আৰু ইউ এল বি) য়ে একত্ৰিত তথ্যভঁৰাল পৰিপালন কৰা নাছিল। এইটো স্থানীয় নিকায়সমূহৰ বিত্তীয় উৎসসমূহৰ ওপৰত কাৰ্যকৰী পৰ্যবেক্ষণৰ অভাৱ দেখুৱায়।

**পি এণ্ড আৰ ডি বিভাগ:**

2018ৰ পৰা 2023 পৰ্যন্ত বাজেট ব্যৱস্থা উল্লেখযোগ্যভাৱে কম ব্যৱহৃত হোৱা বুলি তলত থকা সাৰণিত বিৱৰণ দিয়া হৈছে:

**সাৰণী 9: পি এণ্ড আৰ ডি বিভাগৰ অধীনত পি আৰ আইসমূহলৈ বাজেটৰ আৱণ্টন আৰু মুকলি**

**(কোটি টকাত)**

| বছৰ | বাজেট ব্যৱস্থাপনা | প্ৰকৃত মুকলি | খৰচ | সঞ্চয় (-)/অধিক (+) |
|---|---|---|---|---|
| 2018-19 | 5870.47 | উপলব্ধ নহয় | 1944.25 | -3926.21 (67 %) |
| 2019-20 | 8769.28 | উপলব্ধ নহয় | 6864.54 | -1904.74 (22 %) |
| 2020-21 | 8650.76 | উপলব্ধ নহয় | 5151.87 | -3498.89 (40 %) |
| 2021-22 | 11038.55 | উপলব্ধ নহয় | 5529.30 | -5509.25 (50 %) |
| 2022-23 | 19996.14 | উপলব্ধ নহয় | 16735.37 | -3260.77 (16 %) |
| **মুঠ** | 54325.20 | উপলব্ধ নহয় | 36225.34 | -18099.86 (33 %) |

উৎস: বিতং বিনিয়োজন হিচাপ

পি আৰ আই-ৰ প্ৰকৃত ব্যয়ৰ অৱস্থা অনুসৰি বাজেট ব্যৱস্থাপনাৰ কমব্যৱহাৰ অব্যাহত আছিল। খৰচৰ ক্ষেত্ৰত উঠা নমাৰ ধাৰা আছিল আৰু সামগ্ৰিক খৰচৰ ঘাটি শেষ পাঁচ বছৰৰ (2018-2023) সময়ছোৱাত 16 ৰ পৰা 67 শতাংশলৈ আৰু গড়ে 33 শতাংশ আছিল।

**গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ (ডি অ' এইচ ইউ এ)**

**সাৰণী 10: ৰাজ্যিক নগৰ উন্নয়নলৈ বাজেটৰ বিতৰণ আৰু মুকলি:**

**(কোটি টকাত)**

| বছৰ | বাজেট ব্যৱস্থা | প্ৰকৃত মুকলি | ব্যয় | সঞ্চয় (-)/অধিক (+) |
|---|---|---|---|---|
| 2018-19 | 3331.42 | উপলব্ধ নহয় | 858.26 | -2473.16 (74 %) |
| 2019-20 | 3376.80 | উপলব্ধ নহয় | 1191.25 | -2185.55 (65 %) |
| 2020-21 | 3414.90 | উপলব্ধ নহয় | 1016.39 | -2398.52 (70 %) |
| 2021-22 | 3912.90 | উপলব্ধ নহয় | 2070.37 | -1842.53 (47 %) |
| 2022-23 | 5031.19 | উপলব্ধ নহয় | 2691.19 | -2340.01 (47 %) |
| **মুঠ** | **19067.21** | - | **7827.46** | **-11239.77 (59 %)** |

উৎস: বিতং বিনিয়োজন হিচাপ

ইউ এল বি-সমূহৰ প্ৰকৃত ব্যয়ৰ পৰা প্ৰকাশ পাইছে যে, বাজেট ব্যস্থাৰ ধাৰাবাহিকভাৱে কম ব্যৱহাৰ হৈছিল। 2018-2023 সময়ছোৱাত ইউ এল বি-সমূহৰ অধীনত খৰচত সামগ্ৰিক ঘাটি 47 ৰ পৰা 78 শতাংশলৈকে হোৱা ঘটনা চিন্তাজনক আছিল।

ইও চিন্তাৰ বিষয় আছিল যে প্ৰশাসনিক বিভাগসমূহৰ লগত বাজেট বেৱস্থাৰ বিপৰীতে পুঁজি মুকলিৰ সন্দৰ্ভত একত্ৰিত তথ্য নাছিল, যিয়ে ৰাজ্য চৰকাৰে স্থানীয় সংস্থাসমূহক সেৱা প্ৰদানৰ উদ্দেশ্যে ধনৰ ব্যৱহাৰ সঠিক কৰিবলৈ ব্যৱস্থা গ্ৰহণত নিৰীক্ষণ আৰু অনুসৰণত প্ৰভাৱিত কৰিছিল।

### 2.3.4 মুখ্য আঁচনিসমূহ ৰূপায়নৰ বাবে প্ৰাপ্ত পুঁজি

পি আৰ আই সমুহৰ দ্বাৰা তলত উল্লেখ কৰা মুখ্য আঁচনিসমূহ ৰূপায়ণৰ  বাবে পোৱা পুজি আৰু তাৰ পৰা হোৱা খৰচ।

**সাৰণী 11: মুখ্য আঁচনিসমূহ ৰূপায়ণৰ বাবে পি আৰ আইসমূহে পোৱা পুঁজি**

(কোটি টকাত)

| আঁচনিসমূহ | 2018-19 | | 2019-20 | | 2020-21 | | 2021-22 | | 2022-23 | |
|---|---|---|---|---|---|---|---|---|---|---|
| | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় |
| পি এম এ ওৱাই-জি | 77.55 | 77.55 | 1950.54 | 1527.56 | 3489.84 | 1670.47 | 5587.25 | 2069.02 | 13076.41 | 11231.42 |
| এন এছ এ পি | 400 | 399.99 | 250 | 250 | 481.14 | 284.25 | 450.89 | 450.89 | 428.34 | 428.34 |
| এম জি এন আৰ ই জি এ | 129.52 | 129.52 | 756 | 179.50 | 1387.67 | 690.62 | 1175.97 | 507.49 | 666.67 | 296.28 |
| মুঠ | **607.07** | **607.06** | **2956.54** | **1957.06** | **5358.65** | **2645.34** | **7214.11** | **3027.40** | **14171.42** | **11956.04** |

*উৎস: বিতং বিনিয়োজন হিচাপ*

**সাৰণী 12: মুখ্য আঁচনিসমূহ ৰূপায়ণৰ বাবে ইউ এল বি-সমূহে পোৱা পুঁজি**

(কোটি টকাত)

| আঁচনিসমূহ | 2018-2019 | | 2019-2020 | | 2020-21 | | 2021-22 | | 2022-23 | |
|---|---|---|---|---|---|---|---|---|---|---|
| | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় | বাজেট | ব্যয় |
| চহৰ আন্তঃগাঠনি | 99.62 | 99.61 | 138.22 | 61.02 | 132.25 | 37.20 | 32.00 | 1.42 | 75.3 | 50.17 |
| অসমৰ আন্তঃগাঠনি প্ৰকল্প | 105.20 | 116.27 | 158.95 | 158.95 | 269.80 | 73.39 | 175.91 | 143.96 | 63.91 | 0 |
| স্মাৰ্ট চিটি মিচন | - | - | 17.00 | 11.80 | 17.55 | 9.00 | 112.96 | 0 | 179.00 | 179.00 |
| মুঠ | **204.82** | **215.89** | **314.17** | **231.77** | **419.60** | **110.59** | **320.87** | **145.38** | **318.21** | **229.17** |

*উৎস: বিতং বিনিয়োজন হিচাপ*

এইদৰে, উপৰোক্ত দুয়োখন সাৰণিৰ পৰা দেখা গৈছে যে স্থানীয় নিকায়সমূহে উপলব্ধ পুঁজিসমুহ মুখ্য আঁচনিসমূহ ৰূপায়ণৰ বাবে ব্যৱহাৰ কৰিব পৰা নাছিল। এইটো সুচাই যে পি আৰ আই আৰু ইউ এল বি দুয়োটাতেই অবিৰাম সাংগঠনিক দুৰ্বলতা আছে। যিহেতু স্থানীয় চৰকাৰ বিভিন্ন আঁচনিৰ অধীনত শেষ মাইল সেৱা প্ৰদানকাৰী, সেইবাবে এই ধৰণৰ দুৰ্বলতা আৰু নিৰ্ধাৰিত আঁচনিমুলক পুঁজি ব্যৱহাৰত বিফলতা এটা চিন্তাৰ বিষয় আৰু ইয়াক প্ৰাধান্য ভিত্তিত সমাধান কৰিব লাগিব।

### 2.3.5 নিজা উৎসৰ পৰা আহৰণ কৰা ৰাজহ

নিজৰ উৎসৰ ৰাজহ সংগ্ৰহ স্থানীয় চৰকাৰসমূহৰ (উভয়ে পি আৰ আই-সমূহ আৰু ইউ এল বি-সমূহ) আৰ্থিক স্বাধীনতা আৰু স্বায়ত্তশাসনৰ প্ৰধান দৃষ্টিভংগীৰ অন্যতম। তলত দিয়া দুয়োখন সাৰণিয়ে 2018-23 সময়ছোৱাত পি আৰ আই-সমূহৰ আৰু ইউ এল বি-সমূহৰ ক্ষেত্ৰত নিজৰ উৎসৰ ৰাজহ সংগ্ৰহৰ বাৰ্ষিক লক্ষ্য আৰু প্ৰাপ্তিৰ ধাৰা দেখুৱাইছে।

**সাৰণী 13: পি আৰ আই-ৰ নিজৰ উৎসৰ পৰা আহৰণ কৰা ৰাজহ**

(কোটি টকাত)

| পি আৰ আই-ৰ নাম | সংখ্যা | 2018-2019 | | | 2019-20 | | | 2020-21 | | | 2021-22 | | | 2022-23 | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ% | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % |
| জিল পঞ্চায়ত/জিলা পঞ্চায়তসমূহ | 27 | 32.87 | 18.61 | 43.40 | 19.91 | 9.52 | 52.13 | 14.99 | 4.83 | 67.78 | 14.67 | 3.20 | 78.12 | 17.66 | 5.11 | 71.06 |
| ব্লক পঞ্চায়ত/ তালুকা পঞ্চায়তসমূহ | 185 | 20.20 | 13.85 | 31.44 | 17.98 | 11.47 | 36.21 | 14.31 | 8.30 | 42.00 | 13.37 | 7.34 | 45.10 | 11.85 | 5.51 | 53.50 |
| গ্ৰাম পঞ্চায়ত/ গাঁও পঞ্চায়ত | 2197 | 16.57 | 10.09 | 39.11 | 17.55 | 11.28 | 35.73 | 33.10 | 23.56 | 28.82 | 16.80 | 7.69 | 54.23 | 12.79 | 3.70 | 71.07 |
| **মুঠ** | **2415** | **69.64** | **42.55** | **38.91** | **55.44** | **32.27** | **41.77** | **62.40** | **36.69** | **41.20** | **44.84** | **18.23** | **59.32** | **42.30** | **14.32** | **66.15** |

*উৎস: চি পি আৰ ডি-ৰ দ্বাৰা প্ৰদান কৰা তথ্য।*

উপৰক্ত সাৰণিখনে স্পষ্টভাৱে দেখুৱাইছে যে, পি আৰ আই-সমূহৰ বিগত পাঁচ (5) বছৰত নিজৰ আয়ৰ লক্ষ্যসমূহ ধীৰে ধীৰে হ্ৰাস হৈছিল, তথাপি সেই লক্ষ্যসমূহ পূৰণ হোৱা নাছিল। ইয়াৰ পৰা ই সূচিত হয় যে অসমৰ এল জি-সমূহ ক্ৰমাগত বিত্তীয় আয়োগসমূহৰ দ্বাৰা নিৰ্ধাৰিত কৰা লক্ষ্যত উল্লেখযোগ্যভাৱে ব্যৰ্থ হৈছিল।

**সাৰণী 14: ইউ এল বি-ৰ নিজৰ উৎসৰ পৰা লাভ কৰা ৰাজহ**

(কোটি টকাত)

| ইউ এল বি-ৰ নাম | সংখ্যা | 2018-19 | | | 2019-20 | | | 2020-21 | | | 2021-22 | | | 2022-23 | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % | লক্ষ্য | প্ৰাপ্তি | ঘাটিৰ % |
| এম চি | 1 | এন এ | 92.89 | - | এন এ | 81.88 | - | এন এ | 96.08 | - | এন এ | 94.64 | - | এন এ | 59.49 | - |
| এম বি | 103 | 15.36 | 76.42 | - | 16.35 | 74.4 | - | 17.69 | 68.32 | - | 20.12 | 76.19 | - | 21.83 | 132.82 | - |
| **মুঠ** | **104** | | **169.31** | | | **156.28** | | | **164.4** | | | **170.83** | | | **192.31** | |

*উৎস: 103 টা ইউ এল বিৰ ভিতৰত 77 টা ইউ এল বি-য়ে প্ৰদান কৰা তথ্য, চি এণ্ড এ জি এল বি প্ৰতিবেদন*

নগৰীয়া স্থানীয় নিকায়সমূহৰ (ইউ এল বি সমূহৰ) নিজৰ উৎসৰ পৰা ৰাজহ আহৰণৰ লক্ষ্যসমূহ যোৱা পাঁচ বছৰৰ ভিতৰত অবাস্তৱভাৱে নিম্ন স্তৰত আছিল। এই লক্ষ্যসমূহ নিয়মীয়াভাৱে আৰু উল্লেখযোগ্যভাৱে অতিৰিক্ত পূৰণ কৰা হৈছিল, যাৰ অৰ্থ হৈছে ইউ এল বি-সমূহৰ নিজৰ উৎসৰ পৰা ৰাজহ বৃদ্ধিকৰিবলৈ আৰু চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰতা হ্ৰাস কৰিবলৈ ব্যৱহাৰিক পৰিকল্পনাৰ অভাৱ আছে।

### 2.3.6 ৰাজ্যিক বিত্তীয় আয়োগ অনুদানৰ স্থানান্তৰ

2018-2023 চনৰ সময়ছোৱাত এচ এফ চি-ৰ পৰামৰ্শ অনুসৰি পি আৰ আই-ক পুঁজিৰ স্থানান্তৰৰ লক্ষ্য আৰু সাফল্য তলত দিয়া সাৰণিত দেখুওৱা হৈছে:

**সাৰণী-15: পি আৰ আই-সমূহলৈ এছ এফ চি পুঁজিৰ স্থানান্তৰ**

(কোটি টকাত)

| ক্ৰ নং | বৰ্ষ | ৰাজ্য চৰকাৰৰ কৰ ৰাজহৰ শুদ্ধ আয় | হস্তান্তৰ কৰিবলগীয়া পুঁজি | পুঁজিৰ হস্তান্তৰ | ঘাটি/অধিক হস্তান্তৰ (শতাংশত) |
|---|---|---|---|---|---|
| 1 | 2018-19 | 15924.85 | 148.13 | 146.92 | 1.21(0.82) |
| 2 | 2019-20 | 16528.69 | 155.59 | 0.74 | 154.85(99.52) |
| 3 | 2020-21 | 17133.61 | 325.08 | 0 | 325.08(100) |
| 4 | 2021-22 | 19533.10 | 358.78 | 66.84 | 291.94(81.37) |
| 5 | 2022-23 | 24502.02 | 417.77 | 144.55 | 273.22(65.39) |
| | **মুঠ** | **93622.27** | **1405.35** | **359.05** | **1046.30(74.45)** |

উৎস: চি এণ্ড এ জি-ৰ ৰাজহ প্ৰতিবেদন; চি পি আৰ ডি-ৰ পৰা তথ্য

ৰাজ্যিক বিত্তীয় আয়োগৰ (এচ এফ চি) পৰামৰ্শ অনুসৰি পি আৰ আই-সমূহলৈ পুঁজিৰ মুকলি ধাৰাবাহিকভাৱে হ্ৰাস পাইছিল যি 2018-19ৰ পৰা 2022-23ৰ বাবে পৰামৰ্শিত স্থানান্তৰ আৰু প্ৰকৃত স্থানান্তৰৰ পৰা দেখা গৈছে। এইটো অসমৰ পি আৰ আইসমূহৰ মাজত কাৰ্যকৰী ক্ষমতাৰ হ্ৰাসৰ সূচক আৰু পি আৰ আই-ৰ বিত্তীয় সম্পদসমূহৰ প্ৰতি চৰকাৰে অগ্ৰাধিকাৰ নলোৱাৰ সূচক প্ৰদৰ্শন কৰে।

ইউ এল বি-সমূহলৈ পুঁজিৰ স্থানান্তৰৰ ক্ষেত্ৰতো একেই ঘাটি তলত দিয়াৰ দৰে পৰ্যবেক্ষণ কৰা হৈছে:

**সাৰণী- 16: ইউ এল বি-সমূহলৈ এছ এফ চি পুঁজিৰ স্থানান্তৰ**

(কোটি টকাত)

| ক্ৰ নং | বৰ্ষ | ৰাজ্য চৰকাৰৰ কৰ ৰাজহৰ শুদ্ধ আয় | হস্তান্তৰ কৰিবলগীয়া পুঁজি | পুঁজিৰ হস্তান্তৰ | ঘাটি/অধিক হস্তান্তৰ (শতাংশত) |
|---|---|---|---|---|---|
| 1 | 2018-19 | 15924.85 | 146.49 | 68.95 | 77.54 (47.07) |
| 2 | 2019-20 | 16528.69 | 198.20 | 109.98 | 88.22 (55.49) |
| 3 | 2020-21 | 17133.61 | 68.64 | 0.00 | 68.64 (0) |
| 4 | 2021-22 | 19533.10 | 123.14 | 39.50 | 83.64 (32.08) |
| 5 | 2022-23 | 24502.02 | 133.63 | 159.18 | -25.55 |
| **মুঠ** | | **93622.27** | **670.10** | **377.61** | **292.49(46.65)** |

উৎস: চি এণ্ড এ জি-ৰ ৰাজহ প্ৰতিবেদন, ডি এম এ

2018-19 পৰা 2021-22 বৰ্ষলৈ ৰাজ্যিক বিত্তীয় আয়োগসমূহৰ (এচ এফ চি-সমূহ) প্ৰস্তাৱৰ তুলনাত ইউ এল বি সমূহলৈ পুঁজিৰ মুকলি ধাৰাবাহিকভাৱে কম দেখা গৈছিল। 2022-23 চনৰ সময়চোৱাত অধিক মুকলিৰ বাবে উক্ত বিষয়টো সামান্য পৰিমাণে পুৰণ হৈছিল; অৱশ্যে, সামগ্ৰিকভাৱে কমকৈ মুকলি 47 শতাংশত ৰৈছিল। ইয়ে ইউ এল বি-ৰ বিত্তীয় সম্পদসমূহত চৰকাৰৰ দ্বাৰা কাৰ্যকৰী পৰ্যৱেক্ষণৰ অভাৱকে সূচাইছে ।

## 2.4 বিত্তীয় প্ৰতিবেদনৰ স্থিতি

স্থানীয় নিকায়সমূহৰ ভুমিকা আৰু দায়বদ্ধতা বৃদ্ধি হোৱা, ৰাজহুৱা ধন খৰচ কৰিবলগীয়া আৰু ইয়াৰ নথি পত্ৰ যথাসম্ভৱ যতন সহকাৰে ৰখাৰ প্ৰয়োজন। ক্ৰমাগতভাৱে কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্ত আয়োগে স্থানীয় চৰকাৰৰ নথিপত্ৰৰ ৰক্ষণাবেক্ষণত জৱাবদিহিতা আৰু স্বচ্ছতাৰ দিশটো প্ৰধানকৈ উল্লেখ কৰিছিল। বিত্তীয় নথিপত্ৰ আৰু প্ৰতিবেদন প্ৰণালীসমূহ ভালদৰে প্ৰতিষ্ঠিত আৰু কাৰ্যকৰী হোৱা পৰিস্থিতিতহে মনোযোগ লাভ কৰিব পৰা যাব।

### 2.4.1 পি আৰ আই-সমূহত বিত্তীয় প্ৰতিবেদনৰ স্থিতি:

অসম চৰকাৰে 2010 চনত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই)ৰ হিচাপ ৰক্ষণাবেক্ষণৰ বাবে মডেল একাউণ্টিং ষ্ট্ৰাকচাৰ (এম এ এছ) গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত এম এ এছ-ক একাউণ্টিং চফ্টৱেৰ পি আৰ আই এ চফ্ট (পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ একাউণ্টিং চফ্টৱেৰ)ত সংযুক্ত কৰা হয়, যিটো পঞ্চায়তী ৰাজ মন্ত্ৰালয়ে প্ৰস্তুত কৰা ই গ্ৰাম স্বৰাজ (2020) নামৰ চফ্টৱেৰৰ সৈতে একত্ৰিত কৰা হয়।

পি আৰ আই একাউণ্টৰ অৱস্থাৰ পৰ্যালোচনা কৰিলে দেখা যায় যে পি আৰ আই-য়ে এম এ এছ-ত আঠটা নিৰ্ধাৰিত প্ৰতিবেদনৰ ভিতৰত মাত্ৰ পাঁচটাহে সৃষ্টি কৰিছিল। এই প্ৰতিবেদনসমূহৰ ভিতৰত আছিল বাৰ্ষিক প্ৰাপ্তি আৰু ধন পৰিশোধ, সংহত বিমূৰ্ত পঞ্জী, মাহেকীয়া মিলন বিবৃতি, ইনভেন্টৰী আৰু চাহিদা পঞ্জী, সংগ্ৰহ আৰু উদ্বৃত্তৰ পঞ্জী। বাকী তিনিটা প্ৰতিবেদন- গ্ৰহণযোগ্য আৰু প্ৰদানযোগ্য ধনৰ পঞ্জী, স্থাৱৰ সম্পত্তিৰ পঞ্জী আৰু অস্থাৱৰ সম্পত্তিৰ পঞ্জীৰ অভাৱৰ বাবে -পি আৰ আইসমূহে নিজৰ সম্পত্তি আৰু দায়বদ্ধতাসমূহ ফলপ্ৰসূভাৱে নিৰীক্ষণ কৰাৰ ক্ষমতাত বাধাৰ সৃষ্টি কৰিছিল।

ইয়াৰ উপৰিও গাওঁ পঞ্চায়ত (জি পি) পৰ্যায়ত মূল হিচাপ-নিকাচৰ প্ৰবৃষ্টি মূলতঃ নূন্যতম হিচাপ-নিকাচৰ জ্ঞান থকা কৰ্মচাৰীয়ে সম্পন্ন কৰিছিল যাৰ ফলত ভুলৰ আশংকা বৃদ্ধি পাইছিল।

**সাৰণী-17: 31 মাৰ্চ 2023লৈকে পি আৰ আই-ৰ হিচাপ/ হিচাপ পৰীক্ষাৰ স্থিতি**

| ক্ৰ নং | পি আৰ আই প্ৰকাৰ | মুঠ পি আৰ আই | হিচাপ সম্পূৰ্ণ হোৱাৰ স্থিতি | | হিচাপ পৰীক্ষা স্থিতি | |
|---|---|---|---|---|---|---|
| | | | 2022-23 বিত্তীয় বৰ্ষলৈকে হিচাপ সম্পূৰ্ণ হোৱা পি আৰ আই-ৰ সংখ্যা | % সম্পূৰ্ণ | হিচাপ পৰীক্ষা সম্পূৰ্ণ হোৱা পি আৰ আই-ৰ সংখ্যা | % সম্পূৰ্ণ |
| 1 | জিলা পঞ্চায়ত/ জিলা পঞ্চায়ত | 27 | 27 | 100% | 22 | 81 |
| 2 | ব্লক পঞ্চায়ত/ তালুকা পঞ্চায়ত | 191 | 184 | 96.34% | 134 | 70 |
| 3 | গ্ৰাম পঞ্চায়ত/ গাঁও পঞ্চায়ত | 2197 | 2127 | 96.81% | 460 | 21 |
| | **মুঠ** | **2409** | **2338** | **97.71%** | **616** | **26** |

*উৎস: চি পি আৰ ডি, ডি এ এল এফ আৰু eGramSwaraj-ৰ প্ৰতিবেদন*

**চিত্ৰ তালিকা 2.6: পি আৰ আই-ৰ হিচাপ/ হিচাপ পৰীক্ষাৰ স্থিতি**




সম্প্ৰসাৰিত ভূমিকাৰ সৈতে বৰ্ধিত পুঁজি আৰু উচ্চ জবাবদিহিতাৰ সৈতে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে (পি আৰ আই) ৰাজহুৱা পুঁজিসমূহ পৰম অধ্যৱসায়েৰে পৰিচালনা আৰু নথিভুক্ত কৰিব বুলি আশা কৰা হৈছে। কিন্তু হিচাপ পৰীক্ষাত এনে কিছুমান দৃষ্টান্ত উন্মোচিত হৈছে য'ত বিশেষকৈ গ্ৰাম পঞ্চায়ত (জি পি) আৰু আঞ্চলিক পঞ্চায়তত (এ পি) স্তৰত বাৰ্ষিক হিচাপ প্ৰস্তুত কৰা হোৱা নাছিল। পি আৰ আই-ৰ তদাৰক কৰা প্ৰশাসনিক বিভাগৰ প্ৰতিবেদন অনুসৰি 2415টা পি আৰ আই-ৰ ভিতৰত মাত্ৰ 2,338টাইহে নিজৰ একাউণ্ট চূড়ান্ত কৰিবলৈ সক্ষম হৈছিল। তদুপৰি পি আৰ আই-ৰ প্ৰাথমিক হিচাপ পৰীক্ষকে 2,415টা পি আৰ আই-ৰ ভিতৰত 616টা ইউনিটৰ বাবেহে হিচাপ পৰীক্ষা সম্পূৰ্ণ কৰিছে যিটোৰ বাবে চৰকাৰৰ মনোযোগৰ প্ৰয়োজন।

অসমৰ পি এণ্ড আৰ ডি বিভাগৰ উপায়ুক্তই (অক্টোবৰ 2023) উল্লেখ কৰিছে যে এতিয়া পি আৰ আই-ৰ শেহতীয়া হিচাপ তৈয়াৰ কৰা হৈছে।

## 2.4.2 ইউ এল বি-ত বিত্তীয় প্ৰতিবেদনৰ স্থিতি

অসম চৰকাৰে মাৰ্চ 2011ত ৰাষ্ট্ৰীয় পৌৰ হিচাপ-নিকাচৰ হাতপুথি (এন এম এ এম) গ্ৰহণ কৰিছিল। এই হাতপুথিত এক্ৰুৱেল ভিত্তিক হিচাপ-নিকাচৰ ব্যাপক পদ্ধতি নগদ ধন ভিত্তিক হিচাপৰ তুলনাত নিৰ্ধাৰণ কৰা হৈছে। অৱশ্যে এন এম এ এম প্ৰৱৰ্তন হোৱাৰ পিছতো দুটা দশকৰো অধিক পূৰ্বে অসমৰ অধিকাংশ নগৰীয়া স্থানীয় নিকায়ে (উই এল বি) নগদ ধনৰ ভিত্তিত নিজৰ একাউণ্ট ৰক্ষণাবেক্ষণ অব্যাহত ৰাখিছে।

এন এম এ এম ৰূপায়ণত বাধাৰ সৃষ্টি কৰা প্ৰধান প্ৰত্যাহ্বানটো হ'ল বিশেষকৈ গৌণ ইউ এল বিসমূহৰ মাজত বিশেষজ্ঞতা আৰু সম্পদৰ অভাৱ। ৰাজ্যৰ ভিতৰত সকলো ইউ এল বি-ৰ বিত্তীয় বিৱৰণী একত্ৰিত কৰাৰ চেষ্টা কৰাৰ সময়ত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়।

পৌৰ প্ৰশাসনৰ সঞ্চালক (ডি এম এ)ৰ মতে (মে' 2023) মাত্ৰ কেইটামান ইউ এল বি-হে এক্ৰুৱেল ভিত্তিক ডাবল এণ্ট্ৰি একাউণ্টিং ব্যৱস্থালৈ পৰিৱৰ্তন হৈছে। কেন্দ্ৰীয় চৰকাৰে 15 নং বিত্ত আয়োগৰ অনুদানৰ সৈতে জড়িত তথ্য পৰিচালনাৰ বাবে চহৰৰ বিত্ত পৰ্টেল আৰম্ভ কৰাৰ বিপৰীতে ইউ এল বিসমূহে এতিয়াও নিজৰ ৰাজহৰ ধাৰা, আঁচনিৰ পুঁজি, আৰু ৰাজ্যিক বিত্ত আয়োগৰ আবণ্টনৰ বাবে এটা কেন্দ্ৰীভূত তথ্যকোষ (অক্টোবৰ 2023লৈকে) স্থাপন কৰিব পৰা নাছিল।

আই আৰ আৰু হিচাপ পৰীক্ষা প্ৰতিবেদনৰ জৰিয়তে এই হিচাপৰ অভাৱসমূহ আঙুলিয়াই দিয়াৰ বাবে ধাৰাবাহিক প্ৰচেষ্টা চলোৱাৰ পিছতো কোনো যথেষ্ট উন্নতি দেখা পোৱা নাই। এই অভাৱসমূহ দূৰ কৰিবলৈ স্থানীয় নিকায় আৰু ৰাজ্য চৰকাৰ উভয়ৰে বাবে সুনিৰ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰাটো অতি জৰুৰী।

**সাৰণী-18: 31 মাৰ্চ 2023লৈকে ইউ এল বি-ৰ হিচাপ/ হিচাপ পৰীক্ষাৰ স্থিতি**

| | উই এল বি-ৰ প্ৰকাৰ (মুঠ সংখ্যা) | 2022-23 বিত্তীয় বৰ্ষলৈকে হিচাপ সম্পূৰ্ণ হোৱাৰ স্থিতি | | হিচাপ পৰীক্ষাৰ স্থিতি | |
|---|---|---|---|---|---|
| | | হিচাপ সম্পূৰ্ণ হোৱা ইউ এল বি-ৰ সংখ্যা | % সম্পূৰ্ণ | হিচাপ পৰীক্ষা সম্পূৰ্ণ হোৱা ইউ এল বি-ৰ সংখ্যা | % সম্পূৰ্ণ |
| 1 | পৌৰ নিগম (1) | 1 | 100 | 1 | 100 |
| 2 | পৌৰসভা (103) | 28 | 27.18 | 73 | 70.87 |
| | **মুঠ** | **29** | **27.88** | **74** | **71.15** |

চিত্ৰ তালিকা 2.7: ইউ এল বি-ৰ হিচাপ/ হিচাপ পৰীক্ষাৰ স্থিতি




*উৎস: 77টা ইউ এল বি আৰু ডি এ এল এফ*

104টা ইউ এল বি-ৰ ভিতৰত দেখা গ'ল যে 29টা হিচাপ প্ৰস্তুত কৰা হৈছিল যদিও 74টা হিচাপৰ হিচাপ পৰীক্ষা সম্পূৰ্ণ কৰা হৈছিল। ইয়াৰ কাৰণ আছিল যে ইউ এল বিসমূহে হিচাপ প্ৰস্তুত নকৰাৰ পিছতো ইউ এল বিসমূহৰ হিচাপ পৰীক্ষা ডি এ এল এফে কৰিছিল। তদুপৰি ডি এ এল এফে কোনো হিচাপ পৰীক্ষা প্ৰমাণপত্ৰ প্ৰদান কৰা নাই।

## 2.5 ৰাজ্যিক বিত্ত আয়োগসমূহৰ পৰামৰ্শসমূহ (এছ এফ চি) :

হস্তান্তৰণৰ সৈতে জড়িত পৰামৰ্শৰ উপৰিও এছ এফ চি-য়ে কেইবাটাও প্ৰতিষ্ঠানিক ব্যৱস্থাৰ পৰামৰ্শ দিছে যিয়ে দীৰ্ঘম্যাদীভাৱে পি আৰ আই/ ইউ এল বি-ক শক্তিশালী কৰিব। চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাকী থকা পৰামৰ্শসমূহৰ এখন চিত্ৰকল্প **সাৰণী 19** উল্লেখ কৰা হৈছে।

**সাৰণী 19: এছ এফ চি ভিত্তিক গুৰুত্বপূৰ্ণ পৰামৰ্শ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা সেইসমূহৰ অনুপালন**

| এছ এফ চি | পৰামৰ্শসমূহ | চৰকাৰৰ দ্বাৰা লোৱা পদক্ষেপ |
|---|---|---|
| প্ৰথম | সম্পত্তি কৰৰ বৰ্তমানৰ পদ্ধতিৰ পৰিৱৰ্তন, খালী মাটিৰ ওপৰত কৰ আৰোপ কৰা, জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন স্থানীয় নিকায়লৈ হস্তান্তৰ কৰা আৰু শুল্ক আয়োগ গঠন কৰা | এই পৰামৰ্শসমূহ গ্ৰহণ কৰা হ'ল যদিও কাৰ্যকৰী নহ'ল। |
| দ্বিতীয় | সম্পদ বৃদ্ধিৰ বাবে পৰামৰ্শ, বিল্ডিঙৰ অনুমতি প্ৰদান কৰা বিষয়টোত দ্বৈত কৰ্তৃত্বৰ অন্ত পেলোৱা, স্থানীয় নিকায়সমূহৰ বাবে পৃথক দৰমহাৰ গাঁথনি, স্থানীয় সংস্থাসমূহৰ দ্বাৰা সম্পত্তি ৰক্ষণাবেক্ষণৰ বাবে পৃথক নীতি আৰু ডাটা বেংক সৃষ্টি | এই পৰামৰ্শসমূহ গ্ৰহণ কৰা হ'ল যদিও কাৰ্যকৰী নহ'ল। |

| এছ এফ চি | পৰামৰ্শসমূহ | চৰকাৰৰ দ্বাৰা লোৱা পদক্ষেপ |
|---|---|---|
| তৃতীয় | (1) সম্পত্তি কৰ সংগ্ৰহ বাৰ্ষিক ভাড়া মূল্য পদ্ধতিৰ পৰা ইউনিট এলেকা পদ্ধতিলৈ সলনি কৰা হ'ব,<br>(2) চিলিং সীমাৰ পৰিৱৰ্তে ফ্ল'ৰেট ভিত্তিক কৰ,<br>(3) নিৰ্মাণৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত দ্বৈত কৰ্তৃত্ব সমাপ্ত কৰা,<br>(4) স্থানীয় নিকায়ৰ কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণৰ ব্যৱস্থা ইত্যাদি সমাপ্ত কৰা। | পঞ্চায়ত কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ ব্যৱস্থা সমাপ্ত কৰাৰ বাহিৰে এই সকলোবোৰ পৰামৰ্শ গ্ৰহণ কৰা হ'ল।<br>অৱশ্যে, পৰামৰ্শসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী নহ'ল। |
| চতুৰ্থ | (1) অন্যান্য পৰামৰ্শৰ উপৰিও চতুৰ্থ এ এছ এফ চিয়ে পঞ্চায়ত আৰু পৌৰসভাৰ কৰ্মচাৰীসকলৰ বাবে সংশ্লিষ্ট দৰমহাৰ স্কেলৰ সৈতে উপযুক্ত কৰ্মচাৰীৰ আৰ্হিৰ পৰামৰ্শ দিছিল।<br>(2) ই পি আৰ আই-ৰ কৰ্মচাৰীসকলক প্ৰাদেশিকীকৰণৰ বৰ্তমানৰ প্ৰথাৰ বিৰুদ্ধেও পৰামৰ্শ দিছিল যাতে জনশক্তিৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ পি আৰ আই-ৰ নিৰ্বাচিত প্ৰতিনিধিৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। | সংশ্লিষ্ট দৰমহাৰ স্কেল থকা পি আৰ আই আৰু ইউ এল বি-ৰ কৰ্মচাৰীৰ আৰ্হি সম্পৰ্কীয় পৰামৰ্শ জি অ'-এ-ৰ নিজ নিজ বিভাগে প্ৰস্তাৱ কৰিছে যদিও বিত্ত বিভাগে অনুমোদন প্ৰদান কৰা নাই।<br>ওপৰৰ পৰামৰ্শৰ বিপৰীতে ৰাজ্য চৰকাৰে পঞ্চায়ত কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰাদেশিকীকৰণ অব্যাহত থাকিব বুলি সিদ্ধান্ত লৈ ইউ এল বি-ৰ কৰ্মচাৰীসকলকো প্ৰাদেশিকীকৰণৰ প্ৰস্তাৱ আগবঢ়ায়। |
| পঞ্চম | ইউ এল বি-ৰ ন'ডেল বিভাগসমূহে নগৰ এলেকাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে আৰু ইয়াক সামগ্ৰিকভাৱে জিলাখনৰ উন্নয়ন পৰিকল্পনাৰ সৈতে একত্ৰিত কৰাৰ বাবে নিৰ্দেশনা প্ৰদান কৰিব লাগে। | নগৰীয়া অঞ্চলৰ পৰিকল্পনাৰ বাবে নিৰ্দেশনা আৰু এই পৰিকল্পনাসমূহক সামগ্ৰিকভাৱে জিলাখনৰ উন্নয়নমূলক পৰিকল্পনাৰ সৈতে একত্ৰিত কৰাটো এতিয়াও হোৱা নাই। |
| ষষ্ঠ | (1) আয়োগে এল বিসমূহক স্বায়ত্ত শাসন প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলিবলৈ '3এফ' অৰ্থাৎ পুঁজি, কাৰ্য্য আৰু বিষয়ববীয়াসকলক আনুষ্ঠানিকভাৱে আৰু ভাল মনোভাৱেৰে বিভক্ত কৰাৰ পৰামৰ্শ দিছিল।<br>(2) আয়োগে ৰাজ্যিক কৰৰ নিকা উপাৰ্জনৰ গড়ে 7.8 শতাংশ স্থানীয় নিকায়সমূহলৈ হস্তান্তৰ কৰাৰ পৰামৰ্শ দিছিল, যিটো পূৰ্বৰ আয়োগে পৰামৰ্শ দিয়া 14 শতাংশতকৈ কম। | এই পৰামৰ্শসমূহ যদিও গ্ৰহণ কৰা হৈছিল, আজিলৈকে কাৰ্যকৰী হোৱা নাছিল।<br>কিন্তু 2018-2023 চনৰ ভিতৰত এছ এফ চি-য়ে হস্তান্তৰ কৰিবলৈ পৰামৰ্শ দিয়া ধনৰ তুলনাত পি আৰ আই (74%) আৰু ইউ এল বি (47%) দুয়োটাকে পুঁজি মুকলি কৰাৰ ক্ষেত্ৰত নিৰন্তৰ অভাৱ দেখা গৈছিল (সাৰণী 15 আৰু 16)। |

ওপৰৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিলে 73 আৰু 74 সংখ্যক সাংবিধানিক সংশোধনী আইন (চি এ এ)ৰ লক্ষ্যসমূহ বাস্তৱায়িত কৰাত যথেষ্ট অৰিহণা যোগালেহেঁতেন। ইয়াৰ উপৰিও স্থানীয় শাসনৰ প্ৰতিষ্ঠানসমূহ অৰ্থপূৰ্ণভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে হস্তান্তৰণৰ লগতে প্ৰতিষ্ঠানিক বিষয়সমূহৰ সৈতে জড়িত এছ এফ চি-ৰ পৰামৰ্শসমূহ অতি সোনকালে কাৰ্যকৰী কৰিব লাগে।

ইয়াৰ উপৰিও দেখা গ'ল যে এছ এফ চি-ৰ পুঁজিৰ বাবে বাজেট ব্যৱস্থাৰ তুলনাত নিৰন্তৰভাৱে কম পুঁজি মুকলি হৈ আছে।

**সাৰণী-20: ৰাজ্যিক বাজেটৰ পৰা পি আৰ আই-লৈ এছ এফ চি-ৰ ধন আবণ্টন**

(কোটি টকাত)

| ক্ৰ নং | বিত্তীয় বৰ্ষ | বাজেট ব্যৱস্থা | | পি আৰ আই-লৈ মুকলি | কম (-)/ অতিৰিক্ত (+) | ব্যয় |
|---|---|---|---|---|---|---|
| | | মূল | সংশোধিত | | | |
| 1 | 2018-19 | 164.85 | 164.93 | 146.92 | -18.01 | 146.92 |
| 2 | 2019-20 | 245.55 | 252.26 | 0.74 | -251.52 | 0.74 |
| 3 | 2020-21 | 350.55 | 357.18 | 0 | -357.18 | 0 |
| 4 | 2021-22 | 349.84 | 349.84 | 66.84 | -283.00 | 66.84 |
| 5 | 2022-23 | 301.10 | 301.10 | 144.55 | -156.55 | 144.55 |
| | **মুঠ** | **1411.89** | **1425.31** | **359.05** | **-1066.26** | **359.05** |

*উৎস: চি পি আৰ ডি-ৰ পৰা প্ৰাপ্ত তথ্য*

**সাৰণী-21: ৰাজ্যিক বাজেটৰ পৰা ইউ এল বি-লৈ এছ এফ চি-ৰ পুঁজি আবণ্টন**

(কোটি টকাত)

| ক্ৰ নং | বিত্তীয় বৰ্ষ | বাজেট ব্যৱস্থা | | পি আৰ আই-লৈ মুকলি | কম (-)/ অতিৰিক্ত (+) | ব্যয় |
|---|---|---|---|---|---|---|
| | | মূল | সংশোধিত | | | |
| 1 | 2018-19 | 146.49 | 146.49 | 68.95 | -77.53 | 68.95 |
| 2 | 2019-20 | 198.20 | 199.20 | 109.99 | -89.22 | 109.99 |
| 3 | 2020-21 | 68.64 | 68.64 | নাই | -68.64 | 0 |
| 4 | 2021-22 | 123.14 | 123.14 | 39.5 | -83.64 | 39.5 |
| 5 | 2022-23 | 133.63 | 232.32 | 159.18 | -73.15 | 159.18 |
| | মুঠ | 670.10 | 769.79 | 377.62 | -392.18 | 377.61 |

উৎস: ডি এম এ-ৰ পৰা প্ৰাপ্ত তথ্য

দেখা যাব যে চি পি আৰ ডি আৰু ডি এম এ দুয়োটাই পি আৰ আই/ ইউ এল বিসমূহলৈ আৱন্টিত কৰা সম্পূৰ্ণ পৰিমান ব্যয় কৰা বুলি প্ৰতিবেদন দিছে।

পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (ইউ এল বি) উভয়লৈ বাধ্যতামূলকভাৱে হস্তান্তৰ কৰিবলগীয়া ৰাজ্যিক বিত্ত আয়োগৰ (এছ এফ চি) পুঁজি ধাৰাবাহিকভাৱে কমকৈ মুকলি কৰি দিয়াটোৱে চৰকাৰৰ তৃতীয় স্তৰ হিচাপে ফলপ্ৰসূভাৱে কাম কৰিবলৈ পি আৰ আই/ ইউ এল বিসমূহক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা জৰুৰীতাৰ অভাৱৰ ইংগিত দিয়ে।

## 2.6 কেন্দ্ৰীয় বিত্ত আয়োগ (চি এফ চি)ৰ পৰামৰ্শ

স্থানীয় নিকায়সমূহৰ সম্পদৰ পৰিপূৰক হিচাপে ৰাজ্যৰ সমন্বিত পুঁজি বৃদ্ধি কৰিবলৈ চি এফ চিসমূহে ভাৰতীয় সংবিধানৰ 275 নং অনুচ্ছেদৰ অধীনত সহায়ক অনুদানৰ পৰামৰ্শ আগবঢ়ায়। 14তম এফ চি-য়ে ইউ এল বিসমূহক ডিভাইজেবল পুল একাউন্টৰ শতাংশ হিচাপে জেনেৰেল বেচিক গ্ৰাণ্ট আৰু জেনেৰেল পাৰফৰমেন্স গ্ৰাণ্ট[4]ৰ পৰামৰ্শ দিছিল।

15তম বিত্ত আয়োগে (2021-2026) গ্ৰাম্য আৰু নগৰীয়া স্থানীয় নিকায়ত শ্ৰেণীভুক্ত স্থানীয় নিকায়সমূহলৈ অনুদানৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰিও ইয়াত প্ৰদৰ্শন ভিত্তিক অনুদানৰ পৰামৰ্শ দিয়া হৈছিল যাৰ লক্ষ্য আছিল তৃণমূল পৰ্যায়ত স্বাস্থ্য খণ্ডৰ উন্নতি।

এই অনুদানসমূহ 14তম এফ চি-য়ে নিৰ্ধাৰণ কৰা কিছুমান মাপকাঠী পূৰণৰ অধীনত আছিল, য'ত আছিল সঠিক হিচাপৰ বহী ৰক্ষণাবেক্ষণ কৰা, নিজৰ ৰাজহৰ বাৰ্ষিক বৃদ্ধি আৰু মূল মৌলিক সেৱা প্ৰদানৰ ক্ষেত্ৰত সেৱা পৰ্যায়ৰ মাপকাঠী লাভ কৰা।

**সাৰণী-22: পি আৰ আই-লৈ কেন্দ্ৰীয় বিত্ত আয়োগৰ ধন আবণ্টন**

(কোটি টকাত)

| ক্ৰ নং | বিত্তীয় বৰ্ষ | জেনেৰেল বেচিক গ্ৰান্ট | | জেনেৰেল পাৰফ'ৰমেন্স গ্ৰান্ট | | মুঠ | | কম (-)/ অতিৰিক্ত(+) | ব্যয় |
|---|---|---|---|---|---|---|---|---|---|
| | | অনুমোদিত | প্ৰাপ্ত | অনুমোদিত | প্ৰাপ্ত | অনুমোদিত | প্ৰাপ্ত | | |
| 1 | 2018-19 | নাই | নাই | নাই | নাই | 121.88 | 121.88 | 0 | 121.88 |
| 2 | 2019-20 | নাই | নাই | নাই | নাই | 164.11 | 164.11 | 0 | 164.11 |
| 3 | 2020-21 | 668.56 | 668.56 | 668.56 | 668.56 | 1337.12 | 1337.12 | 0 | 2.10 |
| 4 | 2021-22 | 593.2 | 593.2 | 395.46 | 395.46 | 988.66 | 988.66 | 0 | 233.62 |
| 5 | 2022-23 | 614.2 | 614.2 | 409.5 | 409.5 | 1023.7 | 1023.7 | 0 | 898.09 |

*উৎস: চি পি আৰ ডি-ৰ পৰা প্ৰাপ্ত তথ্য*

[4] 14তম এফ চি-ৰ দ্বাৰা নিৰ্ধাৰিত মাপকাঠী পূৰণৰ অধীনত যেনে, একাউণ্টৰ সঠিক বহী ৰক্ষণাবেক্ষণ কৰা, নিজৰ ৰাজহৰ বাৰ্ষিক বৃদ্ধি দেখুওৱা আৰু মূল মৌলিক সেৱা প্ৰদানৰ ক্ষেত্ৰত সেৱা স্তৰৰ মানদণ্ড লাভ কৰা

পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানসমূহে (পি আৰ আই) নিজৰ স্থানীয় অঞ্চলসমূহৰ উন্নয়নৰ বাবে উপলব্ধ নিৰ্ধাৰিত ধন (2018-19 আৰু 2019-20 চনৰ বাহিৰে) ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাছিল যিটো ওপৰৰ সাৰণীত দেখুওৱা হৈছে। এই পৰিস্থিতিয়ে এনে ব্যৱস্থাগত বিষয়সমূহ উজ্বল কৰি তোলে যিবোৰে চৰকাৰে ক্ষিপ্ৰ সংশোধনী ব্যৱস্থা ৰূপায়ণৰ বাবে সমালোচনাত্মক পৰ্যালোচনাৰ প্ৰয়োজনীয়তা প্ৰদান কৰে যাতে পি আৰ আইসমূহে অত্যাৱশ্যকীয় আৰ্থ-সামাজিক সেৱা প্ৰদান কৰিবলৈ উপলব্ধ ধনৰ ফলপ্ৰসূ ব্যৱহাৰ কৰিব পাৰে।

**সাৰণী-23: ইউ এল বি-ৰ কেন্দ্ৰীয় বিত্ত আয়োগৰ পুঁজি আবণ্টন**

(কোটি টকাত)

| ক্ৰ নং | বিত্তীয় বৰ্ষ | জেনেৰেল বেচিক গ্ৰান্ট | | জেনেৰেল পাৰফ'ৰমেন্স গ্ৰান্ট | | মুঠ | | কম (-)/ অতিৰিক্ত(+) | ব্যয় |
|---|---|---|---|---|---|---|---|---|---|
| | | অনুমোদিত | প্ৰাপ্ত | অনুমোদিত | প্ৰাপ্ত | অনুমোদিত | প্ৰাপ্ত | | |
| 1 | 2018-19 | 34.29 | 34.29 | নাই | নাই | 34.29 | 34.29 | 0 | 34.29 |
| 2 | 2019-20 | 189.80 | 189.80 | নাই | নাই | 189.80 | 189.80 | 0 | 189.80 |
| 3 | 2020-21 | 250.2 | 250.2 | নাই | নাই | 250.2 | 250.2 | 0 | 250.2 |
| 4 | 2021-22 | 345.04 | 345.04 | নাই | নাই | 345.04 | 345.04 | 0 | 345.04 |
| 5 | 2022-23 | 770.85 | 770.85 | নাই | নাই | 770.85 | 770.85 | 0 | 770.85 |

উৎস: *ডি এম এ*

ভাৰত চৰকাৰে জেনেৰেল পাৰফ'ৰমেন্স গ্ৰান্ট মুকলি কৰা নাছিল কাৰণ এফ চি-য়ে নিৰ্ধাৰণ কৰা কৰ্মক্ষমতাৰ মাপকাঠী ইউ এল বিসমূহে পূৰণ কৰিব পৰা নাই যেনে নিজৰ ৰাজহৰ বাৰ্ষিক বৃদ্ধিৰ সঠিক হিচাপৰ বহী ৰখা আৰু মূল মৌলিক সেৱাসমূহৰ মানদণ্ড লাভ কৰা।

**সাৰণী-24: পি আৰ আই-ৰ দ্বাৰা চি এফ চি অনুদানৰ ব্যৱহাৰৰ স্থিতি**

(কোটি টকাত)

| বৰ্ষ | পি আৰ আই-লৈ মুকলি কৰা অনুদান | প্ৰাপ্ত কৰা ইউ চি | | বকেয়া ইউ চি | |
|---|---|---|---|---|---|
| | | পৰিমান | শতাংশ | পৰিমান | শতাংশ |
| 2018-19 | 121.88 | 121.88 | 100.00 | 0 | 0 |
| 2019-20 | 164.11 | 164.11 | 100.00 | 0 | 0 |
| 2020-21 | 1337.12 | 2.10 | 0.16 | 1335.02 | 99.84 |
| 2021-22 | 988.66 | 233.62 | 23.53 | 756.04 | 76.47 |
| 2022-23 | 1023.68 | 898.09 | 87.73 | 125.59 | 12.27 |

উৎস: *চি পি আৰ ডি*

**সাৰণী-25: ইউ এল বি-ৰ চি এফ চি অনুদানৰ ব্যৱহাৰৰ স্থিতি**

(কোটি টকাত)

| বৰ্ষ | ইউ এল বি-লৈ মুকলি কৰা অনুদান | প্ৰাপ্ত কৰা ইউ চি | | বকেয়া ইউ চি | |
|---|---|---|---|---|---|
| | | পৰিমান | শতাংশ | পৰিমান | শতাংশ |
| 2018-19 | 34.29 | 33.82 | 98.63 | 0.47 | 1.37 |
| 2019-20 | 189.8 | 174.78 | 92.09 | 15.02 | 7.91 |
| 2020-21 | 250.2 | 116.07 | 46.39 | 134.13 | 53.61 |
| 2021-22 | 345.04 | 186.04 | 53.92 | 159 | 46.08 |
| 2022-23 | 770.85 | 451.4 | 58.56 | 319.45 | 41.44 |

উৎস: *ডি এম এ-ৰ পৰা প্ৰাপ্ত তথ্য।*

এইদৰে 2020-23 চনৰ ভিতৰত পি আৰ আই-ৰ পৰা 12.27%ৰ পৰা 99.84%ৰ ভিতৰত বকেয়া ইউ চি আছিল, আনহাতে ইউ এল বি-ৰ বাবে 2018-23 চনৰ ভিতৰত বকেয়াৰ শতাংশ 1.37%ৰ পৰা 53.61%ৰ ভিতৰত আছিল। ইউ

চি-ৰ অনুপস্থিতিত বিভাগসমূহে অনুদানসমূহ যি উদ্দেশ্যৰ বাবে দিয়া হৈছিল, সেই উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিছিল নে নাই সেইটো বিভাগসমূহে কেনেকৈ নিশ্চিত কৰিছিল সেয়া স্পষ্ট নাছিল। পৰৱৰ্তী কিস্তিৰ মুক্তি পূৰ্বৰ ধনৰ ব্যৱহাৰৰ সৈতে জড়িত কৰিব পাৰে যাতে জবাবদিহিতা আৰু ধনৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰিব পৰা যায়।

## 2.6.1 পি আৰ আই আৰু পৌৰসভাৰ কাৰ্য্যসমূহৰ স্বয়ংক্ৰিয়কৰণৰ পৰিসৰ

**পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই):**

- **সীমিত স্বয়ংক্ৰিয়কৰণ:** হিচাপ প্ৰস্তুত কৰাৰ বাবে পি আৰ আইসমূহে কোনো নিৰ্দিষ্ট একাউণ্টিং চফ্‌টৱেৰ ব্যৱহাৰ নকৰে।
- **মেনুৱেল প্ৰক্ৰিয়া:** পি আৰ আই-য়ে কোনো একাউণ্টিং চফ্‌টৱেৰ ব্যৱহাৰ কৰি একাউণ্ট বা বাজেট প্ৰস্তুত নকৰে ইয়াৰ পৰিৱৰ্তে তেওঁলোকে মেনুৱেল প্ৰক্ৰিয়া অব্যাহত ৰখাৰ আশ্ৰয় লয়।
- **অসম্পূৰ্ণ প্ৰতিবেদন:** মডেল একাউণ্টিং ষ্ট্ৰাকচাৰে (এম এ এছ) আঠটা প্ৰতিবেদন নিৰ্ধাৰণ কৰাৰ পিছতো পি আৰ আই সমূহে মাত্ৰ পাঁচটা প্ৰতিবেদনহে সৃষ্টি কৰে (বাৰ্ষিক প্ৰাপ্তি আৰু পৰিশোধ, সংহত বিমূৰ্ত পঞ্জী, মাহেকীয়া মিলন বিবৃতি, ইনভেণ্টৰী, আৰু চাহিদা পঞ্জী, সংগ্ৰহ আৰু উদ্বৃত্তৰ পঞ্জী।
- **মূল প্ৰতিবেদনৰ অভাৱ:** পি আৰ আইসমূহে ফলপ্ৰসূ বিত্তীয় ব্যৱস্থাপনাৰ বাবে গুৰুত্বপূৰ্ণ প্ৰতিবেদন যথা গ্ৰহণযোগ্য আৰু প্ৰদানযোগ্য পঞ্জী, অস্থাৱৰ সম্পত্তিৰ পঞ্জী আৰু স্থাৱৰ সম্পত্তিৰ পঞ্জী আদি সৃষ্টি কৰাত ব্যৰ্থ হয়।

**নগৰীয়া স্থানীয় নিকায় (ইউ এল বি):**

- **প্ৰধানকৈ নগদ ধন ভিত্তিক একাউণ্টিং:** মে’ 2023লৈকে বেছিভাগ ইউ এল বি-য়ে নগদ ধন ভিত্তিক হিচাপ ব্যৱস্থা ব্যৱহাৰ কৰি আহিছে।
- **সীমিত এক্ৰুৱেল-ভিত্তিক পদ্ধতি গ্ৰহণ:** মাত্ৰ কেইটামান ইউ এল বি-য়েহে অধিক ব্যাপক এক্ৰুৱেল-ভিত্তিক ডাবল-এণ্ট্ৰি একাউণ্টিং ব্যৱস্থা ৰূপায়ণ কৰিছে।
- **কেন্দ্ৰীভূত তথ্যকোষত ব্যৱধান:** কেন্দ্ৰীয় চৰকাৰে 15 নং বিত্ত আয়োগৰ অনুদানৰ তথ্যৰ বাবে *cityfinance.in* পৰ্টেল আৰম্ভ কৰাৰ সময়তে, ইউ এল বিসমূহে নিজৰ ৰাজহ, আঁচনিৰ ধন, আৰু ৰাজ্যিক আবণ্টনৰ বাবে কেন্দ্ৰীভূত তথ্যকোষ স্থাপন কৰা নাই (অক্টোবৰ 2023লৈকে)।

সামগ্ৰিকভাৱে অসমত পি আৰ আই আৰু পৌৰসভাৰ কাম-কাজৰ স্বয়ংক্ৰিয়কৰণ যথেষ্ট সীমিত যেন লাগে। পি আৰ আই আৰু ইউ এল বি দুয়োটাই মেনুৱেল প্ৰক্ৰিয়াৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ, যাৰ ফলত স্বচ্ছতা আৰু দক্ষ বিত্তীয় ব্যৱস্থাপনাত বাধাৰ সৃষ্টি হয়।

## 2.6.2 আভ্যন্তৰীণ আৰু বাহ্যিক হিচাপ পৰীক্ষা ব্যৱস্থা

### (A) বাহ্যিক হিচাপ পৰীক্ষা: প্ৰাথমিক হিচাপ পৰীক্ষক

অসম স্থানীয় পুঁজি (হিচাপ আৰু হিচাপ পৰীক্ষা) আইন 1930ৰ অধীনত স্থাপিত অসমৰ হিচাপ পৰীক্ষা, স্থানীয় পুঁজি (ডি এ এল এফ)ৰ সঞ্চালকে ৰাজ্যৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (উই এল বি)ৰ সকলো স্তৰৰ বাবে প্ৰাথমিক হিচাপ পৰীক্ষক হিচাপে কাম কৰে। সঞ্চালকালয়ৰ দায়িত্ব:

- জিলা পৰ্যায়ত হিচাপ পৰীক্ষা সম্পন্ন কৰিবলৈ এজন সহকাৰী সঞ্চালকৰ নেতৃত্বত 20টাকৈ চক্ৰ কাৰ্যালয়ৰ সহায়ত স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা কৰা।
- ৰাজ্যিক বিধানসভাত দাখিলৰ বাবে বিত্ত বিভাগত হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিলৰ সুবিধা প্ৰদান কৰা।

এনে হিচাপ পৰীক্ষা অসম অডিট মেনুৱেল, লগতে চৰকাৰে সময়ে সময়ে জাৰি কৰা প্ৰাসংগিক চৰকাৰী নিয়ম আৰু সংশোধনী অনুসৰি কৰিব লাগিব।

**(B) প্ৰাথমিক হিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষাৰ স্থিতি:**

2018-19 চনৰ পৰা 2022-23 চনৰ ভিতৰত ডি এ এল এফে পি আৰ আই-ৰ বাবে যথেষ্ট হিচাপ পৰীক্ষা বকেয়া লক্ষ্য কৰিছিল, যিটো 50.68ৰ পৰা 58.73 শতাংশৰ ভিতৰত আছিল, এই সন্দৰ্ভত **সাৰণী 26**ত বিতংভাৱে উল্লেখ কৰা হৈছে:

**সাৰণী 26: পি আৰ আই-ৰ ক্ষেত্ৰত ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত পি আৰ আই ইউনিটসমূহৰ কভাৰেজ**

| বৰ্ষ | হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউনিটৰ সংখ্যা | হিচাপ পৰীক্ষা কৰা ইউনিটৰ সংখ্যা | ঘাটি (শতাংশ) |
|---|---|---|---|
| 2018-19 | 1,386 | 613 | 773 (55.77) |
| 2019-20 | 1,105 | 471 | 634 (57.37) |
| 2020-21 | 1,031 | 501 | 530 (51.40) |
| 2021-22 | 1,105 | 545 | 560 (50.68) |
| 2022-23 | 1,105 | 456 | 649 (58.73) |

*উৎস: ডি এ এল এফ, অসম-ৰ পৰা প্ৰাপ্ত তথ্য।*

2018-23ৰ সময়ছোৱাত ডি এ এল এফ-ৰ দ্বাৰা ইউ এল বিসমূহৰ হিচাপ পৰীক্ষাত 41ৰ পৰা 74 শতাংশৰ বকেয়া আছিল, যাৰ বিৱৰণ তলৰ **সাৰণী 27**ত দিয়া হৈছে:

**সাৰণী 27: ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউ এল বিসমূহৰ ক'ভাৰেজ**

| বৰ্ষ | হিচাপ পৰীক্ষাৰ বাবে পৰিকল্পিত ইউনিটৰ সংখ্যা | হিচাপ পৰীক্ষা কৰা ইউনিটৰ সংখ্যা | হ্ৰাস (শতাংশ) |
|---|---|---|---|
| 2018-19 | 74 | 44 | 30 (41) |
| 2019-20 | 69 | 31 | 38 (55) |
| 2020-21 | 69 | 37 | 32 (46) |
| 2021-22 | 57 | 15 | 42 (74) |
| 2022-23 | 57 | 31 | 26 (46) |

*উৎস: ডি এ এল এফ, অসম-ৰ পৰা প্ৰাপ্ত তথ্য*

ওপৰৰ সাৰণীখনে দেখুৱাইছে যে 2018-19 চনৰ পৰা 2022-23 চনলৈকে ডি এ এল এফ-ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ কভাৰেজৰ ক্ষেত্ৰত 41 শতাংশৰ পৰা 74 শতাংশলৈকে ধাৰাবাহিকভাৱে অভাৱ ঘটিছিল।

ডি এল এফে হিচাপ পৰীক্ষা কভাৰেজৰ অভাৱৰ কাৰণ অপৰ্যাপ্ত হিচাপ পৰীক্ষা কৰ্মচাৰী আৰু চৰকাৰে বিশেষ হিচাপত হিচাপ পৰীক্ষা কৰ্মীক অস্থায়ীভাৱে নিযুক্তি দিয়া বুলি কয়। পৰ্যাপ্ত হিচাপ পৰীক্ষা কভাৰেজৰ অভাৱে স্থানীয় নিকায়সমূহৰ জবাবদিহিতা ব্যৱস্থাৰ সৈতে আপোচ কৰিছে।

**(C) ডি এ এল এফ-ৰ দ্বাৰা বাৰ্ষিক সংহত হিচাপ পৰীক্ষা প্ৰতিবেদন প্ৰস্তুত আৰু দাখিলৰ স্থিতি:**

অসম হিচাপ পৰীক্ষা মেনুৱেলৰ অনুচ্ছেদ 101(i) অনুসৰি ডি এ এল এফে প্ৰতি বছৰে 30 ছেপ্টেম্বৰৰ ভিতৰত বিত্ত বিভাগক বাৰ্ষিক সমন্বিত হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিল কৰিব লাগিব য'ত স্থানীয় নিকায়সমূহৰ সৈতে জড়িত হিচাপ পৰীক্ষা আপত্তিসমূহ সন্নিবিষ্ট কৰা হৈছে যিবোৰ বিত্ত বিভাগৰ দ্বাৰা অধিক ব্যৱস্থা গ্ৰহণৰ বাবে নিষ্পত্তিৰ বাবে বাকী আছে।

2010-11 চনৰ পৰা 2020-21 চনলৈকে সংহত হিচাপ পৰীক্ষা প্ৰতিবেদন দাখিলৰ অৱস্থা তলৰ **সাৰণী 28**ত দেখুওৱা হৈছে:

**সাৰণী 28: ডি এ এল এফে জি অ' এ-লৈ দাখিল কৰা সংহত হিচাপ পৰীক্ষা প্ৰতিবেদন**

| ক্ৰ নং | কোন বৰ্ষৰ হিচাপ পৰীক্ষা প্ৰতিবেদন | চৰকাৰক দাখিল কৰা হৈছে | বিধানসভাৰ ওচৰত দাখিল কৰা হৈছে |
|---|---|---|---|
| 1 | 2010-11 আৰু 2011-12 | 21 মাৰ্চ 2013 | 10 ফেব্ৰুৱাৰী 2014 |
| 2 | 2012-13 আৰু 2013-14 | 07 ডিচেম্বৰ 2014 | 19 ডিচেম্বৰ 2014 |
| 3 | 2014-15 | 13 নৱেম্বৰ 2015 | 04 ফেব্ৰুৱাৰী 2016 |
| 4 | 2015-16 আৰু 2016-17 | 30 অক্টোবৰ 2021 | 12 ছেপ্তেম্বৰ 2022 |
| 5 | 2017-18 আৰু 2018-19 | 30 মে' 2022 | 12 ছেপ্তেম্বৰ 2022 |
| 6 | 2019-20 আৰু 2020-21 | 14 ডিচেম্বৰ 2022 | 10 মাৰ্চ 2023 |

*উৎস: ডি এ এল এফ, অসম-ৰ পৰা প্ৰাপ্ত তথ্য*

এইদৰে অসম হিচাপ পৰীক্ষা মেনুৱেলৰ 101 (i) অনুচ্ছেদ অনুসৰি বিত্ত বিভাগৰ দ্বাৰা অধিক ব্যৱস্থা গ্ৰহণৰ বাবে দুবছৰৰ হিচাপ পৰীক্ষা প্ৰতিবেদন একেলগে দাখিল কৰাৰ ধাৰা দেখা গ'ল। ইয়াৰ ফলত স্থানীয় নিকায়সমূহৰ বাবে জবাবদিহিতাৰ ব্যৱস্থা দুৰ্বল হৈ পৰিছে।

### (D) বিত্তীয় বিৱৰণীৰ প্ৰমাণীকৰণ

অসম স্থানীয় পুঁজি (হিচাপ আৰু হিচাপ পৰীক্ষা) আইন, 1930ৰ 25(I)(e) অনুচ্ছেদ অনুসৰি ডি এ এল এফ (অসম)-এ স্থানীয় নিকায়ৰ সকলো স্তৰৰ বাবে প্ৰাথমিক হিচাপ পৰীক্ষক আৰু প্ৰমাণীকৰণ কৰ্তৃপক্ষ, দুয়োটা হিচাপে কাম কৰে।

কিন্তু প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান (পি এ আই)ৰ মূল্যায়নৰ সৈতে জড়িত হিচাপ পৰীক্ষা ৰেফাৰেন্সৰ প্ৰতিক্ৰিয়াত অসমৰ হিচাপ পৰীক্ষা, স্থানীয় পুঁজিৰ সঞ্চালকে জনাই যে এনে কোনো প্ৰমাণপত্ৰ প্ৰদান কৰা হোৱা নাই। ইয়াৰ বাবে চৰকাৰৰ তৎকালীন মনোযোগৰ প্ৰয়োজন কাৰণ হিচাপৰ প্ৰমাণীকৰণৰ সৈতে বিত্ত আয়োগৰ অনুদান মুকলি কৰাটো জড়িত।

## 2.6.3 কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ) ব্যৱস্থা

ৰাজ্য চৰকাৰে প্ৰদান কৰা কাৰিকৰী নিৰ্দেশনা আৰু সহায় (টি জি এছ) ব্যৱস্থা অনুসৰণ কৰি চি এ জি (ডি পি চি) আইনৰ ধাৰা 20(1)ৰ অধীনত নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকে স্থানীয় নিকায়সমূহৰ নিৰীক্ষণ পৰিচালনা কৰে। টি জি এছ-ৰ মানক চৰ্ত আৰু নিয়মসমূহ গ্ৰহণ কৰাৰ পিছত (মে' 2011) আৰু ত্ৰয়োদশ বিত্ত আয়োগৰ পৰামৰ্শৰ ভিত্তিত বিনিময় আৰু হিচাপৰ নিয়মাৱলী (120 (1)ৰ পৰা 120(8))ৰ দ্বাৰা টি জি এছ-ৰ পৰিসৰ সংজ্ঞায়িত কৰা হয়। টি জি এছ-ৰ মূল উপাদানসমূহৰ ভিতৰত অন্যান্যৰ ভিতৰত আছে:

- অডিটিং মানদণ্ড স্থাপন কৰাত পি এ আই-ক সহায় কৰা।
- উন্নত হিচাপ পৰীক্ষা পদ্ধতি ৰূপায়ণ কৰা।
- সম্যক হিচাপ পৰীক্ষা পৰিকল্পনা নিশ্চিত কৰা।
- পি এ আই হিচাপ পৰীক্ষা প্ৰতিবেদনৰ মানদণ্ড বৃদ্ধি কৰা।
- পৰীক্ষাৰ জৰিয়তে পি এ আই-ৰ হিচাপ পৰীক্ষাৰ ওপৰত নিশ্চয়তা প্ৰদান কৰা।
- জবাবদিহিতা আৰু অনুসৰণ ব্যৱস্থা স্থাপন কৰা।
- পি এ আই-ৰ ভিতৰত আভ্যন্তৰীণ নিয়ন্ত্ৰণ আৰু উত্তম পদ্ধতিসমূহ স্থাপন কৰা।
- পি এ আই-ৰ ক্ষমতা বৃদ্ধি কৰা।

টি জি এছে 2022-23 চনৰ পৰা পি এ আই-ক পদক্ষেপ[5] প্ৰদান কৰি আহিছে।

### 2.6.4 আভ্যন্তৰীণ হিচাপ পৰীক্ষা-

প্ৰাসংগিক আইন আৰু বিত্তীয় আৰু হিচাপ-নিকাচৰ নিয়মত সংজ্ঞায়িত কৰা নিয়ম আৰু পদ্ধতিসমূহৰ অনুসৰণৰ মূল্যায়ন আৰু মূল্যায়নত আভ্যন্তৰীণ হিচাপ পৰীক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্থানীয় নিকায়সমূহৰ ভিতৰত বিপদ ব্যৱস্থাপনা আৰু আভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ পৰিচালনাৰ ফলপ্ৰসূতাৰ সন্দৰ্ভত স্বতন্ত্ৰ নিশ্চয়তা প্ৰদান কৰে।

অসম পঞ্চায়ত (হিচাপ) নিয়মাৱলী, 2002ৰ 18 নং নিয়ম অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ (পি এণ্ড আৰ ডি)ৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষকসকলক পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ দ্বাৰা (পি আৰ আই) হিচাপসমূহ শুদ্ধ আৰু সঠিকভাৱে ৰক্ষণাবেক্ষণ নিশ্চিত কৰাৰ দায়িত্ব দিয়া হৈছে।

কিন্তু সংশ্লিষ্ট পৌৰসভাৰ আইন আৰু নিয়মত আভ্যন্তৰীণ হিচাপ পৰীক্ষাৰ ব্যৱস্থা নথকাৰ বাবে অসমৰ পৌৰসভাসমূহত আভ্যন্তৰীণ হিচাপ পৰীক্ষা ব্যৱস্থা কাৰ্যকৰী হোৱা নাই।

ষষ্ঠ অসম ৰাজ্যিক বিত্ত আয়োগে আভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থা বৃদ্ধিৰ বাবে নগৰীয়া স্থানীয় নিকায়সমূহত আভ্যন্তৰীণ হিচাপ পৰীক্ষা ব্যৱস্থা স্থাপনৰ পৰামৰ্শ আগবঢ়াইছে।

যদিও পি এণ্ড আৰ ডি (চি পি আৰ ডি) অসমৰ আয়ুক্তালয়ত এটা আভ্যন্তৰীণ হিচাপ পৰীক্ষা শাখা আছে তথাপিও এই ইউনিটৰ দ্বাৰা কোনো হিচাপ পৰীক্ষা কৰা হোৱা নাই।

### 2.6.5 কাৰ্যসম্পাদন হিচাপ পৰীক্ষা/ অনুপালন হিচাপ পৰীক্ষা/ বিশেষ হিচাপ পৰীক্ষা

স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাৰ দায়িত্ব অৰ্পণ কৰা হিচাপ পৰীক্ষা প্ৰতিষ্ঠানসমূহে ভাৰতৰ সংবিধানৰ 243 J আৰু 243 Z অনুচ্ছেদৰ পৰা নিজৰ কৰ্তব্য আৰু ক্ষমতা আহৰণ কৰে য'ত ৰাজ্যসমূহে পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ আৰু সেইসমূহৰ হিচাপ পৰীক্ষা ৰক্ষণাবেক্ষণৰ বাবে আইন প্ৰণয়ন কৰিব বুলি আশা কৰে। সেই অনুসৰি বিভিন্ন ৰাজ্যই হিচাপ ৰক্ষণাবেক্ষণ আৰু স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিছে।

73তম আৰু 74তম সাংবিধানিক সংশোধনী আইন 1992 গৃহীত হোৱাৰ ফলস্বৰূপে, "অসম পঞ্চায়ত আইন 1994" য়ে ক্ষমতা বিকেন্দ্ৰীকৰণৰ কৰ্তৃত্ব প্ৰদান কৰে আৰু জিলা, ব্লক আৰু গাঁও পৰ্যায়ত স্থানীয় স্বায়ত্ব-শাসিত নিধিৰ তিনি স্তৰৰ গাঁথনি গঢ়ি তুলিছে।

অসমত ইউ এল বি আৰু পি আৰ আই-ৰ হিচাপ পৰীক্ষাৰ কৰ্তৃত্ব হিচাপ পৰীক্ষাৰ সঞ্চালক (স্থানীয় পুঁজি) (ডি এ এল এফ)ৰ ওপৰত ন্যস্ত কৰা হয়।

**কাৰ্যসম্পাদন হিচাপ পৰীক্ষা:**

আজিলৈকে পি এ আই-য়ে কোনো ধৰণৰ কাৰ্যসম্পাদন হিচাপ পৰীক্ষা কৰা নাছিল।

[5] পৰৱৰ্তী (2023-24) কিছুমান পদক্ষেপৰ ভিতৰত আছে

i) "অডিটী ইউনিটৰ ৰিস্ক পেৰামিটাৰ বিবেচনা কৰি বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰা" শীৰ্ষক এক কৰ্মশালা, য'ত ডি এল এফ, অসমৰ কাৰ্যালয়ৰ 24 জন বিষয়াই অংশগ্ৰহণ কৰে

ii) "অসমত 74 সংখ্যক সাংবিধানিক সংশোধনী আইন ৰূপায়ণ" বিষয়ক এক কৰ্মশালা, য'ত ৰঙিয়া পৌৰসভাৰ নিৰ্বাচিত সদস্য আৰু ডি এল এফ, অসমৰ কাৰ্যালয়ৰ পৰা বিষয়াসকলে অংশগ্ৰহণ কৰে।

iii) ডি এল এফ, অসমৰ কাৰ্যালয়ৰ অংশগ্ৰহণেৰে নগাঁও জিলা পৰিষদৰ অধীনস্থ পি আৰ আই-ৰ স্থানীয় চৰকাৰী এককসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলক বিকেন্দ্ৰীকৃত গণতন্ত্ৰত তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে সজাগ কৰাৰ বাবে এক কাৰ্যসূচী আয়োজন কৰা হৈছিল।

iv) স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষাৰ সঞ্চালক (ডি এ এল এফ), অসমৰ কাৰ্যালয়ৰ পোন্ধৰজন বিষয়াক "অনুপালন হিচাপ পৰীক্ষা নিৰ্দেশনাৱলী" আৰু "73 সংখ্যক সাংবিধানিক সংশোধনী আইন" সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল।

**অনুপালন হিচাপ পৰীক্ষা:**

প্ৰতিবেদনৰ অধীনত থকা সময়ছোৱাত ডি এল এফ, অসমে কৰা অনুপালন হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা কিছুমান হিচাপ পৰীক্ষা পৰ্যবেক্ষণ তলত উল্লেখ কৰা হৈছে:

**<u>পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (পি আৰ আই):</u>**

(1) 90.77 কোটি টকাৰ ভাউচাৰ ৰেকৰ্ড প্ৰস্তুত নকৰা। ***(দফা 2.1 - 2022-23 বৰ্ষৰ বাবে পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)***

(2) ভেট কৰ্তন নকৰা/ জমা নকৰাৰ ফলত 1.38 কোটি টকাৰ চৰকাৰী ৰাজহৰ ক্ষতি। ***(দফা 2.2 - 2022-23 বৰ্ষৰ বাবে পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)***

(3) জি এছ টি কৰ্তন নকৰাৰ বাবে 5.65 লাখ টকাৰ চৰকাৰী ৰাজহৰ ক্ষতি। **(দফা 2.3 - 2022-23 বৰ্ষৰ বাবে পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(4) নিজা কৰ/ ৰাজহ কম পৰিমাণ জমা কৰা/ জমা নকৰাৰ বাবে 46.32 লাখ টকাৰ নিজা ৰাজহৰ ক্ষতি। **(দফা 2.4 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(5) বাকী থকা কিস্তিৰ ধন আদায় নোহোৱাৰ বাবে 6.69 কোটি টকাৰ নিজা ৰাজহৰ ক্ষতি। **(দফা 2.5 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

**<u>নগৰীয়া স্থানীয় নিকায় (ইউ এল বি):</u>**

(1) ভেট কৰ্তন নকৰা/ জমা নকৰাৰ ফলত 27.20 লাখ টকাৰ চৰকাৰী ৰাজহৰ ক্ষতি। **(দফা 4.1 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(2) 8.73 লাখ টকাৰ চি জি এছ টি আৰু এছ জি এছ টি কৰ্তন নকৰাৰ বাবে চৰকাৰী ৰাজহৰ ক্ষতি। **(দফা 4.2 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(3) বিড মানি/ কিস্তি মানি আদায় নোহোৱাৰ বাবে ইউ এল বি-ৰ 45.76 লাখ টকাৰ নিজা ৰাজহৰ ক্ষতি। **(দফা 4.3 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(4) হোল্ডিং টেক্স, সম্পত্তি কৰ, ট্ৰেড লাইচেন্স মাচুল আদি আদায় নোহোৱাৰ বাবে ইউ এল বি-ৰ 37.10 কোটি টকাৰ নিজা ৰাজহৰ ক্ষতি। **(দফা 4.4 - 2022-23 বৰ্ষৰ পি আৰ আই আৰু ইউ এল বি-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)**

(5) বন ৰয়েল্টি (এফ আৰ), শ্ৰমিক কল্যাণ চেছ/ আয়কৰ (আই টি) কৰ্তন নকৰা/ জমা নকৰাৰ বাবে চৰকাৰী ৰাজহৰ ক্ষতিৰ পৰিমাণ 75.58 লাখ টকা। **(দফা 4.5ৰ হিচাপ পৰীক্ষা প্ৰতিবেদন 2022-23 বৰ্ষৰ বাবে পি আৰ আই আৰু ইউ এল বি)**

**বিশেষ হিচাপ পৰীক্ষা:**

2022-23 বৰ্ষৰ সময়ছোৱাত পি এ আই-ৰ দ্বাৰা জি অ' এ-ৰ আদেশ অনুসৰি তলত দিয়া বিশেষ হিচাপ পৰীক্ষাসমূহ কৰা হৈছিল:

(1) খেৰাজখাত মহাবিদ্যালয়ৰ হিচাপ 2018-21ৰ পৰা, (2) এস্কাৰ্ড বেংকৰ একাউণ্ট 2022-23ৰ পৰা আৰু (3) 2022 চনলৈকে অসম বহুমুখী সমবায় সমিতিৰ হিচাপ

### 2.6.6 হিচাপ পৰীক্ষাৰ প্ৰতি সঁহাৰি

মহাগাণনিক (হিচাপ পৰীক্ষা), অসমৰ দ্বাৰা পৰিদৰ্শন প্ৰতিবেদন (আই আৰ)সমূহ সংশ্লিষ্ট স্থানীয় চৰকাৰী কৰ্তৃপক্ষক জাৰি কৰা হৈছিল লগতে ইয়াৰ এখন প্ৰতিলিপি ৰাজ্য চৰকাৰকো প্ৰদান কৰা হৈছিল। স্থানীয় নিকায় কৰ্তৃপক্ষই আই আৰ লাভ কৰাৰ তাৰিখৰ পৰা চাৰি সপ্তাহৰ ভিতৰত আই আৰ-ত থকা হিচাপ পৰীক্ষা তথ্যৰ সঁহাৰি দিব লাগিছিল। স্থানীয় চৰকাৰৰ সন্দৰ্ভত প্ৰস্তুত কৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ জৰিয়তেও গুৰুত্বপূৰ্ণ তথ্য চৰকাৰক জনোৱা হৈছিল।

স্থানীয় চৰকাৰৰ ক্ষেত্ৰত (মাৰ্চ 2023লৈকে) বিগত পাঁচ বছৰত বাকী থকা দফাসমূহৰ বিৱৰণ তলৰ **সাৰণী 29**ত দেখুওৱা হৈছে:

**সাৰণী 29: আই আৰ-ৰ দফাৰ স্থিতি (চি এণ্ড এ জি হিচাপ পৰীক্ষা)**

| বৰ্ষ | আই আৰ | দফা | যিবোৰ ইউনিটে এতিয়াও প্ৰথম অনুসৰণ প্ৰতিবেদন দাখিল কৰিব পৰা নাই সেইবোৰৰ সংখ্যা |
|---|---|---|---|
| 2018-19 | 39 | 540 | 39 |
| 2019-20 | 23 | 224 | 23 |
| 2020-21 | 07 | 112 | 07 |
| 2021-22 | 71 | 529 | 71 |
| 2022-23 | 138 | 834 | 138 |
| **মুঠ** | **278** | **2239** | **278** |

*উৎস: প্ৰগতি পঞ্জী*

## 2.7 স্থানীয় চৰকাৰসমূহৰ প্ৰশাসন ব্যৱস্থাত কৰা উল্লেখযোগ্য পৰিৱৰ্তন

### 2.7.1 ইউ এল বি-ৰ বিভাগীয় পৰ্যায়ত পুনঃগঠন আৰু পুনৰ শ্ৰেণীবিভাজন

অসম চৰকাৰে (জুলাই 2021) গুৱাহাটী উন্নয়ন বিভাগ (জি ডি ডি) আৰু পূৰ্বৰ নগৰ উন্নয়ন বিভাগ (ইউ ডি ডি) একত্ৰিত কৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ (ডি অ' এইচ ইউ এ) নামেৰে নামাকৰণ কৰে। উপাযুক্ত আৰু সচিবজন ডি অ' এইচ ইউ এ-ৰ প্ৰশাসনিক মুৰব্বী আৰু তেওঁ ইউ এল বি প্ৰশাসন, ধন আবণ্টনৰ লগতে ৰাজ্যিক পৰ্যায়ত আঁচনি ৰূপায়ণৰ দায়িত্ব লয়।

প্ৰথম অৱস্থাত এম বি আৰু টি চি-সমূহ ক্ৰমে মধ্যমীয়া চহৰ আৰু পৰিৱৰ্তনশীল অঞ্চলৰ বাবে গঠন কৰা হৈছিল। কিন্তু অসম চৰকাৰৰ অধিসূচনা UDD (M) 263/2017/13 তাৰিখ 11 অক্টোবৰ 2018ৰ দ্বাৰা 66 খন টাউন কমিটীৰ আটাইকেইখনকে পৌৰসভা হিচাপে ৰূপান্তৰিত কৰি নাম সলনি কৰি জনসংখ্যাৰ ভিত্তিত এম বিসমূহক পাঁচটা গোটৰ অধীনত শ্ৰেণীভুক্ত কৰে। এইদৰে গ্ৰাম্য অঞ্চলৰ পৰা চহৰলৈ পৰিৱৰ্তন হোৱা অঞ্চলসমূহক বুজাবলৈ পৌৰসভাৰ কোনো সুকীয়া শ্ৰেণী আৰু নাই।

### 2.7.2 মানৱ সম্পদৰ ব্যৱস্থা

পৰ্যাপ্ত আৰু যোগ্য জনশক্তি কেৱল পি আৰ আই-ৰ সৱলীকৰণৰ বাবেই অপৰিহাৰ্য নহয়, পি আৰ আই-ৰ হাতত অৰ্পণ কৰা কামসমূহ চম্ভালাৰ বাবেও অতি গুৰুত্বপূৰ্ণ।

**সাৰণী-30: পি আৰ আই-ৰ কৰ্মচাৰীৰ সংখ্যা (ডিচেম্বৰ 2023লৈকে)**

| পি আৰ আই-ৰ শ্ৰেণী | | জিলা পঞ্চায়ত | আঞ্চলিক পঞ্চায়ত/ তালুকা পঞ্চায়ত | গাঁও পঞ্চায়ত | মুঠ |
|---|---|---|---|---|---|
| কেন্দ্ৰীভূত | অনুমোদিত | 409 | 1295 | 3440 | 5144 |
| | কৰ্মৰত | 317 | 1048 | 2284 | 3649 |

| পি আৰ আই-ৰ শ্ৰেণী | | | জিলা পঞ্চায়ত | আঞ্চলিক পঞ্চায়ত/ তালুকা পঞ্চায়ত | গাঁও পঞ্চায়ত | মুঠ |
|---|---|---|---|---|---|---|
| বিকেন্দ্ৰীভূত | অনুমোদিত | | নাই | নাই | নাই | নাই |
| | কৰ্মৰত | নিয়মিত | নাই | নাই | নাই | নাই |
| | | অ-নিয়মিত | নাই | নাই | নাই | নাই |
| **মুঠ কৰ্মী** | **অনুমোদিত** | | 409 | 1295 | 3440 | 5144 |
| | **কৰ্মৰত** | | 317 | 1048 | 2284 | 3649 |

*উৎস: চি পি আৰ ডি*

সেৱা প্ৰদান কৰিবলৈ পি আৰ আইসমূহৰ পৰ্যাপ্ত মানৱ সম্পদ থাকিব লাগে আৰু মানৱ সম্পদৰ নিযুক্তিৰ ওপৰতো নিয়ন্ত্ৰণ থাকিব লাগে। ইয়াৰ উপৰিও 13তম এফ চি-য়ে ৰাজ্যসমূহক স্থানীয় নিকায়সমূহক ধন, কাৰ্য্য আৰু বিষয়ববীয়াসকলক অৰ্পণ কৰিবলৈও পৰামৰ্শ দিছে। কেন্দ্ৰীভূত কেডাৰত পি আৰ আইত মানৱ সম্পদত 29.06% নাটনি হৈছিল আৰু বিকেন্দ্ৰীকৃত কেডাৰত কোনো অনুমোদিত শক্তি নাছিল।

**সাৰণী 31: ইউ এল বি-ৰ মানৱ সম্পদৰ ব্যৱস্থা**

| কৰ্মচাৰীৰ সংখ্যা (31 মাৰ্চ 2023লৈকে) | | | | | | |
|---|---|---|---|---|---|---|
| **ইউ এল বি-ৰ শ্ৰেণী** | | | **পৌৰ নিগম** | **পৌৰসভা** | **নগৰ পঞ্চায়ত** | **মুঠ** |
| কেন্দ্ৰীভূত | অনুমোদিত | | 0 | 550 | 0 | 550 |
| | কৰ্মৰত | | 0 | 501 | 0 | 501 |
| বিকেন্দ্ৰীভূত | অনুমোদিত | | 16 | 920 | 0 | 936 |
| | কৰ্মৰত | নিয়মিত | 33 | 1040 | 6 | 1079 |
| | | অ-নিয়মিত | 82 | 2008 | 10 | 2100 |
| **মুঠ কৰ্মী** | **অনুমোদিত** | | 16 | 1470 | 0 | 1486 |
| | **কৰ্মৰত** | | 115 | 3549 | 16 | 3680 |

*উৎস: 77খন ইউ এল বি আৰু জি এম চি*

পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ মতামত আছিল যে কাৰ্যকৰী কাৰ্যালয় পৰিচালনাৰ উদ্দেশ্যে কৰ্মচাৰীৰ পৰ্যাপ্ত শক্তিৰ প্ৰয়োজন আৰু কাৰিকৰী আৰু অন্যান্য কৰ্মচাৰীৰ অতিৰিক্ত পদৰ জৰুৰী প্ৰয়োজন আছিল। আয়োগে পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ইউ এল বিসমূহত দক্ষ জনশক্তি নিয়োগ কৰাৰ পৰামৰ্শ দিছিল (দফা 8.95 আৰু 13.37)।

তিনিখন পৌৰসভাৰ কেডাৰ যথা, অসম নগৰ প্ৰশাসনিক সেৱা, অসম নগৰ অভিযান্ত্ৰিক সেৱা আৰু অসম নগৰ বিত্তীয় সেৱা গঠন কৰা হয় (অক্টোবৰ 2017)।

বিভাগে জনোৱা মতে (অক্টোবৰ 2024) প্ৰতিটো কেডাৰ অৰ্থাৎ কাৰ্যবাহী বিষয়া, নগৰ কাৰিকৰী বিষয়া আৰু বিত্তীয় ব্যৱস্থাপনা বিষয়াৰ 103 সংখ্যকৰ মোতায়েনৰ প্ৰক্ৰিয়া (জানুৱাৰী 2023ৰ ভিতৰত সৃষ্টি হোৱা পদ) সন্দৰ্ভত কাম আৰম্ভ হৈছে[6]।

এইদৰে, পদ সৃষ্টি কৰা (অক্টোবৰ 2017) আৰু প্ৰকৃত নিযুক্তি (জানুৱাৰী 2024)ৰ মাজৰ প্ৰক্ৰিয়াটোৱে অত্যধিক সময় লৈছিল আৰু 5ম এ এছ এফ চি-ৰ আৱন্টনৰ সময়সীমাৰ ভিতৰত কৰিব পৰা নগ'ল। এই সকলোবোৰ দক্ষ আৰু নিষ্ঠাবান জনশক্তিৰ নিযুক্তি সম্পূৰ্ণ নোহোৱালৈকে আৰু প্ৰশিক্ষণ প্ৰদান নকৰালৈকে কাৰ্য্যকৰী দক্ষতা আৰু আৰ্থিক স্বচ্ছতা লাভ কৰিব নোৱাৰিব।

[6] মাৰ্চ 2024ৰ পৰা বিভিন্ন ইউ এল বি-ত মুঠ 96 জন কাৰ্যবাহী বিষয়া নিযুক্তি দিয়া হৈছে আৰু বাকী কেডাৰসকল বৰ্তমান প্ৰশিক্ষণ পৰ্যায়ত (অক্টোবৰ 2024লৈকে) চলি আছিল।

### 2.7.3 ডি এ এল এফ-ৰ মানৱ সম্পদৰ ব্যৱস্থা

যিহেতু, ডি এল এফ ৰাজ্যখনৰ এল জি ইউনিটসমূহৰ পি এ আই, সেয়েহে বিধিগত দায়িত্ব পালন কৰিবলৈ প্ৰয়োজনীয় জনশক্তি থকাটো অতি প্ৰয়োজনীয়।

**সাৰণী 32: ডি এ এল এফ-ৰ মানৱ সম্পদৰ ব্যৱস্থা**

| ক্ৰ নং | কেডাৰ | অনুমোদিত শক্তি | পদত থকা ব্যক্তি | পদ | খালী পদৰ শতাংশ |
|---|---|---|---|---|---|
| 1 | হিচাপ পৰীক্ষা বিষয়া (এ অ') | 159 | 116 | 43 | 27% |
| 2 | সহকাৰী হিচাপ পৰীক্ষা বিষয়া (এ এ অ') | 220 | 163 | 57 | 25.9% |

*উৎস: ডি এ এল এফ (অসম)ৰ পৰা প্ৰাপ্ত তথ্য*

ওপৰৰ সাৰণীৰ পৰা লক্ষ্য কৰা হৈছে যে হিচাপ পৰীক্ষা বিষয়া আৰু সহকাৰী হিচাপ পৰীক্ষা বিষয়াৰ কেডাৰত ক্ৰমে 27% আৰু 25.9% নাটনি হৈছিল। এইটো তাৎপৰ্য্য পূৰ্ণ কাৰণ এ অ' আৰু এ এ অ' হৈছে ক্ষেত্ৰ পৰীক্ষাৰ সৈতে জড়িত মূল বিষয়া। যদিহে এই খালী পদসমূহ নিযুক্তিৰ জৰিয়তে পূৰণ নকৰে তেতিয়ালৈকে কাৰ্য্যকৰী দক্ষতা লাভ কৰিব নোৱাৰিব।

## 3 2022-23ৰ সময়ছোৱাৰ টি জি এছ-ৰ কাৰ্য্যকলাপৰ এক আভাস

### 3.1 টি জি এছ-ৰ কাৰ্যকলাপৰ গাঁথনি

নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (চি এণ্ড এ জি)ৰ মুখ্য কাৰ্যালয়ৰ স্থানীয় চৰকাৰী হিচাপ পৰীক্ষা (এল জি এ) শাখাই ৰাজ্যিক মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ দ্বাৰা টি জি এছ-ৰ কাম-কাজসমূহ নিৰীক্ষণ আৰু তদাৰক কৰে। এই শাখাই দেশ জুৰি টি জি এছ-ৰ কাৰ্যসমূহ তদাৰক কৰে আৰু প্ৰয়োজন সাপেক্ষে এই কাৰ্যসমূহৰ উন্নীতকৰণৰ বাবে পৰিৱৰ্তন সাধন কৰে।

মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ কাৰ্যালয় অসমৰ টি জি এছ কোষত এজন জ্যেষ্ঠ হিচাপ পৰীক্ষা বিষয়া (এছ এ অ') আৰু দুজন সহকাৰী হিচাপ পৰীক্ষা বিষয়া (এ এ অ') থাকে। টি জি এছ কোষে স্থানীয় চৰকাৰৰ হিচাপ পৰীক্ষাৰ বাবে উপ-মহাগাণনিক (ডি এ জি)ক ৰিপোৰ্ট কৰে।




**টি জি এছ কোষৰ দায়িত্বসমূহ:**

(i) পি এ আই মূল্যায়ন, টি জি এছ-ৰ বাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে টি জি এছ-ৰ কাৰ্যসূচী নিৰ্ধাৰণ, বছৰৰ বাবে টি জি এছ-ৰ প্ৰস্তাৱসমূহ চূড়ান্ত কৰা, আৰু টি জি এছ পৰিকল্পনা কাৰ্যকৰী কৰা।

(ii) টি জি এছ পৰিকল্পনাৰ সুচল ৰূপায়ণ নিশ্চিত কৰিবলৈ কাৰ্যকৰী পৰ্যায়ত পি এ আই-ৰ সৈতে সক্ৰিয়ভাৱে জড়িত হোৱা।

(iii) চি এণ্ড এ জি-ৰ মুখ্য কাৰ্যালয়ত টি জি এছ-ৰ প্ৰতিবেদন দাখিল কৰা।

(iv) পাৰস্পৰিক শিক্ষা আৰু ভাল দিশসমূহৰ আদান-প্ৰদানৰ বাবে অন্য ৰাজ্যসমূহৰ টি জি এছ-ৰ কাৰ্যসমূহৰ সৈতে সমন্বয় স্থাপন কৰা।

## 3.2 টি জি এছ-ৰ কাৰ্যসূচী নিৰ্ধাৰণ

টি জি এছ-ৰ কাৰ্যসূচী নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ লক্ষ্য হৈছে পি এ আই-ৰ প্ৰয়োজনীয়তাক লক্ষ্য কৰি পি এ আই-ৰ সহযোগত আগন্তুক বছৰৰ বাবে টি জি এছ-ৰ প্ৰস্তাৱসমূহ চূড়ান্ত কৰা। কাৰ্যসূচী নিৰ্ধাৰণ কৰিবলৈ হোৱা বৈঠকত নিম্নলিখিত মূল ক্ষেত্ৰসমূহত গুৰুত্ব আৰোপ কৰা হৈছিল:

- যিহেতু, পি এ আই, অসমৰ হিচাপ পৰীক্ষা অধিকাৰক্ষেত্ৰত প্ৰাদেশিকৃত বিদ্যালয়, মহাবিদ্যালয়, আৰু ৰাজ্যিক স্বায়ত্তশাসিত সংস্থাসমূহকে ধৰি বাহিৰাগত সংস্থাৰ এককসমূহকো সামৰি লয়, সেয়েহে স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষাৰ সামগ্ৰিক দিশসমূহ যৌথভাৱে মেপিং কৰা।
- পি এ আই-ৰ হিচাপ পৰীক্ষা পদ্ধতি সুদৃঢ় কৰিবলৈ প্ৰয়োজনীয় সমৰ্থন আগবঢ়োৱা।
- আভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিকাশত সহায় কৰা।

ইয়াৰ উপৰিও পি এ আই-ৰ প্ৰতিনিধিয়ে বিপদাশংকা ভিত্তিক হিচাপ পৰীক্ষা পৰিকল্পনা প্ৰস্তুত কৰাৰ প্ৰশিক্ষণৰ বাবে অনুৰোধ জনায়। এই অনুৰোধ স্বীকাৰ কৰা হৈছে আৰু বিপদাশংকা ভিত্তিক হিচাপ পৰীক্ষা পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত প্ৰশিক্ষণ পাঠ্যক্ৰম অনুষ্ঠিত কৰা হৈছে।

## 3.3 টি জি এছ-ৰ পৰিকল্পনা

টি জি এছ পৰিকল্পনাত বছৰটোৰ ভিতৰত টি জি এছ-ৰ সৈতে জড়িত কাৰ্যকলাপসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছে। এই পৰ্যায়ৰ উদ্দেশ্য হৈছে যে উপযুক্ত সম্পদসমূহৰ, প্ৰকাৰ আৰু পৰিমাণ দুয়োটা ক্ষেত্ৰতে টি জি এছ কাৰ্যসূচীত উল্লেখ কৰা উদ্দেশ্য প্ৰণোদিত ফলাফলৰ সৈতে সামঞ্জস্যতা নিশ্চিত কৰা।

আলোচনাৰ সময়ত এই কথা উল্লেখ কৰা হৈছিল যে স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সঞ্চালকে (ডি এ এল এফ) স্থানীয় নিকায়সমূহৰ বাবে প্ৰাথমিক হিচাপ পৰীক্ষক হিচাপে কাম কৰাৰ লগতে তেওঁ বিদ্যালয়, মহাবিদ্যালয়, আৰু ৰাজ্যিক স্বায়ত্তশাসিত সংস্থাসমূহৰ হিচাপ পৰীক্ষণৰ দায়িত্বতো থাকে। ইয়াৰ পৰিপ্ৰেক্ষিতত পৰিকল্পনা প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে টি জি এছ পৰিকল্পনা প্ৰস্তুত কৰাৰ পূৰ্বে হিচাপ পৰীক্ষাৰ সামগ্ৰিক দিশসমূহৰ যৌথ চিনাক্তকৰণৰ কাম হাতত লোৱা হয়।

তলত দিয়া কাৰ্যসমূহৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰা হৈছিল:

(i) এই হিচাপ পৰীক্ষাসমূহৰ বাবে পি এ আই-ৰ নিজা নিৰ্দেশনাৱলী প্ৰস্তুত কৰাত সহায় কৰিবলৈ বিত্তীয় হিচাপ পৰীক্ষা, অনুপালন হিচাপ পৰীক্ষা, আৰু কাৰ্যসম্পাদন হিচাপ পৰীক্ষাৰ ওপৰত চি এণ্ড এ জি-ৰ হিচাপ পৰীক্ষাৰ নিৰ্দেশনাৱলী প্ৰস্তুত কৰা।

(ii) পি এ আই-ৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ পৰা নমুনাৰ পৰীক্ষা কৰা আৰু উন্নীতকৰণৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

(iii) পি এ আই-ৰ ভিতৰত আভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থা বিকাশ কৰাত সহায় কৰা।

## 3.4 টি জি এছ ৰূপায়ণৰ মুখ্যাংশসমূহ

পঞ্চায়তী ৰাজ আইন আৰু পৌৰ আইনৰ অধীনত বিত্তীয় হিচাপ পৰীক্ষা বাধ্যতামূলক হ'লেও স্থানীয় নিকায়সমূহৰ কাম-কাজৰ তদাৰকী ব্যৱস্থা হিচাপে কাম কৰিবলৈ প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠানৰ বহুল কাৰ্যভাৰৰ অংশ হিচাপে

অনুপালন আৰু কাৰ্য সম্পাদন হিচাপ পৰীক্ষা পৰিচালনা কৰা হয়। যেতিয়া প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠানে এই তিনিবিধ হিচাপ পৰীক্ষাৰ সুষম সংমিশ্ৰণ ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰে, তেতিয়া ই হিচাপ পৰীক্ষা প্ৰক্ৰিয়াৰ পৰা সৰ্বাধিক লাভ আহৰণ কৰিব পাৰে। এই লক্ষ্যৰে পি এ আইসমূহক চি এণ্ড এ জি-ৰ ভাল দিশসমূহৰ এক আভাস প্ৰদান কৰা হৈছিল, যাতে এইসমূহ গ্ৰহণ কৰিব পৰা যায়।

**সাৰণী-33: টি জি এছ ৰূপায়ণৰ মুখ্যাংশসমূহ**

| প্ৰত্যাশিত ফলাফল (টি জি এছ-ত নিৰ্ধাৰণ কৰা কাৰ্যসূচীৰ হিচাপত) | পৰিকল্পিত কাৰ্যকলাপ (টি জি এছ বাৰ্ষিক পৰিকল্পনা) | গ্ৰহণ কৰা কাৰ্যকলাপসমূহ (বিতং বিৱৰণ পৰিশিষ্টত) | মুখ্য ফলাফলসমূহ (পৰিশিষ্টসহ) | অৰ্জিত ফলাফল |
|---|---|---|---|---|
| টি জি এছ পৰিকল্পনা চূড়ান্ত কৰা | অংশীদাৰসকলৰ বৈঠক। | পি এ আই-ৰ প্ৰয়োজনীয়তা সমূহৰ বিষয়ে আলোচনা আৰু জানিবলৈ অংশীদাৰ সকলৰ সৈতে বৈঠকৰ ব্যৱস্থা কৰা হৈছে। | টি জি এছ-ৰ বাবে এ এ পি চূড়ান্ত কৰা হৈছে। | টি জি এছ পৰিকল্পনাৰ প্ৰত্যাশিত ফলাফলৰ বাবে প্ৰয়োজনীয় সম্পদৰ সমানুপাতিক পৰিমাণ চিহ্নিত কৰা হৈছে। |
| স্থানীয় চৰকাৰৰ হিচাপ পৰীক্ষাৰ সামগ্ৰিক দিশসমূহৰ চিনাক্তকৰণ | হিচাপ পৰীক্ষাৰ সামগ্ৰিক দিশসমূহ যৌথভাৱে মেপিং কৰা | এল বি-ৰ হিচাপ পৰীক্ষাৰ সামগ্ৰিক দিশ সম্পৰ্কীয় তথ্যৰ ভাগ-বতৰা | অনুসূচিত এলেকাৰ অধীনত নতুনকৈ সৃষ্টি হোৱা তিনিটা এম বি আৰু 22 টা এম বি-ৰ সৈতে জড়িত তথ্য ভাগ বতৰা কৰা হৈছে | সকলো ইউ এল বি-কে পি এ আই-ৰ হিচাপ পৰীক্ষা ইউনিভাৰ্হত অন্তৰ্ভুক্ত কৰিবলৈ চিনাক্ত কৰা হৈছে। |
| অনুপালন হিচাপ পৰীক্ষাৰ ওপৰত জ্ঞান বৃদ্ধি কৰা | অনুপালন হিচাপ পৰীক্ষাৰ বাবে পি এ আই কৰ্মীৰ বাবে সামৰ্থ্য বিকাশ | তলত দিয়া বিষয়টোৰ ক্ষেত্ৰত বিষয় অনুসৰণৰ কৰা প্ৰশিক্ষণ:<br>1. 73 সংখ্যক সাংবিধানিক সংশোধনী আইন<br>2. চি এ জি-ৰ অনুপালন হিচাপ পৰীক্ষা নিৰ্দেশনাৱলী<br>3. হিচাপ পৰীক্ষাযোগ্য ইউনিটৰ ৰিস্ক পেৰামিটাৰ বিবেচনা কৰি বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰা আৰু 74 সংখ্যক সাংবিধানিক সংশোধনী আইন ৰূপায়ণৰ ক্ষেত্ৰত কৰ্মশালা আয়োজন কৰা।<br>4. বিকেন্দ্ৰীকৃত গণতন্ত্ৰৰ বাবে চৰকাৰৰ 3য় স্তৰৰ ভূমিকা আৰু দায়িত্বৰ সন্দৰ্ভত সজাগতা প্ৰদানৰ বাবেও এক সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল। | উন্নত হিচাপ পৰীক্ষা ফলাফলৰ বাবে বৰ্ধিত জ্ঞান | প্ৰশিক্ষাৰ্থীসকলে চি এণ্ড এ জি-ৰ অনুপালন হিচাপ পৰীক্ষা গাইডলাইনৰ সন্দৰ্ভত প্ৰয়োজনীয় জ্ঞান আহৰণ কৰিছে। |

| **প্ৰত্যাশিত ফলাফল (টি জি এছ-ত নিৰ্ধাৰণ কৰা কাৰ্যসূচীৰ হিচাপত)** | **পৰিকল্পিত কাৰ্যকলাপ (টি জি এছ বাৰ্ষিক পৰিকল্পনা)** | **গ্ৰহণ কৰা কাৰ্যকলাপসমূহ (বিতং বিৱৰণ পৰিশিষ্টত)** | **মূখ্য ফলাফলসমূহ (পৰিশিষ্টসহ)** | **অৰ্জিত ফলাফল** |
|---|---|---|---|---|
| পি এ আই-ৰ এ আৰ/ আই আৰ-ৰ মান উন্নত কৰা | পি এ আই-ৰ পৰিদৰ্শন প্ৰতিবেদন/ হিচাপ পৰীক্ষা প্ৰতিবেদন পৰ্যালোচনা কৰা | বছৰটোৰ ভিতৰত পৰ্যালোচনা কৰা 6টা আই আৰ/ এ আৰ | সাৰণী 34ত উল্লেখ কৰা ধৰণে পি এ আই-লৈ পৰামৰ্শ জাৰি কৰা হৈছে | পি এ আই-য়ে মানসম্পন্ন আই আৰ/ এ আৰ প্ৰস্তুত কৰিব |

তদুপৰি, এই নিৰ্দেশনাৱলী অনুসৰি বিত্তীয় হিচাপ পৰীক্ষা পৰিচালনাৰ সুবিধাৰ বাবে চি এণ্ড এ জি-ৰ বিত্তীয় হিচাপ পৰীক্ষাৰ নিৰ্দেশনাৱলীসমূহো পি এ আইক অৱগত কৰা হৈছে। অৱশ্যে, পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই) আৰু নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)ৰ হাতত অনুমোদিত বাৰ্ষিক হিচাপ উপলব্ধ নাছিল। ফলস্বৰূপে পি এ আই-য়ে বিত্তীয় হিচাপ পৰীক্ষা কৰিব পৰা নাছিল, আৰু 2022-23 বৰ্ষত পি এ আই-য়ে কোনো প্ৰমাণপত্ৰ প্ৰদান কৰা নাছিল।

## 3.5 পি এ আই-ৰ পৰিদৰ্শন প্ৰতিবেদন/ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ বাচনি পৰীক্ষাৰ পৰা লাভ কৰা পৰ্যবেক্ষণসমূহ

### 3.5.1 বাচনি পৰীক্ষাৰ বাবে হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ বাচনি

ডি এল এফ, অসমৰ পৰিদৰ্শন প্ৰতিবেদনক হিচাপ পৰীক্ষা প্ৰতিবেদন বুলি কোৱা হয়। এই হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহ সৰল যাদৃচ্ছিক নমুনাৰ ভিত্তিত বাচনি পৰীক্ষাৰ বাবে আৰু বাচনি কৰা হয় দুৰ্বলতাৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰা আৰু প্ৰক্ৰিয়া আৰু উপাদান দুয়োটাতে প্ৰয়োজনীয় উন্নতিৰ বাবে পৰামৰ্শ আগবঢ়োৱা হয়। মহাগাণনিক (হিচাপ পৰীক্ষা) অসমৰ দ্বাৰা জাৰি কৰা আই আৰ-ৰ বিপৰীতে ডি এল এফে জাৰি কৰা হিচাপ পৰীক্ষা প্ৰতিবেদনৰ পৰ্যবেক্ষণসমূহ পৰ্যালোচনা কৰি বাচনি পৰীক্ষা কৰা হৈছিল। হিচাপ পৰীক্ষা প্ৰতিবেদনৰ মানদণ্ড বঢ়াবৰ বাবে এই পৰ্যালোচনাৰ ফলাফলসমূহ ডি এ এল এফক প্ৰদান কৰা হৈছিল।

### 3.5.2 ডি এ এল এফ-ৰ বাচনি পৰীক্ষা প্ৰক্ৰিয়া আৰু পৰিদৰ্শন প্ৰতিবেদনৰ পৰা লাভ কৰা গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণসমূহ

টি জি এছ কাৰ্যকলাপৰ অধীনত মহাগাণনিকৰ কাৰ্যালয়ে হিচাপ পৰীক্ষাৰ উপাদান (ডি এল এফে প্ৰস্তুত কৰা পৰিদৰ্শন প্ৰতিবেদন) আৰু জড়িত প্ৰক্ৰিয়াসমূহ পৰ্যালোচনা কৰিছিল আৰু তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত উন্নতিৰ সম্ভাৱনা লক্ষ্য কৰিছিল

**সাৰণী-34: ডি এ এল এফ-ৰ পৰিদৰ্শন প্ৰতিবেদনৰ ক্ষেত্ৰত মহাগাণনিকৰ কাৰ্যালয়ৰ পৰ্যবেক্ষণ**

| এ জি-ৰ দ্বাৰা পৰ্যবেক্ষণ | প্ৰতিবেদনত ত্ৰুটী | বিভিন্ন শ্ৰেণীৰ পৰ্যবেক্ষণৰ অধীনত হিচাপ পৰীক্ষা বিশ্লেষণৰ উন্নীতকৰণৰ বাবে পৰামৰ্শ |
|---|---|---|
| কোনো ধৰণৰ হিচাপ পৰীক্ষা বিশ্লেষণ নাছিল | হিচাপ পৰীক্ষা বিশ্লেষণৰ অভাৱ | 1. **পি আৰ আই/ ইউ এল বি ৰাজহৰ কম জমা:**<br>○ **চিনাক্তকৰণ:** কম জমা ধনৰ দৃষ্টান্তসমূহ চিনাক্ত কৰণ।<br>○ **দায়িত্ব কেন্দ্ৰ:** হেৰুৱা পুঁজি/ হিচাপ নোহোৱা জমা পুঁজিৰ জবাবদিহিতাৰ বাবে দায়ী বিভাগ বা ব্যক্তি নিৰ্ধাৰণ কৰা।<br>○ **নিয়ন্ত্ৰণ বিফলতাৰ বিশ্লেষণ:** নিয়ন্ত্ৰণ ব্যৱস্থাৰ ব্যৱধান বিশ্লেষণ কৰা যিটো কম জমাৰ কাৰণ আছিল।<br>2. **অসম্পূৰ্ণ নিৰ্মাণ প্ৰকল্প:**<br>○ **অতিবাহিত হোৱা সময়ৰ বিশ্লেষণ:** যিসমূহ প্ৰকল্পৰ সম্পূৰ্ণ হোৱাৰ নিৰ্দ্ধাৰিত সময়তকৈ যথেষ্ট সময় অতিক্ৰম হৈছে সেইসমূহ চিনাক্ত কৰা।<br>○ **কাৰণ বিশ্লেষণ:** প্ৰকল্পসমূহ পলম হোৱাৰ ক্ষেত্ৰত দায়ী কাৰকসমূহ উৎঘাটন কৰা।<br>○ **কায়িক পৰিদৰ্শন:** নিৰ্বাচিত প্ৰকল্পসমূহৰ কায়িক পৰিদৰ্শন কৰি প্ৰমাণ হিচাপে আলোকচিত্ৰ সংগ্ৰহ কৰা।<br>3. **অব্যৱহৃত বা ৰাজহ-অৰ্জন নকৰা সম্পত্তি:**<br>○ **চিনাক্তকৰণ:** অব্যৱহৃত বা ৰাজহ অৰ্জন নকৰা সম্পদ চিনাক্ত কৰা।<br>○ **কাৰণ বিশ্লেষণ:** অব্যৱহৃত হৈ থকাৰ কাৰণ আৰু সেইসমূহৰ সমাধানৰ বাবে কৰা প্ৰচেষ্টাৰ বিশ্লেষণ।<br>○ **সম্ভাব্য ৰাজহ মূল্যায়ন:** এই সম্পত্তিসমূহৰ পৰা অৰ্জন হ'ব পৰা সম্ভাব্য ৰাজহ অনুমান কৰা।<br>○ **সম্পত্তিৰ স্থিতিৰ মূল্যায়ন:** আলোকচিত্ৰৰ যোগেদি সম্পদৰ বৰ্তমানৰ স্থিতিৰ মূল্যায়ন।<br>4. **বজাৰ আৰু অন্যান্য সম্পত্তি লিজত দিয়া:**<br>○ **নিবিদা প্ৰক্ৰিয়া পৰ্যালোচনা:** সম্পত্তি লিজত দিয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া পৰীক্ষা কৰা।<br>○ **নাকচ কৰাৰ কাৰণ বিশ্লেষণ:** সৰ্বোচ্চ নিবিদাকাৰীক নাকচ কৰাৰ কাৰণসমূহৰ উদঘাটন কৰা।<br>○ **নিৰপেক্ষতাৰ মূল্যায়ন:** প্ৰত্যাখ্যানৰ মাপকাঠী সকলো নিবিদাকাৰীৰ বাবে সমানে প্ৰযোজ্য নেকি সেইটো মূল্যায়ন কৰা।<br>5. **কিস্তি ধন সংগ্ৰহ:**<br>○ **শিথিলতা চিনাক্তকৰণ:** কিস্তিৰ ধন সংগ্ৰহত ধাৰাবাহিক শিথিলতাৰ দৃষ্টান্ত চিনাক্ত কৰা।<br>○ **আইনী কাঠামোৰ বিশ্লেষণ:** কিস্তিৰ ধন সংগ্ৰহ নিয়ন্ত্ৰণ কৰা প্ৰাসংগিক আইন আৰু নিয়মসমূহ পৰ্যালোচনা কৰা।<br>○ **প্ৰচেষ্টা মূল্যায়ন:** কিস্তি ধন সংগ্ৰহৰ বাবে পি আৰ আই/ ইউ এল বি-য়ে কৰা প্ৰচেষ্টাৰ মূল্যায়ন কৰা।<br><br>**অতিৰিক্ত বিবেচনাসমূহ:**<br>• **তুলনামূলক বিশ্লেষণ:** বিভিন্ন অঞ্চল বা ৰাজ্যত পি আৰ আই/ ইউ এল বি-ৰ কৰ্মক্ষমতা তুলনা কৰি ভাল দিশসমূহ চিনাক্ত কৰা আৰু উন্নতিৰ সম্ভাৱনাৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰা। |

| এ জি-ৰ দ্বাৰা পৰ্যবেক্ষণ | প্ৰতিবেদনত ত্ৰুটী | বিভিন্ন শ্ৰেণীৰ পৰ্যবেক্ষণৰ অধীনত হিচাপ পৰীক্ষা বিশ্লেষণৰ উন্নীতকৰণৰ বাবে পৰামৰ্শ |
|---|---|---|
| | | • **পৰামৰ্শ:** চিনাক্ত কৰা অনুপালনহীনতাৰ দৃষ্টান্তসমূহ সমাধান কৰিবলৈ আৰু বিত্তীয় প্ৰদৰ্শন উন্নত কৰিবলৈ পি আৰ আই/ ইউ এল বি-সমূহক নিৰ্দিষ্ট পৰামৰ্শ প্ৰদান কৰা।<br>• **অনুসৰণ:** পৰামৰ্শসমূহৰ কাৰ্যকৰীকৰণ নিৰীক্ষণ কৰা আৰু ইয়াৰ ফলপ্ৰসূতা মূল্যায়ন কৰিবলৈ অনুসৰণমূলক হিচাপ পৰীক্ষা কৰা।<br>অধিক ব্যৱস্থাগত বিশ্লেষণৰ সৈতে, ডি এ এল এফে উন্নত বিত্তীয় ব্যৱস্থাপনা, বৰ্ধিত সম্পত্তিৰ ব্যৱহাৰ, আৰু ৰাজহ সমগ্ৰহ বৃদ্ধি কৰি উন্নত শাসন ব্যৱস্থাত অৰিহণা যোগাব পাৰে। |
| ভৱিষ্যতে এনে অনিয়ম নহ'বৰ বাবে দফা/ হিচাপ পৰীক্ষা তথ্যৰ শেষত পৰামৰ্শ থাকিব লাগে | হিচাপ পৰীক্ষা হৈছে সুশাসন উন্নত কৰাৰ এক আহিলা। গতিকে ব্যৱস্থাত থকা ত্ৰুটীসমূহ চিনাক্ত কৰাৰ বাবে ব্যৱস্থাগত/ নিয়ন্ত্ৰণগত ব্যৱধালসমূহৰ বিশ্লেষণ অতি গুৰুত্বপূৰ্ণ। ইয়াৰ ফলত যুক্তিসংগতভাৱে শাসন ব্যৱস্থাত মূল্য সংযোজনৰ দিশত ব্যৱহাৰিক পৰামৰ্শ আগবঢ়োৱা হয়। | পি এ আই-য়ে ইয়াৰ হিচাপ পৰীক্ষা প্ৰক্ৰিয়া আৰু হিচাপ পৰীক্ষা পৰ্যালোচনাৰ জৰিয়তে ব্যৱস্থাগত ত্ৰুটীসমূহ চিনাক্ত কৰাৰ লগতে নিয়ন্ত্ৰণসমূহ কাৰ্যকৰী হৈ নথকাৰ ক্ষেত্ৰত দায়বদ্ধ কেন্দ্ৰ চিনাক্ত কৰাৰো প্ৰয়োজন। |
| হিচাপ পৰীক্ষা পৰ্যবেক্ষণ (সমূহ) প্ৰমাণ কৰিবলৈ যুক্তিসংগত নথি পত্ৰ (কে ডি) নাছিল। | হিচাপ পৰীক্ষা পৰ্যবেক্ষণক প্ৰমাণ কৰিবলৈ সঠিক নথিপত্ৰৰ প্ৰয়োজন | দফাসমূহ উপযুক্ত কে ডি-ৰ সৈতে সমৰ্থিত হ'ব লাগে আৰু এইবোৰ ডি এ এল এফ-ৰ মুখ্য কাৰ্যালয়ত এটা পৰীক্ষা আৰু গুণগত নিশ্চয়তাৰ ব্যৱস্থা থাকিব লাগে। |
| ক্ষেত্ৰ হিচাপ পৰীক্ষা গোট আৰু হিচাপ পৰীক্ষা যোগ্য গোটৰ সদস্যৰ দ্বাৰা যৌথ ক্ষেত্ৰ কায়িক পৰীক্ষণৰ কোনো উদাহৰণ নাছিল। | হিচাপ পৰীক্ষা পৰ্যবেক্ষণক প্ৰমাণ কৰিবলৈ ক্ষেত্ৰ হিচাপ পৰীক্ষাত যৌথ কায়িক পৰীক্ষণক এক আহিলা হিচাপে ব্যৱহাৰ কৰা হোৱা নাছিল | ক্ষেত্ৰ হিচাপ পৰীক্ষাত যৌথ কায়িক পৰীক্ষণ হিচাপ পৰীক্ষা পৰ্যবেক্ষণসমূহক প্ৰমাণ কৰিবলৈ এটা মূল্যৱান আহিলা হ'ব পাৰে কাৰণ যৌথ কায়িক পৰীক্ষণে তলত দিয়া ধৰণে প্ৰভাৱ পেলাব পাৰে:<br>• **বিশ্বাসযোগ্যতা:** যৌথ পৰীক্ষণে হিচাপ পৰীক্ষা প্ৰতিবেদনক বিশ্বাসযোগ্যতা প্ৰদান কৰিব পাৰে, কিয়নো ই প্ৰমাণ কৰে যে পৰ্যবেক্ষণসমূহ একাধিক পক্ষই সমৰ্থন কৰিছিল।<br>• **প্ৰমাণ সংগ্ৰহ:** কায়িক পৰীক্ষণে হিচাপ পৰীক্ষাৰ সিদ্ধান্তক সমৰ্থন কৰিবলৈ ফটো বা নথি-পত্ৰৰ দৰে স্পষ্ট প্ৰমাণ সংগ্ৰহ কৰাত সহায় কৰিব পাৰে। |

| এ জি-ৰ দ্বাৰা পৰ্যবেক্ষণ | প্ৰতিবেদনত ত্ৰুটী | বিভিন্ন শ্ৰেণীৰ পৰ্যবেক্ষণৰ অধীনত হিচাপ পৰীক্ষা বিশ্লেষণৰ উন্নীতকৰণৰ বাবে পৰামৰ্শ |
|---|---|---|
| | | • **অমিল চিনাক্তকৰণ:** নথিভূক্ত তথ্যৰ সৈতে কায়িক প্ৰমাণ তুলনা কৰিলে অমিল বা অসামঞ্জস্যতা চিনাক্তকৰণত সহায়ক হ'ব পাৰে।<br>• **ষ্টেকহ'ল্ডাৰ সমৰ্থন:** যৌথ পৰীক্ষণে ষ্টেকহ'ল্ডাৰৰ সমৰ্থন আৰু হিচাপ পৰীক্ষাৰ তথ্যৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰিব পাৰে।<br>কিন্তু মন কৰিবলগীয়া যে যৌথ কায়িক পৰীক্ষণ পদ্ধতিগত আৰু স্বচ্ছভাৱে কৰিব লাগে। যুক্তিসংগতা আৰু ফলপ্ৰসূতা নিশ্চিত কৰিবলৈ স্পষ্ট নিৰ্দেশনা আৰু ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰক্ৰিয়া (এছ অ' পি) থাকিব লাগে। ইয়াৰ উপৰিও এই কৌশলৰ সৰ্বাধিক সুবিধা লাভ কৰিবলৈ উপযুক্ত হিচাপ পৰীক্ষা কৰ্মীক জড়িত কৰাটোও সাৱধানতাৰে বিবেচনা কৰিব লাগে। |

অসমৰ এ জি কাৰ্যালয়ৰ, পৰ্যবেক্ষণসমূহৰ বিপৰীতে পি এ আই-ৰ আৰু কোনো সঁহাৰি পোৱা নগ'ল।

## 4 সামৰণি আৰু পৰামৰ্শসমূহ

2022-23বৰ্ষৰ কাৰিকৰী নিৰ্দেশনা আৰু সমৰ্থন (টি জি এছ) বাৰ্ষিক পৰিকল্পনাৰ লক্ষ্য হৈছে ফলপ্ৰসূ নিৰীক্ষণ আহিলা আৰু মাধ্যমৰ এক পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰা যিয়ে হিচাপ পৰীক্ষা পৰিকল্পনা আৰু নিষ্পাদনত সামৰ্থ্য বিকাশৰ প্ৰচেষ্টাৰ জৰিয়তে স্থানীয় স্ব-চৰকাৰসমূহৰ সামঞ্জস্যপূৰ্ণ, উচ্চমানৰ হিচাপ পৰীক্ষা নিশ্চিত কৰে। এই পদক্ষেপে স্থানীয় চৰকাৰৰ জবাবদিহিতাৰ সন্দৰ্ভত অংশীদাৰসকলক অধিক নিশ্চিতি প্ৰদানেৰে হিচাপ পৰীক্ষা আৰু হিচাপ পৰীক্ষাৰ উপাদানসমূহৰ মান উন্নত কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰে।

টি জি এছ কাৰ্যকলাপৰ সময়ছোৱাত তলত উল্লেখ কৰা ক্ষেত্ৰসমূহ চিনাক্ত কৰা হৈছিল যিয়ে 73 আৰু 74 সংখ্যক সাংবিধানিক সংশোধনী আইনৰ অধীনত কল্পনা কৰা লক্ষ্যসমূহৰ সামগ্ৰিক লাভা-লাভৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছিল।

**আইনত টি জি এছ-ৰ ব্যৱস্থা অন্তৰ্ভুক্ত নকৰা:** অসমত স্থানীয় স্বায়ত্ব শাসনৰ সন্দৰ্ভত ভাৰতৰ চি এণ্ড এ জি-ৰ টি জি এছ কাৰ্যসমূহৰ ব্যৱস্থা অসম পৌৰ আইন, 1956ত অন্তৰ্ভুক্ত হ'লেও, সেইসমূহ আন প্ৰাসংগিক আইন, যেনে, অসম পঞ্চায়ত আইন, 1994 আৰু গুৱাহাটী পৌৰ নিগম আইন, 1971ৰ অধীনত এতিয়াও অন্তৰ্ভুক্ত কৰা হোৱা নাই। পি আৰ আই আৰু গুৱাহাটী পৌৰ নিগমৰ ক্ষেত্ৰত চি এণ্ড এ জি-ৰ টি জি এছ কাৰ্য্যৰ বিধিগত আদেশ এতিয়াও ৰাজ্যিক বিধানসভাৰ দ্বাৰা সমৰ্থিত হোৱা নাই।

- ***চৰকাৰে এ পি আইন, 1994 আৰু জি এম চি আইন, 1971ত টি জি এছ-ৰ বিধানসমূহ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰাৰ কথা চিন্তা কৰিব পাৰে।***

**কাৰ্য/ বিত্ত/ বিষয়ববীয়াসকলৰ হস্তান্তৰণৰ ক্ষেত্ৰত সামান্য অগ্ৰগতি:** ভাৰতীয় সংবিধানৰ 73 আৰু 74 সংশোধনী আইন প্ৰৱৰ্তন তিনি দশকৰো অধিক সময়ৰ পাছতো অসমত 3 এফ (অৰ্থাৎ কাৰ্য/ পুঁজি/ বিষয়ববীয়া) হস্তান্তৰণৰ অগ্ৰগতিয়ে এতিয়াও গতি লাভ কৰিবলৈ সক্ষম হোৱা নাই আৰু স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থা হিচাপে পি আৰ আই আৰু ইউ এল বিসমূহৰ অৰ্থপূৰ্ণ কাম-কাজ বাস্তৱায়িত হোৱা নাই। 73 সংখ্যক সাংবিধানিক সংশোধনীৰ অধীনত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান (পি আৰ আই)ৰ অধীনত পৰিকল্পনা কৰা মুঠ 29টা কামৰ ভিতৰত 23টা কামৰ মেপিং কৰা হৈছিল আৰু সাতটা বিষয়ৰ হস্তান্তৰণৰ বাবে অধিসূচনা কৰা হৈছিল যদিও, পি আৰ আই-লৈ কোনো বস্তুনিষ্ঠ কাৰ্য্য হস্তান্তৰ হোৱা নাছিল। আনহাতে, ইউ এল বি-ৰ সন্দৰ্ভত সংবিধানৰ দ্বাদশ অনুসূচীত তালিকাভুক্ত 17টা কামৰ

হস্তান্তৰৰ বাবে অসম পৌৰ আইন, 1956 সংশোধন কৰা হৈছিল যদিও জি অ' এ-য়ে এনে হস্তান্তৰণৰ সন্দৰ্ভত কোনো অধিসূচনা জাৰি কৰা নাছিল।

দেখা গৈছিল যে পি আৰ আই আৰু ইউ এল বি উভয়ৰে বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্ত আয়োগ দুয়োটাই হস্তান্তৰণৰ বাবে দিয়া পৰামৰ্শৰ বিপৰীতে প্ৰকৃততে কৰা মুকলিৰ ক্ষেত্ৰত যথেষ্ট ব্যৱধান দেখা গৈছিল।

- ***চৰকাৰে অসমৰ স্থানীয় স্বায়ত্ব ব্যৱস্থাৰ সন্দৰ্ভত প্ৰকৃতাৰ্থত 3F সমূহ হস্তান্তৰৰ ক্ষেত্ৰত সন্মুখীন হোৱা বাধাসমূহ চিনাক্ত কৰি পি আৰ আই/ ইউ এল বিসমূহক শক্তিশালী কৰাৰ বাবে পদক্ষেপ ল'ব পাৰে যাতে আৰ্থিক আৰু কাৰ্য্যকৰী স্বায়ত্ততাৰ ধাৰণাটো প্ৰাপ্ত হয়।***

***এল এছ জি-ৰ সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ত কেন্দ্ৰীভূত তথ্যৰ অনুপস্থিতি:*** স্থানীয় স্বায়ত্ত শাসন (এল এছ জি) ব্যৱস্থাত প্ৰশাসনিক বিভাগসমূহৰ ওচৰত পৰ্যাপ্ত ডাটাবেচৰ অভাৱ আছিল যিয়ে নিৰীক্ষণৰ দুৰ্বলতাৰ ইংগিত দিছিল। ইয়াৰ ফলত 31 মাৰ্চ 2023ত সমাপ্ত হোৱা বছৰৰ বাবে এ টি আই আৰ প্ৰস্তুতিতো বাধা সৃষ্টি হৈছিল। এনে একত্ৰিত কেন্দ্ৰীভূত তথ্যই ৰাজ্য পৰ্যায়ৰ কাৰ্যবাহী বিষয়া আৰু নিৰ্ণয় প্ৰস্তুতকাৰীসকলক সংশোধনীমূলক অনুসৰণৰ বাবে বিভিন্ন এল এছ জি-ৰ আন্তঃগাঁথনিগত কাম-কাজ বিশ্লেষণ কৰাত সহায় কৰিব।

- ***বিভাগ/ সঞ্চালকালয়/ আয়ুক্তালয়ে এল এছ জিৰ পৰা বাস্তৱ সময়ৰ তথ্য সংগ্ৰহৰ বাবে অনলাইন প্লেটফৰ্ম (সমূহ) ব্যৱহাৰ কৰিব পাৰে।***

***পি এ আই-ৰ কাৰ্য্যকলাপ :*** পি এ আই-ৰ প্ৰাথমিক দায়িত্ব হৈছে বিত্তীয় বিৱৰণীসমূহ সঠিকভাৱে প্ৰস্তুত কৰা, সম্পূৰ্ণ কৰা, পৰ্যাপ্তভাৱে প্ৰকাশ কৰা, আৰু প্ৰযোজ্য বিত্তীয় প্ৰতিবেদন পদ্ধতি আৰু নিয়ন্ত্ৰণ কাঠামোৰ সৈতে অনুপালন নিশ্চিত কৰাৰ বাবে বিত্তীয় হিচাপ পৰীক্ষা কৰা। হিচাপ পৰীক্ষাৰ উদ্দেশ্য হৈছে বিত্তীয় তথ্যসমূহ গুৰুত্বপূৰ্ণ ত্ৰুটীৰ পৰা মুক্ত হয় নে নহয়, সেই বিষয়ে নিশ্চয়তা প্ৰদান কৰা বা মতামত প্ৰকাশ কৰা, সেয়া সম্ভাৱনাৰ ফলতেই হওক বা ইচ্ছাকৃতভাৱে বাদ দিয়াৰ বাবেই হওক। অৱশ্যে, এল এছ জি-ৰ বাহিৰে অন্যান্য গোটৰ হিচাপ পৰীক্ষাত হিচাপ পৰীক্ষা কৰ্মচাৰী নিয়োজিত কৰাৰ লগতে সীমিত কৰ্মচাৰীৰ সৈতে এনে হিচাপ পৰীক্ষণ চলোৱাৰ বাবে পি এ আই-য়ে 2022-23 লৈকে বিত্তীয় হিচাপ পৰীক্ষা কৰিব পৰা নাছিল আৰু লগতে হিচাপসমূহ সত্যাপণ কৰিব পৰা নাছিল। কেন্দ্ৰীভূত আৰু শক্তিশালী গুণগত নিয়ন্ত্ৰণ ব্যৱস্থাৰ জৰিয়তে ডি এ এল এফ-ৰ দ্বাৰা কৰা হিচাপ পৰীক্ষা প্ৰক্ৰিয়া আৰু পৰ্যবেক্ষণৰ ক্ষেত্ৰত উন্নতিৰ যথেষ্ট থল আছে।

- ***আগন্তুক বছৰবোৰত বিত্তীয় হিচাপ পৰীক্ষাৰ বাবে প্ৰাথমিক হিচাপ পৰীক্ষা প্ৰতিষ্ঠান হিচাপে নিজৰ ভূমিকা পালন কৰিবলৈ পি এ আই-ৰ ক্ষমতা বৃদ্ধিৰ বাবে যথেষ্ট প্ৰচেষ্টা চলোৱাটো প্ৰয়োজন। চৰকাৰে স্থানীয় নিকায়সমূহৰ হিচাপৰ হিচাপ পৰীক্ষা আৰু সত্যাপণ কৰাৰ অভিজ্ঞতা থকা আন কিছুমান সমতুল্য ৰাজ্যৰ পি এ আই-ৰ সৈতে ইয়াৰ ডি এল এফ কৰ্মচাৰীসকলৰ বিশেষ প্ৰশিক্ষণ আৰু ক্ৰছ-লাৰ্নিং কৰ্মশালা আয়োজন কৰাৰ কথা চিন্তা কৰিব পাৰে।***
- ***চি এণ্ড এ জি আৰু অন্যান্য ৰাজ্যৰ সমতুল্য সংস্থাসমূহৰ ভাল দিশসমূহ গ্ৰহণ কৰি ডি এ এল এফ-ৰ হিচাপ পৰীক্ষাৰ প্ৰক্ৰিয়া আৰু পৰ্যবেক্ষণৰ ওপৰত গুণগত নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰাটো প্ৰয়োজন।***

***সংহত উন্নয়নৰ বাবে একত্ৰিত জিলা পৰিকল্পনা :*** বিভিন্ন এল এছ জি সমিটীয়ে সংশ্লিষ্ট আইনত পৰিকল্পনা কৰা ধৰণে কাম কৰা নাছিল। এই সমিতিসমূহে নিয়মীয়াকৈ বৈঠকত মিলিত নোহোৱাৰ উপৰিও অংশীদাৰসকলেও তাত অংশগ্ৰহণ কৰা নাছিল। জিলা পৰিষদে বিভিন্ন কাৰ্যসূচীৰ অধীনত বাৰ্ষিক কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰে যদিও সংহত জিলা পৰিকল্পনা আগতীয়াকৈ প্ৰস্তুত কৰা নাছিল। তাৰ পৰিৱৰ্তে পুঁজি উপলব্ধ হ'লেহে জিলা পৰিষদে অংশীদাৰসকলৰ পৰা আঁচনিৰ সন্দৰ্ভত তথ্য বিচাৰিছিল। এইদৰে, সকলো স্তৰৰ এল এছ জি-ক অন্তৰ্ভূক্ত কৰি জিলাখনৰ সংহত উন্নয়নৰ ধাৰণাটোৰ সৈতে আপোচ কৰা হৈছিল।

- ***এল এছ জি-ৰ সকলো স্তৰৰ ব্যক্তিগত পৰিকল্পনা একত্ৰিত কৰি ব্যাপক জিলা পৰিকল্পনা প্ৰণয়ন নিশ্চিত কৰাটো প্ৰয়োজন।***

**(ডাঃ গৌৰৱ কুমাৰ)**
**মহাগাণনিক (হিচাপ পৰীক্ষা), অসম**

গুৱাহাটী
তাৰিখ : 26 ফেব্ৰুৱাৰী 2026

## পৰিশিষ্ট-A

***(দ্ৰষ্টব্য : দফা 1.1.1)***

**1992 চনৰ 73 সংখ্যক সংশোধনী আইনৰ দ্বাৰা ভাৰতীয় সংবিধানৰ একাদশ অনুসূচীত তালিকাভুক্ত 29টা বিষয়ৰ তালিকা**

1. কৃষি সম্প্ৰসাৰণকে ধৰি কৃষি।
2. ভূমি উন্নয়ন, ভূমি সংস্কাৰ ৰূপায়ণ, ভূমি একত্ৰীকৰণ আৰু ভূমি সংৰক্ষণ।
3. ক্ষুদ্ৰ জলসিঞ্চন, জল ব্যৱস্থাপনা আৰু জলাশয়ৰ উন্নয়ন।
4. পশুপালন, দুগ্ধ আৰু হাঁহ-কুকুৰা পালন।
5. মীন পালন।
6. সামাজিক বনানীকৰণ আৰু কৃষি বনানীকৰণ।
7. ক্ষুদ্ৰ বনজ উৎপাদ।
8. খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগকে ধৰি ক্ষুদ্ৰ উদ্যোগ।
9. খাদী, গ্ৰাম আৰু কুটিৰ উদ্যোগ।
10. গ্ৰাম্য গৃহ নিৰ্মাণ।
11. খোৱা পানী।
12. ইন্ধন আৰু পশু খাদ্য।
13. পথ, কালভাৰ্ট, দলং, ফেৰী, জলপথ আৰু অন্যান্য যাতায়তৰ মাধ্যম।
14. বিদ্যুৎ বিতৰণকে ধৰি গ্ৰাম্য বৈদ্যুতিকৰণ।
15. অগতানুগতিক শক্তিৰ উৎস।
16. দৰিদ্ৰতা নিৰাময় কাৰ্যসূচী।
17. প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়কে ধৰি শিক্ষা।
18. কাৰিকৰী প্ৰশিক্ষণ আৰু বৃত্তিমূলক শিক্ষা।
19. প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা।
20. পুথিভঁৰাল।
21. সাংস্কৃতিক কাৰ্য্যকলাপ।
22. বজাৰ আৰু মেলা।
23. চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ঔষধালয়কে ধৰি স্বাস্থ্য আৰু অনাময় ব্যৱস্থা।
24. পৰিয়াল কল্যাণ।
25. মহিলা আৰু শিশুৰ বিকাশ।
26. বিশেষভাৱে সক্ষম আৰু মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ কল্যাণকে ধৰি সমাজ কল্যাণ।
27. দুৰ্বল শ্ৰেণী, বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ।
28. ৰাজহুৱা বিতৰণ ব্যৱস্থা।
29. সামাজিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ।

## পৰিশিষ্ট-B

***(দ্ৰষ্টব্য : দফা 1.1.1)***

## দ্বাদশ অনুসূচীত তালিকাভুক্ত 18টা বিষয়ৰ তালিকা

| ক্ৰমিক নং | কাম-কাজৰ নাম |
|---|---|
| 1 | গ্ৰাম্য পৰিকল্পনাকে ধৰি নগৰ পৰিকল্পনা |
| 2 | অগ্নিনিৰ্বাপক সেৱা |
| 3 | ভূমি ব্যৱহাৰ আৰু অট্টালিকা নিৰ্মাণৰ নিয়ামক |
| 4 | বস্তি উন্নয়ন আৰু উন্নীতকৰণ |
| 5 | পথ আৰু দলং |
| 6 | নগৰীয়া বনানীকৰণ, পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশসমূহৰ প্ৰসাৰ |
| 7 | বিশেষভাৱে সক্ষম আৰু মানসিকভাৱে বাধাগ্ৰস্তকে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰা |
| 8 | জন্ম আৰু মৃত্যুৰ পঞ্জীয়নকে ধৰি গুৰুত্বপূৰ্ণ পৰিসংখ্যা |
| 9 | অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে পৰিকল্পনা কৰা |
| 10 | নগৰীয়া দৰিদ্ৰতা দূৰীকৰণ |
| 11 | ঘৰুৱা, উদ্যোগিক, আৰু বাণিজ্যিক উদ্দেশ্যৰ বাবে পানী যোগান |
| 12 | জনস্বাস্থ্য, অনাময়, সংৰক্ষণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা |
| 13 | নগৰীয়া সা-সুবিধা আৰু উদ্যান, বাগিচা, খেলপথাৰ আদিৰ দৰে সুবিধাসমূহৰ ব্যৱস্থা |
| 14 | সাংস্কৃতিক, শৈক্ষিক, আৰু নান্দনিক দিশসমূহৰ প্ৰসাৰ |
| 15 | ষ্ট্ৰীট লাইটিং, পাৰ্কিং আস্থান, বাছ ষ্টপ আৰু ৰাজহুৱা সুবিধাকে ধৰি ৰাজহুৱা সুবিধা |
| 16 | সমাধি আৰু সমাধিস্থল, শ্মশান, শ্মশানশালী, বৈদ্যুতিক শ্মশান, বৈদ্যুতিক শ্মশানশালী |
| 17 | কেটেল পাউণ্ড, জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ |
| 18 | কচাইখানা আৰু চামৰাৰ কাৰখানাৰ নিয়ন্ত্ৰণ |

## পৰিশিষ্ট- C

*(দ্ৰষ্টব্য : দফা 2.2.1)*

## পি আৰ আইসমূহলৈ হস্তান্তৰণ কৰা কাৰ্যকলাপৰ স্থিতি

| ক্ৰ নং | বিষয়ৰ নাম | হস্তান্তৰণৰ স্থিতি | | |
|---|---|---|---|---|
| | | সম্পূৰ্ণ হোৱা এক্টিভিটি মেপিং | হস্তান্তৰণৰ বাবে অধিসূচনা জাৰী কৰা হৈছে নে | হস্তান্তৰণ কৰা হৈছে নে |
| 1 | কৃষি সম্প্ৰসাৰণকে ধৰি কৃষি। | হৈছে | হৈছে | নাই |
| 2 | ভূমি উন্নয়ন, ভূমি সংস্কাৰ ৰূপায়ণ, ভূমি একত্ৰীকৰণ আৰু ভূমি সংৰক্ষণ | হৈছে | হৈছে | নাই |
| 3 | ক্ষুদ্ৰ জলসিঞ্চন, জল ব্যৱস্থাপনা আৰু জলাশয়ৰ উন্নয়ন। | হৈছে | নাই | নাই |
| 4 | পশুপালন, দুগ্ধ আৰু হাঁহ-কুকুৰা পালন। | হৈছে | হৈছে | নাই |
| 5 | মীন পালন। | হৈছে | নাই | নাই |
| 6 | সামাজিক বনানীকৰণ আৰু কৃষি বনানীকৰণ। | হৈছে | নাই | নাই |
| 7 | ক্ষুদ্ৰ বনজ উৎপাদ। | হৈছে | নাই | নাই |
| 8 | খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগকে ধৰি ক্ষুদ্ৰ উদ্যোগ। | হৈছে | নাই | নাই |
| 9 | খাদী, গ্ৰাম আৰু কুটিৰ উদ্যোগ। | হৈছে | হৈছে | নাই |
| 10 | গ্ৰাম্য গৃহ নিৰ্মাণ। | নাই | নাই | নাই |
| 11 | খোৱা পানী। | হৈছে | নাই | নাই |
| 12 | ইন্ধন আৰু পশু খাদ্য। | হৈছে | নাই | নাই |
| 13 | পথ, কালভাৰ্ট, দলং, ফেৰী, জলপথ আৰু অন্যান্য যাতায়তৰ মাধ্যম | হৈছে | নাই | নাই |
| 14 | বিদ্যুৎ বিতৰণকে ধৰি গ্ৰাম্য বিদ্যুতিকৰণ | হৈছে | হৈছে | নাই |
| 15 | অগতানুগতিক শক্তিৰ উৎস | নাই | নাই | নাই |
| 16 | দৰিদ্ৰতা নিৰাময় কাৰ্যসূচী | হৈছে | নাই | নাই |
| 17 | প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়কে ধৰি শিক্ষা | হৈছে | হৈছে | নাই |
| 18 | কাৰিকৰী প্ৰশিক্ষণ আৰু বৃত্তিমূলক শিক্ষা | নাই | নাই | নাই |
| 19 | প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা | হৈছে | হৈছে | নাই |
| 20 | পুথিভঁৰাল | নাই | নাই | নাই |
| 21 | সাংস্কৃতিক কাৰ্য্যকলাপ | হৈছে | নাই | নাই |
| 22 | বজাৰ আৰু মেলা | নাই | নাই | নাই |
| 23 | চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ঔষধালয়কে ধৰি স্বাস্থ্য আৰু অনাময় ব্যৱস্থা | হৈছে | নাই | নাই |
| 24 | পৰিয়াল কল্যাণ | হৈছে | নাই | নাই |
| 25 | মহিলা আৰু শিশুৰ বিকাশ | হৈছে | নাই | নাই |
| 26 | বিশেষভাৱে সক্ষম আৰু মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ কল্যাণকে ধৰি সমাজ কল্যাণ | হৈছে | নাই | নাই |
| 27 | দুৰ্বল শ্ৰেণী, বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ | হৈছে | নাই | নাই |
| 28 | ৰাজহুৱা বিতৰণ ব্যৱস্থা | হৈছে | নাই | নাই |
| 29 | সামাজিক সম্পত্তিৰ ৰক্ষণাবেক্ষণ | নাই | নাই | নাই |

# পৰিশিষ্ট D

***(দ্ৰষ্টব্য : দফা 2.2.1)***

## ইউ এল বিসমূহলৈ হস্তান্তৰণ কৰা কাৰ্যকলাপৰ স্থিতি

| ক্ৰ. নং | কাৰ্যৰ নাম | এ এম আইন অনুসৰি ব্যৱস্থা | কাৰ্য কলাপ | হস্তান্তৰণৰ বৰ্তমানৰ স্থিতি |
|---|---|---|---|---|
| 1 | **গ্ৰাম্য পৰিকল্পনাকে ধৰি নগৰ পৰিকল্পনা** | ● ইউ এল বিসমূহলৈ স্থানান্তৰ<br>● মাষ্টাৰ প্লেন প্ৰস্তুত কৰা আৰু এইসমূহ কাৰ্যকৰী কৰিবলৈ নগৰ উন্নয়ন বিভাগে পৌৰসভাসমূহলৈ হস্তান্তৰ কৰিব লাগিব।<br>● গ্ৰাম্য আৰু নগৰ পৰিকল্পনা বিভাগৰ কৰ্মচাৰীৰ সেৱাসমূহ পৌৰসভা বা পৌৰসভাৰ সংলগ্ন গোটৰ অধীনত ৰখা হ'ব। | মাষ্টাৰ প্লেনিং/ উন্নয়ন পৰিকল্পনা/ মণ্ডল পৰিকল্পনা<br>মাষ্টাৰ প্লেনিং নিয়ম বলবৎ কৰা | **একেবাৰেই হস্তান্তৰিত নোহোৱা**<br>এতিয়াও জিলাখনৰ গ্ৰাম্য আৰু নগৰ পৰিকল্পনা (টি এণ্ড চি পি)ৰ উপ-সঞ্চালকে কৰি আছে। |
| | | | বিল্ডিং উপ-বিধি আৰু অনুজ্ঞাপত্ৰ বলবৎ কৰা | এম বিয়ে কেৱল উপ-বিধিসমূহহে প্ৰস্তুত কৰে। |
| | | | গ্ৰুপ হাউছিং আৰু ঔদ্যোগিক এলেকাৰ উন্নয়ন | অসম ৰাজ্যিক গৃহ নিৰ্মাণ ব'ৰ্ড গ্ৰুপ হাউছিং আৰু উদ্যোগিক এলেকাৰ উন্নয়নৰ কামত নিয়োজিত। |
| 2 | **ভূমি ব্যৱহাৰ আৰু অট্টালিকা নিৰ্মাণৰ নিয়ন্ত্ৰণ** | ● ইউ এল বিসমূহলৈ হস্তান্তৰ<br>● মাষ্টাৰ প্লেন প্ৰস্তুত কৰা আৰু এইসমূহ কাৰ্যকৰী কৰিবলৈ নগৰ উন্নয়ন বিভাগ পৌৰসভাসমূহলৈ হস্তান্তৰ কৰিব লাগিব।<br>● নগৰ আৰু নগৰ পৰিকল্পনা বিভাগৰ কৰ্মচাৰীৰ সেৱাসমূহ পৌৰসভা বা পৌৰসভাৰ সংলগ্ন গোটৰ অধীনত ৰখা হ'ব। | ভূমি ব্যৱহাৰ নিয়ন্ত্ৰণ | **ইউ এল বি-ৰ আংশিক অধিকাৰ।**<br>কৃষি ভূমিৰ পৰা অনাকৃষি ভূমিলৈ ৰূপান্তৰ, বিভিন্ন কামৰ বাবে ভূমি প্ৰদান কৰাৰ কাম ৰাজহ বিভাগে কৰে |
| | | | বিল্ডিং প্লেন/ ডাঙৰ অট্টালিকাসমূহ অনুমোদন কৰা | বিল্ডিং লাইচেঞ্চ প্ৰদান কৰা, বিল্ডিং লাইচেঞ্চ নবীকৰণ কৰা আৰু বিল্ডিং উপ-বিধি উলংঘা নকৰাটো নিশ্চিত কৰাৰ কামত এম বি জড়িত |
| | | | অবৈধ অট্টালিকা ভাঙি পেলোৱা | এম বি সমূহক অবৈধ অট্টালিকা ভাঙিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। |
| 3 | **বস্তি উন্নয়ন আৰু উন্নীতকৰণ** | ● বস্তি উন্নয়ন আৰু উন্নীতকৰণৰ আঁচনি ৰূপায়ণৰ কাম হাতত লোৱাটো সম্পূৰ্ণৰূপে পৌৰসভাৰ বিষয় হ'ব লাগে<br>● প্ৰতিখন পৌৰসভাৰ বৈঠকত ব'ৰ্ডে বিষয়টোৰ সৈতে জড়িত ব্যয়কে ধৰি যিকোনো বিষয়ৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে | হিতাধিকাৰী চিনাক্ত কৰা | **ইউ এল বি-সমূহ কাৰ্যকৰী ইউনিট হিচাপে জড়িত।**<br>এম বিয়ে হিতাধিকাৰীৰ তালিকা নিৰ্বাচন আৰু প্ৰস্তুত কৰাৰ দায়িত্ব লয়। |
| | | | সুলভ মূল্যৰ ঘৰ প্ৰদান কৰা<br>বস্তিৰ উন্নীতকৰণ | পি এম এৱাই (ইউ)ৰ মিছ্ন সঞ্চালক পি এম এৱাই আঁচনিৰ অধীনত সুলভ মূল্যৰ ঘৰ যোগান ধৰাৰ কামত নিয়োজিত। |
| 4 | **পথ আৰু দলং** | ● হস্তান্তৰিত বিষয়<br>● লোক নিৰ্মাণ বিভাগ, অসমৰ পথ শাখাৰ প্ৰয়োজনীয় কাৰ্যালয়ৰ লগতে উপযুক্ত স্তৰৰ এজন বিষয়াৰ সেৱাসমূহ সংশ্লিষ্ট পৌৰসভাৰ অধীনত ন্যস্ত কৰা হ'ব।<br>● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।<br>● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডৰ সিদ্ধান্ত বৈঠকত কাৰ্যকৰী কৰিব। | পথ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ<br>দলং, নলা, উৰণীয়া সেতু আৰু ফুটপাথ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ | **ইউ এল বি-সমূহৰ অধিকাৰ ক্ষেত্ৰ।**<br>এম বি-ৰ অধীনত থকা পথ, দলং, নলা, উৰণীয়া সেতু আৰু ফুটপাথ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব এম বিয়ে লয়।<br>**লোকনিৰ্মাণ বিভাগ -**<br>ৰাজ্যিক ঘাইপথ আৰু জিলাৰ ঘাই পথৰ ৰক্ষণা-বেক্ষণ আৰু পৌৰসভাৰ অঞ্চলৰ অধীনত চৰকাৰী ভৱন নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণকে ধৰি পথৰ কামৰ বাবে দায়বদ্ধ। |
| 5 | **নগৰীয়া বনানীকৰণ, পৰিৱেশ সুৰক্ষা আৰু** | ● হস্তান্তৰিত বিষয়<br>● বন বিভাগ, অসমৰ এজন বিষয়াৰ সেৱা আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা | বনানীকৰণ<br>সেউজীয়াকৰণ<br>সজাগতা অভিযান | **ইউ এল বি-ৰ অ'ভাৰলেপিং অধিকাৰক্ষেত্ৰ।**<br>বনবিভাগ, সেউজীকৰণ আৰু সজাগতা |

| ক্ৰ. নং | কাৰ্যৰ নাম | এ এম আইন অনুসৰি ব্যৱস্থা | কাৰ্য কলাপ | হস্তান্তৰণৰ বৰ্তমানৰ স্থিতি |
|---|---|---|---|---|
| | **পৰিৱেশগত দিশৰ প্ৰসাৰ** | হ'ব।<br>● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।<br>● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডৰ সিদ্ধান্ত বৈঠকত কাৰ্যকৰী কৰিব। | পৰিৱেশ সুৰক্ষা আৰু পৰিৱেশগত দিশসমূহৰ প্ৰসাৰ | সৃষ্টিৰ কামত জড়িত। |
| | | | জলাশয় আদিৰ দৰে প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণ। | বন বিভাগ আৰু এম বি সমূহে প্ৰাকৃতিক সম্পদ যেনে জলাশয় আদিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লয়। |
| 6 | **বিশেষভাৱে সক্ষম আৰু মানসিকভাৱে বাধাগ্ৰস্থ লোককে ধৰি সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰা** | ● হস্তান্তৰিত বিষয়<br>● লোক নিৰ্মাণ বিভাগ, অসমৰ পথ শাখাৰ প্ৰয়োজনীয় কাৰ্যালয়ৰ লগতে উপযুক্ত স্তৰৰ এজন বিষয়াৰ সেৱাসমূহ সংশ্লিষ্ট পৌৰসভাৰ অধীনত ন্যস্ত কৰা হ'ব।<br>● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।<br>● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডৰ সিদ্ধান্ত বৈঠকত কাৰ্যকৰী কৰিব। | হিতাধিকাৰী চিনাক্ত কৰা | **হস্তান্তৰিত নোহোৱা; ইউ এল বি-সমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।**<br>এম বি, সমাজ কল্যাণ বিভাগ, জনজাতি কল্যাণ বিভাগ নিজ নিজ আঁচনিৰ বাবে হিতাধিকাৰী চিনাক্তকৰণৰ কামত নিয়োজিত হৈ আছে। |
| | | | ট্ৰাইচাইকেলৰ দৰে সঁজুলি/ সুবিধা প্ৰদান কৰা | এম বি আৰু সমাজ কল্যাণ বিভাগৰ সঁজুলি আৰু সুবিধা প্ৰদানৰ সৈতে জড়িত |
| | | | গৃহ নিৰ্মাণৰ কাৰ্যসূচী | পি এম এৱাই (ইউ) মিছ্ন এণ্ড ষ্টেট হাউছিং ব'ৰ্ডৰ দ্বাৰা ৰূপায়িত। ইউ এল বি-সমূহে কেৱল হিতাধিকাৰীহে নিৰ্বাচন কৰে। |
| | | | জলপানি | সমাজ কল্যাণ বিভাগ, জনজাতি কল্যাণ বিভাগে জলপানি প্ৰদান কৰে আৰু এম বি-সকল কেৱল হিতাধিকাৰী চিনাক্তকৰণৰ কামত জড়িত। |
| 7 | **জন্ম আৰু মৃত্যুৰ পঞ্জীয়নকে ধৰি গুৰুত্বপূৰ্ণ পৰিসংখ্যা** | ● হস্তান্তৰিত বিষয়<br>● স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসমৰ উপযুক্ত পৰ্যায়ৰ এজন বিষয়াৰ সেৱা আৰু প্ৰয়োজনীয় প্ৰতিষ্ঠান আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা হ'ব।<br>● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।<br>● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে ব'ৰ্ডে লোৱা সিদ্ধান্ত কাৰ্যকৰী কৰিব। | তথ্য আহৰণৰ বাবে চিকিৎসালয়/ শ্মশান আদিৰ সৈতে সমন্বয় সাধন কৰা | **হস্তান্তৰিত নোহোৱা; ইউ এল বিসমূহে পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা প্ৰদানকাৰী হিচাপে কাম কৰে।**<br>স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে জন্ম-মৃত্যুৰ তথ্য ৰক্ষণা-বেক্ষণ কৰি আছে। বিভাগে পঞ্জীয়ন কৰি জন্ম-মৃত্যুৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। |
| | | | ডাটাবেছ ৰক্ষণাবেক্ষণ আৰু উন্নীত কৰা | |
| 8 | **অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে পৰিকল্পনা** | ● অন্তৰ্নিহিত বিষয়<br>● অসমৰ সমাজ কল্যাণ বিভাগৰ উপযুক্ত পৰ্যায়ৰ এজন বিষয়াৰ সেৱা আৰু প্ৰয়োজনীয় প্ৰতিষ্ঠান আংশিকভাৱে সংশ্লিষ্ট পৌৰসভাৰ অধীনত ৰখা হ'ব।<br>● ওপৰত উল্লেখ কৰা বিষয়াসকলৰ সৈতে আলোচনা কৰি বিষয়টোৰ সৈতে জড়িত পৌৰসভাৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰত আঁচনিসমূহ গ্ৰহণ কৰা।<br>● এই দফাত উল্লেখ কৰা সংশ্লিষ্ট বিষয়াসকলে কাৰ্যকৰী কৰিব | অৰ্থনৈতিক কাৰ্য্যকলাপৰ বাবে কাৰ্যসূচী ৰূপায়ণ | **ইউ এল বি-সমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।**<br>এম বিসমূহে কল্যাণমূলক আঁচনি (নিয়োগ, স্বাস্থ্য, শিক্ষা আৰু মৌলিক প্ৰয়োজনীয়তাসমূহেৰে গঠিত) ৰূপায়ণ কৰে।<br>**সমাজ কল্যাণ বিভাগ** - অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আৰু অন্যান্য দুৰ্বল শ্ৰেণীৰ কল্যাণ, অনুসূচিত জাতি-জনজাতিৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক উন্নতিৰ বাবে উন্নীতকৰণৰ বিভিন্ন কাৰ্যসূচী আৰু আঁচনি ৰূপায়ণ, এছ চি পি আৰু টি এছ পি আঁচনি ৰূপায়ণ, বিভিন্ন জলপানি প্ৰদান আৰু হোষ্টেল চোৱাচিতা কৰা |
| | | | সামাজিক উন্নয়নৰ বাবে নীতি | |
| 9 | **নগৰীয়া দৰিদ্ৰতা দূৰীকৰণ** | ● অন্তৰ্নিহিত বিষয়<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, | হিতাধিকাৰী চিনাক্ত কৰা | **ইউ এল বিসমূহ কাৰ্যকৰী সংস্থা হিচাপে জড়িত।**<br>এম বি - নিজৰ পুঁজি আৰু এছ এফ চিৰ |

| ক্ৰ. নং | কাৰ্যৰ নাম | এ এম আইন অনুসৰি ব্যৱস্থা | কাৰ্য কলাপ | হস্তান্তৰণৰ বৰ্তমানৰ স্থিতি |
|---|---|---|---|---|
| | | নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে।<br>● এই সন্দৰ্ভত চৰকাৰে সময়ে সময়ে জাৰি কৰা নিৰ্দেশনাসমূহ কাৰ্যকৰী কৰাৰ বাবে প্ৰতিখন পৌৰসভাত এটা নগৰীয়া দৰিদ্ৰতা নিৰাময় কোষ মুকলি কৰা হ'ব। | জীৱিকা আৰু নিয়োগ | পুঁজিৰ জৰিয়তে কল্যাণমূলক আঁচনি ৰূপায়ণ।<br>এন ইউ এল এম - দক্ষতা বিকাশ আৰু জীৱিকা আঁচনি ৰূপায়ণ। |
| | | | ষ্ট্ৰীট ভেণ্ডৰ | এম বিয়ে ষ্ট্ৰীট ভেণ্ডৰৰ বাবে আঁচনি ৰূপায়ণ কৰে।<br>এম বিত নগৰীয়া দৰিদ্ৰতা নিৰাময় কোষ গঠন হোৱা নাছিল। |
| 10 | **ঘৰুৱা, ঔদ্যোগিক আৰু বাণিজ্যিক উদ্দেশ্যৰ বাবে পানী যোগান** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | পানীৰ বিতৰণ<br>সংযোগ প্ৰদান কৰা<br>পৰিচালনা আৰু ৰক্ষণাবেক্ষন (অ' এণ্ড এম)<br>কৰ সংগ্ৰহ | **অ'ভাৰলেপিং অধিকাৰক্ষেত্ৰ**<br>পি এইচ ই এণ্ড এ ডব্লিউ এছ এছ বি ঘৰুৱা, ঔদ্যোগিক আৰু বাণিজ্যিক উদ্দেশ্যত পানী যোগানৰ সৈতে জড়িত |
| 11 | **জনস্বাস্থ্য, অনাময়, সংৰক্ষণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা** | ● অন্তৰ্নিহিত বিষয়<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | চিকিৎসালয়, ঔষধালয়ৰ ৰক্ষণাবেক্ষণ কৰা<br>প্ৰতিষেধক/টিকাকৰণ<br>জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন | **ইউ এল বিৰ আংশিক অধিকাৰক্ষেত্ৰ।**<br>স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ জন্ম আৰু মৃত্যুৰ পঞ্জীয়নৰ আৰু প্ৰতিষেধক/টিকাকৰণৰ সৈতে জড়িত। |
| | | | সংক্ৰামক ৰোগৰ দ্বাৰা প্ৰভাৱিত স্থানীয় অঞ্চলসমূহ পৰিষ্কাৰ আৰু বীজাণুনাশক কৰা<br>গোটা-আৱৰ্জনা ব্যৱস্থাপনা<br>ৰাজহুৱা বজাৰ নিয়ন্ত্ৰণ আৰু তত্বাৱধান | এম বি স্থানীয় এলেকাত পৰিষ্কাৰ আৰু বীজাণুনাশক, গোটা-আৱৰ্জনা ব্যৱস্থাপনা নিয়ন্ত্ৰণ আৰু ৰাজহুৱা বজাৰৰ তত্বাৱধানৰ সৈতে জড়িত। |
| 12 | **উদ্যান, বাগিচা, খেলপথাৰ আদিৰ দৰে নগৰীয়া সা-সুবিধাৰ ব্যৱস্থা** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | উদ্যান আৰু বাগিচা স্থাপন<br>কাৰ্যকৰীকৰণ আৰু ৰক্ষণাবেক্ষণ | **ইউ এল বি-ৰ অ'ভাৰলেপিং অধিকাৰক্ষেত্ৰ।**<br>**এম বি**- উদ্যান, বাগিচা, খেলপথাৰ, উদ্যানত খেলা-ধুলা আৰু জিমনেছিয়ামৰ সঁজুলি স্থাপন আৰু পৰিচালনা ও চোৰাচিতা।<br>**অমৃত মিছন** - অমৃত মিছনৰ অধীনত চাৰিখন চহৰৰ উদ্যানৰ উন্নীতকৰণ |
| 13 | **সাংস্কৃতিক, শৈক্ষিক আৰু নান্দনিক দিশসমূহৰ প্ৰসাৰ** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | বিদ্যালয় আৰু শিক্ষা | **বিভাগে কৈছিল যে এই কামটো একেবাৰেই হস্তান্তৰিত হোৱা নাই; কিন্তু ইউ এল বিসমূহ আংশিকভাৱে জড়িত হোৱা দেখা গৈছে।**<br>শিক্ষা বিভাগৰ দ্বাৰা ৰূপায়িত। |
| | | | মেলা আৰু উৎসৱ<br>সাংস্কৃতিক ভৱন/ প্ৰতিষ্ঠান | এম বি আৰু সাংস্কৃতিক বিভাগে মেলা আৰু উৎসৱৰ ব্যৱস্থা কৰে |
| | | | ঐতিহ্য | এম বি, সাংস্কৃতিক বিভাগ আৰু প্ৰত্নতত্ত্ব বিভাগ |
| | | | ৰাজহুৱা স্থানৰ সৌন্দৰ্য্যবৰ্ধন | ৰাজহুৱা স্থানৰ সৌন্দৰ্য্যবৰ্ধনৰ লগত এম বি জড়িত। |

| ক্ৰ. নং | কাৰ্যৰ নাম | এ এম আইন অনুসৰি ব্যৱস্থা | কাৰ্য কলাপ | হস্তান্তৰণৰ বৰ্তমানৰ স্থিতি |
|---|---|---|---|---|
| 14 | **সমাধি আৰু সমাধিস্থল, শ্মশানশালী, শ্মশান, বৈদ্যুতিক শ্মশানশালী, বৈদ্যুতিক শ্মশান** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | শ্মশান আৰু কবৰস্থান আৰু বৈদ্যুতিক শ্মশানৰ নিৰ্মাণ আৰু পৰিচালনা আৰু ৰক্ষণাবেক্ষন | **ইউ এল বিৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ।**<br>শ্মশান আৰু কবৰস্থান আৰু বৈদ্যুতিক শ্মশান নিৰ্মাণ আৰু অ' এণ্ড এমত এম বি জড়িত। |
| 15 | **কেটল পাউণ্ড, জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰতা প্ৰতিৰোধ** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | গৰাকীবিহীন জীৱ-জন্তু ধৰা আৰু আৱদ্ধ কৰি ৰখা<br>বন্ধ্যাকৰণ আৰু জলাতংক প্ৰতিৰোধী<br>পশুৰ সুৰক্ষা নিশ্চিত কৰা | **ইউ এল বিৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ।**<br>এম বিয়ে কেটল পাউণ্ড, জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰতা প্ৰতিৰোধৰ সৈতে জড়িত কাৰ্য্য সম্পাদন কৰি আছে। |
| 16 | **ষ্ট্ৰীট লাইটিং, পাৰ্কিং আস্থান, বাছ ষ্টপ আৰু ৰাজহুৱা পৰিবহনকে ধৰি ৰাজহুৱা সুবিধাসমূহ** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | ষ্ট্ৰীট লাইট স্থাপন আৰু ৰক্ষণাবেক্ষণ | **ইউ এল বি-ৰ আংশিক অধিকাৰক্ষেত্ৰ।**<br>এম বি ষ্ট্ৰীট লাইটৰ ৰক্ষণাবেক্ষণৰ লগত জড়িত।<br>অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডে বিদ্যুতৰ যোগান আৰু বিতৰণৰ ব্যৱস্থা কৰে। |
| | | | বাছৰ পথ নিৰ্ধাৰণ আৰু পৰিচালনা কৰা | অসম ৰাজ্যিক পৰিবহণ নিগম |
| | | | পাৰ্কিং আস্থান নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ কৰা<br>ৰাজহুৱা শৌচাগাৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ | ৰাজহুৱা শৌচাগাৰ, পাৰ্কিং আস্থান নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ এম বি-ৰ দ্বাৰা কৰা হয় |
| 17 | **কচাইখানা আৰু চামৰাৰ কাৰখানাৰ নিয়ন্ত্ৰণ** | ● অন্তৰ্নিহিত বিষয়।<br>● নগৰ উন্নয়ন বিভাগৰ অধীনত সেৱা আগবঢ়োৱা বিষয়াসকলৰ কাৰিকৰী সহায়, নিৰ্দেশনা আৰু তত্বাৱধানৰ সৈতে যিকোনো চৰকাৰী পৰিকল্পনা আচঁনিৰ অধীনত তেওঁলোকৰ দ্বাৰা কাৰ্যকৰী কৰাৰ বাবে বিষয়টো নিজৰ পুঁজিৰ পৰা কাৰ্যকৰী কৰিব লাগে বা চৰকাৰক দাখিল কৰিব লাগে। | জীৱ-জন্তু আৰু মাংসৰ গুণগত মান নিশ্চিত কৰা<br>আৱৰ্জনা নিষ্কাশন<br>কচাইনাৰ পৰিচালনা আৰু চোৰাচিতা | **ইউ এল বি-ৰ সম্পূৰ্ণ অধিকাৰক্ষেত্ৰ।**<br>এম বি-য়ে এই কামসমূহ অন্তৰ্নিহিত কাৰ্য হিচাপে কৰি আহিছে। |
| 18 | **অগ্নি সেৱাসমূহ** | কোনো ব্যৱস্থা নাই | অগ্নিনিৰ্বাপক বাহিনী স্থাপন আৰু ৰক্ষণাবেক্ষণ কৰা<br>ওখ অট্টালিকাৰ সন্দৰ্ভত অগ্নিনিৰ্বাপক বাহিনীৰ এন অ' চি/ অনুমোদনৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা<br>অগ্নিনিৰ্বাপক বাহিনী স্থাপন আৰু ৰক্ষণাবেক্ষণ কৰা | **একেবাৰেই হস্তান্তৰিত নোহোৱা।**<br>অসম ৰাজ্যিক অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা অগ্নিনিৰ্বাপক সেৱা প্ৰদানৰ কামত নিয়োজিত। |

## সংক্ষিপ্ত শব্দাৱলী

| | |
|---|---|
| এ ডি বি | এছিয়ান ডেভেলপমেণ্ট বেংক |
| এ এম এক্ট | অসম পৌৰ আইন, 1956 |
| অমৃত | অটল নৱীকৰণ আৰু নগৰীয়া ৰূপান্তৰ মিছন |
| এ আৰ চি | প্ৰশাসনিক সংস্কাৰ আয়োগ |
| এ আৰ ভি | বাৰ্ষিক ভাড়া মূল্য |
| এ এছ এফ চি | অসম ৰাজ্যিক বিত্ত আয়োগ |
| এ এছ এইচ বি | অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদ |
| এ ইউ আই আই পি | অসম নগৰীয়া আন্তঃগাঁথনি বিনিয়োগ কাৰ্য্যসূচী |
| এ ইউ ডব্লিউ এছ এণ্ড এছ বি | অসম নগৰ পানী যোগান আৰু নৰ্দমা ব'ৰ্ড |
| চি এ এ | সাংবিধানিক সংশোধনী আইন |
| চি এ জি | নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক |
| চি ই অ' | মুখ্য কাৰ্য্যবাহী বিষয়া |
| চি এফ চি | কেন্দ্ৰীয় বিত্তীয় আয়োগ |
| চি অ' আই | ভাৰতীয় সংবিধান |
| ডি এ এল এফ | স্থানীয় পুঁজিৰ হিচাপ পৰীক্ষা সঞ্চালক |
| ডি পি চি | কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্তাৱলী |
| ডি পি চি | জিলা পৰিকল্পনা সমিতি |
| জি বি জি | সাধাৰণ মূল অনুদান |
| জি ডি ডি | গুৱাহাটী উন্নয়ন বিভাগ |
| জি এম চি | গুৱাহাটী পৌৰ নিগম |
| জি এম ডি এ | গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ |
| জি এম ডি ডব্লিউ এণ্ড এছ বি | গুৱাহাটী মহানগৰ খোৱা পানী আৰু নৰ্দমা ব'ৰ্ড |
| জি অ' এ | অসম চৰকাৰ |
| জি পি জি | সাধাৰণ কাৰ্য্যকৰী অনুদান |
| জি এছ চি এল | গুৱাহাটী স্মাৰ্টচিটি লিমিটেড |
| জি ডব্লিউ আৰ এ | গুৱাহাটী জল নিয়ন্ত্ৰণ কৰ্তৃপক্ষ |
| আই এইচ এছ ডি পি | সংহত গৃহ নিৰ্মাণ আৰু বস্তি উন্নয়ন কাৰ্যসূচী |
| জে আই চি এ | জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা |
| জে এন এন ইউ আৰ এম | জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ অভিযান |
| এম এ | পৌৰ প্ৰশাসন |
| এম বি | পৌৰ সভা |
| এম পি চি | মহানগৰ পৰিকল্পনা সমিতি |
| এন আল চি পি আৰ | নন-লেপচেবল কেন্দ্ৰীয় পুঁজিৰ উৎস |
| এন অ' চি | আপত্তিবিহীন প্ৰমানপত্ৰ |
| এন ইউ আই এছ | ৰাষ্ট্ৰীয় নগৰীয়া তথ্য প্ৰণালী |
| অ' এণ্ড এম | পৰিচালনা আৰু ৰক্ষণাবেক্ষণ |
| পি এ | কাৰ্য্যসম্পাদন হিচাপ পৰীক্ষা |
| পি এইচ ই | জনস্বাস্থ্য কাৰিকৰী |
| পি এম এ ওৱাই (ইউ) | প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰীয়া) |
| পি আৰ আই | পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান |
| পি এছ ইউ | ৰাজহুৱা খণ্ডৰ গোট |
| এছ চি/এছ টি | অনুসূচিত জাতি/অনুসূচিত জনজাতি |
| এছ ই চি | ৰাজ্যিক নিৰ্বাচন আয়োগ |
| এছ পি ভি | বিশেষ উদ্দেশ্যৰ বাহন |
| চি এণ্ড চি পি | নগৰ আৰু গ্ৰাম্য পৰিকল্পনা |
| টি চি | টাউন কমিটি |

| | |
|---|---|
| টি অ' আৰ | প্ৰাসঙ্গিক চৰ্তাৱলী |
| ইউ ডি ডি | নগৰ উন্নয়ন বিভাগ |
| ইউ আই ডি এছ এছ এম টি | ক্ষুদ্ৰ আৰু মজলীয়া চহৰৰ বাবে নগৰ আন্তঃগাঁথনি উন্নয়ন আঁচনি |
| ইউ এল বি | নগৰীয়া স্থানীয় নিকায় |

©

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক

www.cag.gov.in

https://cag.gov.in/ag/assam/en